# Assam Legislative Assembly Debates

ELEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION
## VOLUME 1
## NO. 16

The 1st April, 1971

सत्यमेव जयते

1988

PRINTED AT PURBANCHAL PRINTERS, AMBARI, GUWAHATI-781 001

DEBATE OF THE

# ASSAM LEGISLATIVE ASSEMBLY, 1971

( BUDGET SESSION )

VOLUME 1

NO. 16

The 1st April, 1971

CONTENTS Pages


1. Starred Questions And Answers ... ... 1
2. Unstarred Questions And Answers ... ... 23
3. Re : Hunger-strike by the workers of the Assam State Electricity Board .... ... 26
4. Re : Grants to Theatrical Parties ... ... 28
5. Re : No-Confidence on the Vice-Chancellor of the Agriculture University ... .... 30
6. Report of the Business Advisory Committee ... ... 31
7. Re : Taking Over of Tea Garden Schools ... .... 32
8. General Discussion on the Budget ... .... 35
9. Adjournment .... .... 91

Proceedings of the Eleventh Session of the Assam Legislative Assembly Assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India.

The Assembly met in the Assembly Chamber, Shillong, at 10 A.M. on Thursday, the 1st April 1971.

PRESENT

Shri Mohi Kanta Das, M.A.,B.L., Speaker, in the Chair, Ten Minister, Five Ministers of State, Two Deputy Ministers and Fifty Members.

STARRED

---

QUESTIONS AND ANSWERS

---

( To which oral replies were given )

**Re : Mopping up operations in Mizo Hills.**

Shri Maneswar Boro, asked :—

*85. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that the security forces renewed mopping up operations in Mizo Hills in the month of August 1970 ?

(b) Whether it is a fact that six rebels were killed and 31 others captured in the mopping up operations ?

(c) Whether any arms and ammunition were seized from the captured hostiles ?

(d) If so, what kinds of arms and ammunition were seized and who supplied these arms and ammunition to these rebels ?

(e) Whether any documents were seized from the captured hostiles ?

(f) If so, what specific instructions contained in the documents ?

(g) Whether it is a fact that about 1,400 rebels are receiving training inside East Pakistan ?

Shri Mahendra Mohan Choudhury ( Chief Minister ) replied :

85. (a)—Yes.

(b) Thirteen Mizo hostiles were killed and 39 others were captured from different parts of the district during the operation.

(c) – Yes.

(d) Mainly ·303 rifles, Breta guns, Pistols, Revolvers, Sten-guns, Tomyguns, D. B. B. L. and S. B. B. L. guns along with some ammunition were seized from those hostiles. Besides these, a huge quantity of explosives of different types were also recovered from the hostiles' hideouts.

As there was no mark of origin on the body of these arms and ammunition seized, it is difficult to say as to who supplied these to the hostiles.

(e)—No.

(f)—Does not arise.

(g) According to available information about 1,200 to 1,500 M. N. F. hostiles, who took shelter in East Pakistan after the uprising in 1966 are receiving training inside East Pakistan.

Shri Maneswar Boro :—অধ্যক্ষ মহোদয়, এই Sten-guns বিলাক ক'ত পায় জনাবনে ?

Shri Mahendra Mohan Choudhury :—কব নোৱাৰো সেই নম্বৰ বিলাক মচি পেলায়।

Shri Maneswar Boro :—অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰটো দিছে কিন্তু যিবিলাকে পাকিস্তানত Training লৈ আছে সেইবিলাক যোৱাৰ সময়ত খবৰ নাপায় আৰু Training লোৱাৰ সময়ত কেনেকৈ খবৰ পায় ?

Shri Mahendra Mohan Choudhury :—এইটো পিচত খবৰ লোৱা হয়।

Shri Dulal Chandra Barua : অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো যে বৰ্ত্তমান এই ঘটনা সম্পৰ্কত পাকিস্তানৰ পৰা ১২শ বা ১৪শ Rebel পুনৰ মিজো পাহাৰলৈ ঘূৰি অহা খবৰটো চৰকাৰে জানেনে নাজানে ?

Shri Mahendra Mohan Choudhury :—তেনেকুৱা খবৰ অহা নাই।

Shri Phoni Bora :—অধ্যক্ষ মহোদয়, মিজোপাহাৰৰ ঘটনাৰ আজি ৬ বছৰ হলহি। এতিয়া এইটোৰ সমাধানৰ কাৰণে আৰু বৰ্ত্তমান পূব পাকিস্তানত যি পৰিস্থিতি উদ্ভৱ হৈছে সেই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আমাৰ চৰকাৰে আগৰ যিবিলাক Rebel বা বিদ্ৰোহী আছিল, তেওঁবিলাকৰ ওপৰতো বৰ্ত্তমান পৰিৱৰ্ত্তিত অৱস্থাত প্ৰভাৱ বিস্তাৰ কৰি তাত এটা শান্তিপূৰ্ণ পৰিস্থিতি সৃষ্টি কৰিবলৈ ৰাজনৈতিক প্ৰচেষ্টা চলাবৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত পৰামৰ্শ কৰিব বা সেই দৃষ্টিভঙ্গীৰে আমাৰ ফালৰ পৰা অগ্ৰসৰ হবলৈ ৰাজী হবনে ?

Shri Mahendra Mohan Choudhury :— চাৰ, কেন্দ্ৰীয় চৰকাৰৰ লগত মিজোসকলৰ এইবিলাক বিষয়ে আলোচনা কৰা নহয়। আৰু মিজো পাহাৰত যিবিলাক ৰাজনৈতিক দল আছে সেই দল বিলাকৰ ফালৰ পৰা সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে। সকলোৰে ইচ্ছা যে, এই বিষয়টো সোনকালে নিস্পত্তি কৰিব পাৰিলে ভাল। তেওঁলোকে Chinese সকলৰ নেতৃত্বত গৰিলা যুদ্ধৰ বাবে ট্ৰেইনিং লৈছে আৰু আমাৰ ৰাজ্যত সোমাই অশান্তিৰ সৃষ্টি কৰিছে। এইবিলাক ঘটনাৰ পৰিপ্ৰেক্ষিতত সন্তোষজনক সমাধান সোনকালে হোৱাত সম্ভৱ হয়নে নহয় তাত সন্দেহ আছে।

Shri Dulal Chandra Barua :—নগা পাহাৰত তেনে ধৰণৰ অৱস্থাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক ভাৱে সমস্যা সমাধানৰ ক্ষেত্ৰত তেওঁলোকৰ যি বিদ্ৰোহী আছিল, সেই সকলৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু নগালেণ্ড চৰকাৰৰ ফালৰ পৰা আলোচনা কৰিছিল। আমাৰ বৰা ডাঙৰীয়াই যিটো কথা কৈছে যে আজি পূব পাকিস্তানত যি অৱস্থা সেই অৱস্থালৈ লক্ষ্য ৰাখি মিজো পাহাৰৰ বিদ্ৰোহী লোকসকলৰ লগত আলোচনা কৰিলে আমাৰ চৰকাৰৰ ফালৰ পৰা ভুল হব নেকি ?

Shri Mahendra Mohan Choudhury :—নগা পাহাৰৰ এইবিলাক আলোচনা বিশেষকৈ মধ্যস্থতাৰ মাজেদি হৈছে। এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত মোকা মেলা কৰিবৰ কাৰণে চেষ্টা চলাইছে। তেনেকুৱা চেষ্টা চলাইছে বুলি মই নাজানো। যদি চলোৱা হৈছে সেইটো প্ৰশংসনীয় হৈছে।

Shri Phoni Bora :—মন্ত্ৰী মহোদয়ে কৈছে যে এনেকুৱা চেষ্টা চলাইছে বুলি নাজানো। মই এইটো জানিব বিচাৰিছো যে—এই কংগ্ৰেছ দলৰ মিজো পাহাৰত এটা কংগ্ৰেছ সংগঠন আছে। সেই কংগ্ৰেছ দলৰ সংগঠনৰ তৰফৰ পৰা দিল্লীৰ চৰকাৰলৈ Memorendum দাখিল কৰিছে যে তেওঁ লোকে মধ্যস্থতা কৰিবলৈ ৰাজী আছে। বিদ্ৰোহী সকলৰ লগত অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ লগত মধ্যস্থতা কৰি তাৰ ভিতৰত সমালোচনা আলোচনাৰ ভিত্তি ৰচনা কৰিবৰ কাৰণে তেওঁলোকৰ কংগ্ৰেছ সংগঠন আছে। তেওঁলোকে দায়িত্ব লবৰ কাৰণে ৰাজী আছে। দিল্লী চৰকাৰৰ ওচৰত Memorendum দিয়া কথাটো চৰকাৰে জানেনে ?

Shri Mahendra Mohan Choudhury :—স্মাৰক পত্ৰখন মোৰ হাতত নাই। মোৰ মনত আছে মধ্যস্থতা কৰাৰ কথা কোৱা নাই। তেওঁলোকে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাইছে যে এই বিদ্ৰোহীসকলৰ বুজাপৰাৰ কাৰণে আলোচনা কৰিব লাগে।

Shri Phoni Bora :—যদি বিদ্ৰোহী সকলৰ safe conduct ensure কৰিবৰ কাৰণে ভাৰত চৰকাৰ ৰাজী হয়, মিজো Union আৰু Mizo Congress দলে তেওঁলোকৰ লগত যোগাযোগ কৰি আলোচনা কৰিব বুলি কেন্দ্ৰীয় চৰকাৰক কৈছে। আমাকো কৈছে। মুখ্যমন্ত্ৰীয়ে এই খবৰটো জানে।

Shri Mahendra Mohan Choudhury :—এইটো কি হৈছে মই নাজানো। যদি এনে এটা চেষ্টাই চলোৱা হৈছে তেন্তে তাক কৃতকাৰ্য্য কৰিবলৈ আমাৰ ফালৰ পৰা বিবেচনা কৰা হব।

Shri Dulal Chandra Barua :—মুখ্যমন্ত্ৰী মহোদয় কালিলৈ দিল্লীলৈ যাব আৰু প্ৰধান মন্ত্ৰীৰ লগতো এই বিষয়ে আলোচনা হব। এই বিষয়ে বৰা ডাঙৰীয়াৰ অভিজ্ঞতা আছে আৰু মইও মোৰ ফালৰ পৰা কওঁ যে, যদি কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক সুযোগ সুবিধা দিয়ে তেনে আমি নিজেও Voluntarily এই কামত আগবাঢ়িব পাৰিম। এই বিষয়ে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰধান মন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ লগত আলোচনা কৰি আমি সদনত আগবঢ়োৱা পৰামৰ্শৱলী দাঙি ধৰি যেন কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰে।

Shri Mahendra Mohan Choudhury :—আলোচনাৰ পিছত কিবা জনাবলগীয়া থাকিলে মই নিজেই জনাম।

Shri Sailen Medhi :—মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই আকৌ এটা কথা শুধিব বিচাৰিছো যে নগাপাহাৰত যেতিয়া Joy Prakash Narayan আৰু ডাক্তৰ আৰামৰ নেতৃত্বত Peace Mission য়ে নগাপাহাৰৰ বিদ্ৰোহী সবলক চৰকাৰৰ লগত মীমাংসা কৰিবলৈ চেষ্টা কৰিছিল আৰু কৃতকাৰ্য্যও হৈছিল ঠিক সেইদৰে এনে ধৰণৰ Peace Missionও আমাৰ Mizo পাহাৰকো মধ্যস্থতা কৰাৰ কাৰণে চৰকাৰে চিন্তা কৰিবনে?

Shri Mahendra Mohan Choudhury :-সেইবিলাকো আলোচনা কৰিবলৈ চাম।

Shri L. Cinzah :—Our country being a democratic country, when the Mizo people have demonstrated very clearly in the last election that talks between the hostiles and the Government will bring peace to the Mizo Hills, may I know whether the Government of Assam are prepared to initiate the whole thing ?

Shri Mahendra Mohan Choudhury :—It is difficult for the State Government to initiate such negotiations, but we can urge upon the Government of India to see the possibility of opening such negotiations.

Shri L. Cinzah :—May I request the hon. Chief Minister to take up this matter during his ensuing visit to Delhi ?

Shri Mahendra Mohan Choudhury :—I have already stated that this matter will come up in the course of my discussions.

### Re : Tea Garden Labour Community

Shri Dulal Chandra Barua asked :—

*86. Will the Minister-in-charge of Tribal Areas Department be pleased to state—

(a) Whether the Government has taken any decision for bringing the tea garden labour community at par with the Scheduled Castes and Scheduled Tribes in respect of giving special facilities and privileges like reservation of employment, educational facilities. etc. ?

(b) Whether it is a fact that the All-Assam Tea Garden Labour Students' Association has represented to the Government for treating them in the above manner ?

(c) If so whether any action has been taken by Government on their representations ?

(d) If not, why ?

Shri Ranendra Basumatary ( Minister, Welfare of Backward Classes ) replied :

86. (a)—No.

(b)—Yes.

(c) & (b)—No action called for in view of the Scheduled Castes and Scheduled Tribes Orders ( Amendment ) Bill, 1967, which is under consideration of the Parliament.

Shri Dulal Chandra Barua :—May I know whether any recommendation has been made to this effect from the side of the Assam Govt. ?

Shri Mahendra Mohan Choudhury :—From the side of the Government of Assam, we have made it clear that the community character of the persons who have migrated here as tea garden labour may be recognised as what it was in the States from which they have come.

Shri Dulal Chandra Barua :—My whole intention is this : certain facilities have been given to the tea garden labour population here in respect of development measures, but till now they have not been given any representation in employment and they are not having any special treatment in respect of educational facilities. May I, therefore, know whether Government will give the same facilities to the people of this particular community as are given to the scheduled caste and scheduled tribe people ?

Shri Mahendra Mohan Choudhury :—The entire community cannot be treated as scheduled caste or scheduled tribe. What I have said is that their tribal character or scheduled

caste character, if any, which they enjoyed in the States from which they have migrated, will be recognised here and whatever special facilities they used to get there will be, and are being, extended here.

Shrimati Lilly Sengupta :—Scheduled Caste আৰু Scheduled Tribe হিচাবে পৰিগনিত নহয়নে—শিক্ষাৰ ক্ষেত্ৰত এই Tea Garden Labour সকলে সুবিধা নাপাব। এই সংক্ৰান্তত ছাত্ৰসকলৰ পৰা দাবী অহা আমি দেখিছো। গতিকে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে শিক্ষাৰ ক্ষেত্ৰত Special Treatment লবৰ কাৰণে চেষ্টা কৰিবনে ?

Shri Mahendra Mohan Choudhury :—শিক্ষাৰ ক্ষেত্ৰত Most Backward বিলাকে Scheduled Caste ৰ ল'ৰাবিলাকৰ সমানে সুবিধা পাব লাগে পৰামৰ্শ আমি পাইছো কিন্তু চাকৰিৰ ক্ষেত্ৰত আমাৰ Backward Class ৰ কাৰণে কোনো সংৰক্ষণ নাই কাৰণ মজদুৰৰ ল'ৰা-ছোৱালীবিলাকে সংৰক্ষণ পোৱা নাই। কিন্তু এখন Circular ৰ বিষয়ে মাননীয় শ্ৰীমতী লীলি সেনগুপ্তাই কৈছে; District appointment ত হব পাৰে কিন্তু Public Service Commission ৰ জৰিয়তে হোৱা চাকৰিত কোনো সুবিধা দিয়া হোৱা নাই।

Shri Kabir Chandra Raypradhani :—মন্ত্ৰী মহোদয়ে কৈছে Tea Garden Labourer বিলাক অইন প্ৰদেশৰ পৰা Migrate হৈ আহিছে তেওঁলোকক Sheduled Caste ৰ ভিতৰত লব নালাগে নেকি ? চাওঁতাল বিলাকেই Scheduled Caste ৰ ভিতৰত পৰে; মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে বাহিৰৰ পৰা অহা ৰাজবংশী সকলকো এই শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰিনে ?

Shri Mahendra Mohan Choudhury :—এইটো বৰ Hypothetical প্ৰশ্ন, আমাৰ যিখন বিল এই সংসদত ভাঙি ধৰিছে আমাৰ Scheduled Caste ৰ ভিতৰত আমাৰ বাগিচাৰ মজদুৰ বিলাক আছে সেইবিলাকক অন্তৰ্ভুক্ত কৰিবৰ কাৰণে ব্যৱস্থা কৰা হোৱা নাই। সেই বিষয়ত যিমান বিলাক পৰিপূৰক প্ৰশ্ন উঠিছে সেইবিলাক মই মনোযোগেৰে শুনিছো আৰু তাৰ বিহিত ব্যৱস্থা লবলৈ চেষ্টা কৰা হব।

Shri Saneswar Bora : এই কথাটো সঁচা নেকি ? চাহ মজদুৰ বিলাকে সামাজিক বা ৰাজনৈতিকভাবে পিচপৰা এওঁলোকক Scheduled Caste ৰ ভিতৰত অন্তৰ্ভুক্ত কৰিলে এওঁলোকৰ বিৰাট সংখ্যক লোকে চাকৰিত সুবিধা পাব আৰু তেতিয়া এই Scheduled Caste ৰ হৈ থিয় হলে ৰাজনৈতিক আকালত ক'লা দুৰ্ভিক্ষ্যই দেখা দিব আৰু তেওঁলোকৰ M.P., M.L.A. গ্ৰহণ কৰিব লাগিব ।

Shri Mahendra Mohan Choudhury :—এইটো Resume কৰিবৰ কাৰণে ব্যৱস্থা কৰা হব ।

Dr. Bhupen Hazarika :—বহু পৰিপূৰক প্ৰশ্ন উঠিছে, কিন্তু (B)ৰ উত্তৰত yes বুলি কৈছে । Whether it is a fact that the All Assam Tea Garden Labour Students' Association has represented to the Government for treating them in the above manner. এই Tea Garden Labour Students' Association ৰ এখন মিটিং চেপনত হৈছিল। মই শুধিব বিচাৰিছো এই Associationৰ Representative য়ে ছাত্ৰসকলৰ সুখ দুখৰ কথা কৈছিল, এই বিষয়ে কি চিন্তা কৰিছে ?

Shri Mahendra Mohan Choudhury :—The Community as a whole ?

Shri Dulal Chandra Barua :—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে এই প্ৰশ্নটোত তেখেত সকলে Tea garden ৰ Labour সকলক Scheduled Tribes আৰু Scheduled Caste কৰা হোৱা নাই। মই কৈছোঁ যে তেওঁলোকে যিখিনি সুযোগ-সুবিধা পাব লাগে, পিচপৰা অৱস্থাৎলৈ চাই সেইখিনি সুবিধা দিয়া হোৱা নাই এতিয়া আমাৰ কথা হল যে চাকৰি বাকৰি নিয়োগৰ ক্ষেত্ৰত Will the Government pass an executive order giving proper representation to this particular community in respect of employment and other benefits in the different departments and in respect of education as are given to other Scheduled caste and Scheduled tribes ?

Shri Mahendra Mohan Choudhury :—শিক্ষা সম্পৰ্কত যি বিলাক Schedule List দিয়া হৈছে বিশেষকৈ চাকৰিৰ সংক্ৰান্তত আমি এনেকুৱা এটা নিয়ম কৰিব নোৱাৰাৰ কাৰণে সেইটো সংবিধান বিৰোধী হৈছে। সংবিধানত কৈছে Scheduled caste ; Scheduled tribes হে আমাৰ চাকৰিত সংৰক্ষণ থাকিব ; তাৰ বাহিৰে কোনো সম্প্ৰদায়ৰ তেনেকুৱা সংৰক্ষণ নাই, মই আগতেও কৈছোঁ যে যিবিলাক District ত জাতি বা সম্প্ৰদায় আছে তেওঁলোকক বিশেষ বিবেচনা কৰি চাবৰ কাৰণে আমি ইতিমধ্যে circuler দিছোঁ আৰু circuler মতে যাতে কাম হয়, তাৰ বাবে আমি চেষ্টা কৰি আছোঁ।

Dr. Bhupen Hazarika :—মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব পাৰোনে যে এই ক্ষেত্ৰত যিটো সিদ্ধান্ত লব সেইটো ছুয়োটা সন্থাৰ মতামত লৈ সিদ্ধান্ত কৰে কাৰণ চাহ বনুৱাসকলৰ কোনোবাই জনজাতি আৰু অনুসুচিত সম্প্ৰদায়ত সোমাব বিচাৰিছে আৰু কোনোবাই বিচৰা নাই। সেই কাৰণেই বিছুমান পৰস্পৰ বিৰোধী প্ৰতিবাদ উঠিছে।

Shri Mahendra Mohan Choudhury :—এইটো আমাৰ বিলত আছে আৰু সেইবিলাক আমি পাছত আলোচনা কৰিম।

Shri Hiralal Patwary : - মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে মাত্ৰ ছুইলাখ টকাৰে গোটেই Tea Garden ৰ ল'ৰাবিলাকৰ বৃত্তিৰ বাবে আচুতীয়াকৈ ৰখা হয় আৰু তাৰ পৰাই বৃত্তিটো দিয়া হয় নে ? যদি হয় তেন্তে এই টকা বঢ়াই দিয়াৰ ব্যৱস্থা কৰিছেনে যে বিছুমান ল'ৰাক বৃত্তি দিবৰ কাৰণে এই টকাই নুজুৰা হয় ?

Shri Mahendra Mohan Choudhury : -এইটো কথা আমি এতিয়ালৈকে জনা নাই আৰু এইটো তদন্ত কৰিব লাগিব।

Shri L. Chinzah :—Sir, whether Government is aware that this reservation has become practically meaningless for the majority of the Scheduled Castes and Scheduled Tribes, because a particular tribe, which is advanced over other tribes, has been enjoying all the benefits depriving the

others. Majority of them cannot compete with them and as a result all the chances have gone to a particular community.

Shri Mahendra Mohan Choudhury, :—Sir, the reservation is done in respect of Scheduled Tribes, hills and Scheduled Tribes, plains. In the case of Scheduled Tribes, hills the reservation is 12 per cent and in the case of Scheduled Tribes, plains it is 10 per cent. I am subject to correction as I am giving this information off hand. Reservation cannot be made tribe-wise, as it is not possible to do so.

Shri L. Chinzah :—Sir, may I request the Government to examine the issue, because the Scheduled Tribes, hills and Scheduled Tribes plains cover a number of communities and is seen that the 12 per cent reservation for the Scheduled Tribes, hills has gone to a particular tribe and the rest of the hill tribes does not get chances. May I request the Government to give their thought over the matter.

Shri Mahendra Mohan Choudhury, :—I am afraid tribe-wise reservation would not be possible.

**Re : Explosives Seized at Bokakhat**

Shri Maneswar Boro asked :

*87. Will the Chief Minister be pleased to state—

(a) Whether the attention of the Chief Minister has been drawn to the news item published in the *Assam Tribune*, dated 19th June 1970, under the caption "Explosives seized at Bokakhat from truck—four arrested" ?

(b) If so, how far the news is correct ?

(c) The steps taken by the Government this regard ?

Shri Mahendra Mohan Choudhury (Chief Minister) replied :
87. (a)—Yes.

(b)—The news item is substantially correct. Four persons have been arrested including Sri Tiya Ali, Lal Sarder alias Md. Rezak Khan, the driver Sri Raghu Nath Sahani and Sri Debi Prasad Poddar, a Mohrar of J. L. Newlia, a supplier of boulders to E. and D. Department at Kujibali There is no evidence with Government to say If any of the accused persons is a smuggler, or a "Pakistani suspect" or that smuggling of the explosives to Naga rebels were attempted.

(c)—Bokakhat police station case No. 3 (6) 70, under sections 5/6, Explosive Substances Act, has been registered and investigation is in progress.

Shri Maneswar Boro :—ছাৰ News item ত যিটো প্ৰকাশ হৈছে সেইটোত মহম্মদ আলি নামৰ এজন লোকে Explosives বস্তু বিলাক আনি নগাবিলাকক যোগান ধৰি আছে এইটো সঁচানেকি ? আৰু যদি যোগান ধৰিয়েই আছে তেন্তে কৰপৰা এই Explosives বস্তুবোৰ যোগান ধৰি আছে।

Shri Mahendra Mohan Choudhury :—তেওঁলোকে কৰ পৰা আনি কলৈ হস্তান্তৰ কৰিছে সেইটো খবৰ আমি পোৱা নাই।

Shri Atul Chandra Goswami :—যিবিলাকক Arest কৰিলে তেওঁলোকক ইতিমধ্যে জামিনত দিয়া কথাটো সত্যনে ?

Shri Mahendra Mohan Choudhury :—হয় জামিনত দিয়া হৈছে।

Shri A. N. Akram Hussain :—ভবিষ্যতে বা বৰ্ত্তমানেই এই বিস্ফোৰক পদাৰ্থ লোৱা নগাবিলাকৰ বিৰুদ্ধে চৰকাৰে কট্‌কটীয়া ব্যৱস্থা কৰিবনে ?

Shri Mahendra Mohan Choudhury :—কট্‌-কটীয়া ব্যৱস্থা হোৱাৰ কাৰণে ধৰা পৰিছে।

Shri Atul Chandra Goswami :—প্ৰধান অভিযুক্ত Md. Rezak Khan ফেৰাৰৰ কথাটো চৰকাৰে জানেনে।

Shri Mahendra Mohan Choudhury :—দুজন এতিয়াও ফেৰাৰ হৈ আছে। তেওঁলোকৰ নাম হ'ল ৰঘুনাথ চাহানী আৰু ৰামেশ্বৰ মলায়। এই দুজনক গ্ৰেপ্তাৰ কৰিব পৰা নাই।

Shri Kamini Mohan Sarma :—অধ্যক্ষ মহোদয়, অলপ কট, কটীয়া হওঁতেই দুইজন আচামী ফেৰাৰ হ'ল গতিকে আৰু বেছি কট, কটীয়া ব্যৱস্থা হলে কিমানজন আচামী ফেৰাৰ হব ?

( No Reply )

Shri Atul Chandra Goswami :—যিদুইজনক Explosive ৰ কাৰবাৰ কৰা কাৰণে গ্ৰেপ্তাৰ কৰা হৈছে তেওঁলোকক জামিনত দিয়াৰ পিচতে নাইকীয়া হোৱা কথাটো মন্ত্ৰীমহোদয়ে জানেনে ?

Shri Mahendra Mohan Choudhury :—মুঠতে ৬ জন আছিল। আৰু দুইজনৰ বিৰুদ্ধে প্ৰমাণ পোৱা নাই। চাৰিজনৰ বিৰুদ্ধে প্ৰমাণ পোৱা হৈছে আৰু দুইজনক গ্ৰেপ্তাৰ কৰা হৈছে।

Shri Atul Chandra Goswami :—এই ৰেজেক খান জামিনত এৰি দিয়াৰ পিচ দিনাৰ পৰা নাইকীয়া হোৱা কথাটো জানেনে।

Shri Mahendra Mohan Choudhury :—এইটো খবৰ নাই।

Md. Shamsul Huda :—জামিনদাৰ কোন কোন আৰু কিমান টকাৰ জামানাত ?

Shri Mahendra Mohan Choudhury: -জামিনদাব কোন কোন আৰু কিমান টকাৰ, সেইটো মই জনা নাই।

## Re : High Schools under deficit system

Shrimati Pranita Talukdar asked :

*38. Will the Minister-in-charge of Education be pleased to state—

(a) How many High Schools of Assam will be brought under deficit system ?

(b) What steps have been taken by the Government in regard to this ?

Shri Sarat Chandra Goswami ( Minister of State for Education ) replied :

88. (a)—Government has decided not to bring any High School under deficit system during the 4th Five Year Plan.

(b)—Does not arise.

Shri Azizur Rahman Choudhury :—স্কুলসমূহক Deficit grant দিয়াৰ ক্ষেত্ৰত চৰকাৰে কি পদ্ধতি লৈছে ?

Shri Mahendra Mohan Choudhury :—চাৰ, এই সমস্যা সমাধান হব যদিহে এই সংক্ৰান্তত বেছি ধন খৰছ কৰিব পৰা যায় ।

M. Shamsul Huda :—Deficit grant ৰ কাৰণে কিমান ধন এতিয়ালৈকে স্থিৰ কৰিছে আৰু Rate কিমান স্থিৰ কৰিছে ?

Shri Mahendra Mohan Choudhury :—সদ্যহতে ১৫ শ কৰা হৈছে ইয়াৰ পৰিমান তিনিহাজাৰলৈ বঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে ।

Shri Promode Chandra Gogoi :—চতুৰ্থ পাঁচ বছৰীয়া পৰিকল্পনাত কোনো হাইস্কুলকে Deficit grant নিদিব বুলি মন্ত্ৰী ডাঙৰীয়াই উত্তৰত কৈছে । কিন্তু তেখেতে কাছাৰৰ এখন সভাত বক্তৃতা দিওঁতে এই বছৰতে Deficit grant দিয়াৰ কথা কৈছিলনে ?

Shri Mahendra Mohan Choudhury :—Deficit grant দিয়াৰ চেষ্টাহে কৰা হব ।

Shri Azizur Rahman Choudhury :—কোন Source ৰ পৰা টকা পাব ।

Shri Mahendra Mohan Choudhury :—সম্ভৱপৰ সকলো Source ৰ পৰা টকা লোৱাৰ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰা হব ।

Shri Sailen Medhi :—যদি Deficit System ত লোৱা নহয় তেনেহলে কি ভিত্তিত প্ৰতিশ্ৰুতি দিছিল ?

Shri Mahendra Mohan Choudhury: —মই বিবেচনা কৰোঁ যে পিচপৰা অঞ্চল বিলাকৰ স্কুলসমূহক Deficit System ত লব লাগে কিন্তু সেই কামৰ বাবে আমাৰ অধিক ধনৰ সন্মতি হোৱা নাই। ইতিমধ্যে ধনৰ সন্মতি কৰিবলৈ চেষ্টা কৰি থকা হৈছে আৰু অধিক ধন হলে Deficit System ত আনিবলৈ চেষ্টা কৰা হব।

M. Shamsul Huda :—কেৱল কাছাৰৰ স্কুল সমূহ নে গোটেই অসমৰ স্কুলৰ কাৰণে ?

Shri Mahendra Mohan Choudhury :—যিবিলাক অনুন্নত অঞ্চল আছে সেই বিলাকৰ কাৰণে চিন্তা কৰা হব।

Shri Bhubaneswar Barman :—Deficit system ত নলৈ Lump-sum দিয়া হৈছে যে কি ভিত্তিত দিয়া হৈছে আৰু গোৱালপাৰা জিলাত এখন স্কুল হোৱা দুই বছৰৰ ভিতৰত Deficit system ত লোৱা কথা চৰকাৰে জানেনে ?

Shri Mahendra Mohan Choudhury :—গোৱালপাৰা জিলাৰ Deficit System ত স্কুল লোৱা জনা নাই। আমাৰ নীতি অনুসৰি ছাত্ৰ সংখ্যা পৰীক্ষাৰ ফলাফল আদিৰ ওপৰত নিৰ্ভৰ কৰি Grant ৰ পৰিমান নিৰ্দ্ধাৰণ কৰা হয়।

Shri Dulal Chandra Barua :—শিক্ষাৰ সংকোচন নীতি নলৈ শিক্ষাৰ সম্প্ৰসাৰণ নীতি লৈছে আৰু মন্ত্ৰী মহোদয়ে কৈছে যে টকা জোগাৰ হলেহে এই বিষয়ে চিন্তা কৰিম। গতিকে কিছুমান অলাগতিয়াল আঁচনি বাদ দি হলেও এই শিক্ষা সম্প্ৰসাৰণ কৰাত জোৰ দিবলৈ মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব পাৰোঁনে ?

Shri Mahendra Mohan Choudhury :—চাৰ, আমাৰ গোস্বামী কমিটি বহুওৱা হৈছে আৰু সেই কমিটিয়ে প্ৰতিবেদন দাখিল কৰিছে আৰু তাত বহুত পৰামৰ্শও আগবঢ়াইছে। সেই প্ৰতিবেদন অনুযায়ী অনুমোদনৰ কথা আমি বিবেচনা কৰি চাম আৰু তাকে কাৰ্য্যকৰী কৰিবৰ কাৰণে যিমান দূৰ সম্ভৱ সেইমতে বন্দৱস্ত কৰিম আৰু বৰুৱা ডাঙৰীয়াই কোৱা প্ৰশ্নটোও বিবেচনা কৰি চাম।

Shri Kamini Mohan Sarma :—অধ্যক্ষ মহোদয়, অসমত Deficit Grant পাবলগীয়া কিমান স্কুল আছে তাৰ হিচাব চৰকাৰৰ আছে নে নাই ?

Shri Mahendra Mohan Choudhury :—সেই সকলোবিলাকৰে list আমাৰ হাতত আছে আৰু ছাত্ৰ সংখ্যা কিমান, ঘৰ-দুৱাৰ কেনে আৰু পৰীক্ষাৰ ফলাফল আৰু শিক্ষক কিমান আছে ইত্যাদি খবৰ আছে কিন্তু আগবঢ়া ঠাইৰ কাৰণে Deficit Grant ৰ কথা ভৰা নাই। Regionally imbalance Area বিলাকৰ ক্ষেত্ৰত আমাৰ সিদ্ধান্ত অলপ হেৰফেৰ কৰিবলৈও চেষ্টা কৰিম।

**Re : All-Assam Primary Teachers' Association**

Shri Pitsing Konwar asked :

*89. Will the Minister-in-charge of Education be pleased to state—

(a) Whether All-Assam Primary Teachers' Association is a recognised body by Government of Assam ?

(b) Whether an elected Secretary of the Primary Teachers' Association can be removed by way of transfer ?

(c) Whether any teacher elected by the Primary Teachers of Telahi Kendra has been removed by way of transfer ?

Shri Sarat Chandra Goswami ( Minister of State for Education ) replied.

89. (a)—No. The Primary Teachers' Association was recognised by the Primary Education Board in 1951.

(b)—No.

(c)—Yes. But he was not an elected member of the Primary Teachers' Association.

Shri Pitsing konwar :— মন্ত্ৰী মহোদয়ে সঁচা নহয় বুলি কৈছে, তাৰ পিচতো এইজন শিক্ষকে স্কুলত কাম কৰি আছে নেকি ? তেওঁৰ নাম হৰেন্দ্ৰ নাথ ডেকা তেওঁ চাকৰিত আছে নে নাই ?

Shri Mahendra Mohan Choudhory :—তেওঁ চাকৰীত আছে, তেওঁক কেৱল বদলি কৰা হৈছে।

**Shri Dulal Chandra Baura**:—বদলি কিয় কৰা হ'ল ?

**Shri Mahendra Mohan Choudhory** : -এই শিক্ষক জন Primary Teacher's Assocation ৰ selected member নহয়। তেওঁ subdivisional Teachers association, আৰু Primary Teachers association member নহয় তেওঁ Primary teachers gathering centre তেহে আছে।

**Shri Sailen Medhi** — Recognised হোৱা নাই কিয় ? অসম চৰকাৰে এই বোৰ্ডক কিয় recognaised দিয়া নাই ?

**Shri Mahendra Mohan Choudhury**:—টকা পইচাৰ বিতৰণৰ কাৰণে বোৰ্ডৰ চকিদাৰ পিয়ন ইত্যাদিৰ ব্যৱস্থা নাই।

**Shri Hiralal Patowary** :—মন্ত্ৰী মহোদয়ে জনাবনে যে Teachers Gathering Association যি জনে শিক্ষকসকলক দৰ্মহা দিয়ে তেওঁক D. I. nominate কৰে তেওঁক যদি টকা হেৰুৱাই তেন্তে তাৰ কাৰণে দায়ী কোন হব ?

**Shri Mahendra Mohan Choudhury** :—ইয়াৰ কাৰণে বেলেগে প্ৰশ্ন দিলেহে কব পাৰিম।

**Shri Hiralal Patowary** :—এই হৰেণ ডেকাক D. I য়ে dismiss কৰিছে গতিকে এওঁ যিখিনি টকা আত্মসাৎ কৰিলে চৰকাৰে ইয়াৰ ব্যৱস্থা কৰিব ?

**Shri Mahendra Mohan Choudhury** :- যেতিয়া যি ব্যৱস্থা লোৱাৰ প্ৰয়োজন তেতিয়া সেইয়া ব্যৱস্থা লোৱা হব।

**Shri Pitsing Konwar** :—এই হৰেণ ডেকাক চাকৰীৰ পৰা Remove কৰা হৈছেনে নাই ? এও appeal কৰিছে কিন্তু ৩ মাহেও খবৰ পোৱা নাই।

**Shri Mahendra Mohan Choudhury** :—এইটো খবৰ কৰি মই জনাম।

**Shri Bhupen Hazarika** :—চকিদাৰবিলাকে চহী দি পুলিচৰ তত্ত্বাৱধানত টকাখিনি লৈ যায় সেই টকাখিনিৰ কোনো হিচাব পত্ৰ নাই, এইটো সঁচানে ?

**Shri Mahendra Mohan Choudhury** :—খবৰ নকৰাকৈ কোৱা টান

Shri Bhupen Hazarika :—এই বিষয়ে তদন্ত কৰি আমাক জনাবনে ?

Shri Mahendra Mohan Choudhury :—খবৰ কৰি জনাম।

## মিলন এম, ই স্কুল

শ্ৰীশৈলেন মেধীয়ে সুধিছে :

*৯০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) কামৰূপ জিলাৰ গুৱালকুছি শিক্ষা চাৰ্কোলৰ অন্তৰ্গত জাপিয়া গাৱঁৰ মিলন এম, ই স্কুলত যোৱা ১৯৬৭ চনৰ পৰাই হিন্দী অনুদান দিয়াৰ কথাটো সত্য নে ?

(খ) যদি হয়, তেন্তে কোন মাহৰ অনুদান পাইছে ?

(গ) কিন্তু উক্ত স্কুলৰ হিন্দী শিক্ষকজনে ১৯৬৯ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰাহে দৰমহা পোৱা কথাটো সত্য নে ?

(ঘ) যদি সত্য হয়, ১৯৬৭ চনৰ পৰা ১৯৬৯ চনৰ জানুৱাৰী মাহলৈ দিয়া টকাৰ হিচাব চৰকাৰে দিব নে ?

ৰাজ্যিক শিক্ষামন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ গোস্বামীয়ে উত্তৰ দিছে :

৯০। (ক)—কথাটো সত্য নহয়। দৰাচলতে এই স্কুলখনে ১৯৬৫-৬৬ চনৰ পৰাই হিন্দী অনুদান পাই আহিছে।

(খ)—১৯৬৫-৬৬ চনৰ মাৰ্চ মাহৰ পৰাই স্কুলখনে অনুদান পাই আহিছে।

(গ)—এই কথা সত্য নহয়। অনুদান পোৱাৰ বছৰৰ পৰাই উক্ত স্কুলৰ হিন্দী শিক্ষকজনে নিয়মিতভাৱে দৰমহা পাই আছে।

(ঘ)—প্ৰশ্ন নুঠে।

ইয়াৰ পিছত মই খবৰ কৰি পাইছো যে ১৯৬৫ চনৰ পৰা শিক্ষকজনে দৰমহা পাইছে নে নাই সেই হিচাব Managing committee য়ে জনোৱা নাই।

Shri Sailen Medhi :—১৯৬৫ চনতেই এই হিন্দী স্কুলক অনুদান দিয়া হৈছে টকাবিলাকো স্কুলবিলাকে draw কৰিছিল। সেই স্কুলবিলাকৰ-draw কৰা list ৰ Record আছে কিন্তু distribution কৰাৰ হিচাব নাই অনুসন্ধান কৰিলে আটাইবিলাক কথাই ওলাই পৰিব।

Shri Bhubaneswar Barman :— হিন্দী শিক্ষক নিয়োগ কৰাৰ নীতি কি মন্ত্ৰী মহোদয়ে জনাবনে ? টকাটো শিক্ষকৰ নামত দিয়া হয় নে স্কুলৰ নামত দিয়া হয় ?

Shri Mahendra Mohan Choudhury:—স্কুলৰ নামত দিয়া হল, কিন্তু Year marked for Hindi Teachers.

**Re : Venture L, P, Schools in Barpeta Subdivision**

Shrimati Pranita Talukdar asked :

★91. Will the Minister-in charge of Education be pleased to state—

(a) How many Venture L P. Schools are there in Barpeta Subdivision ?

(b) What steps have been taken by the Government to take all the Venture L. P. Schools ?

Shri Sarat Chandra Goswami ( Minister of State, for Education ) replied :

91. (a) – Forty six.

(b)—The deserving venture schools are gradually being taken over as far funds permit.

Shri Mahendra Mohan Choudhury :—কালি যি ঘোষণা কৰা হৈছিল সেই মতে সকলো বিলাক স্কুল লোৱা হব।

Shri Giasuddin Ahmed :—Mr. Speaker, Sir, may I know from the hon' Chief Minister whether educational backwardness of a district will be/taken into consideration while taking over the L. P. Schools as proposed by him yesterday.

Shri Mahendra Mohan Choudhury, ( Chief Minister ) :—All the venture schools numbering 12,00 now will be taken up.

**Shri Bhupen Hazarika** :—মাননীয় মন্ত্ৰী মহোদয়ৰ অনুৰোধ কৰিব পাৰোনে যে Azizur Rhman চাহাবৰ সমষ্টীত থকা সকলো স্কুলৰ প্ৰতি বিশেষ দৃষ্টি দিয়ে।

**Shri Mahendra Mohan Choudhury** অকল Rohman চাহাবৰ সমষ্টীৰ স্কুলেই চোৱা নহয় সকলোসদস্যৰ সমষ্টীৰ স্কুলবিলাক চোৱা হব।

**Shri Bhubanswar Barman** :—মই মাননীয় মূখ্য মন্ত্ৰীৰ পৰা শুনিব বিছাৰিছো যে মই জনাত ৮০ খন স্কুলৰ নাম দি এখন list তৈয়াৰ কৰিছিল কিন্তু এতিয়া ৪৬ খনৰ হিচাবহে দিছে গতিকে uptodate আৰু কিবা list তৈয়াৰ হৈছে যদি জানিব বিচাৰিছো।

Shri Mahendra Mohan Choudhury :—২৩।১।৭১ তাৰিখত এই খবৰ সংগ্ৰহ কৰা হৈছে ইয়াৰ বাহিৰে নতুকৈ যদি কিবা হৈছে, তেনেহাল ১/২ খন স্কুল ৰৈ গলে বিবেচনা কৰি চোৱা হব।

**Shri Dharanidhar Choudhury** :— ৬৪ হব লাগিছিল, কিন্তু ৪৬ হে হৈছে।

Shri Mahendra Mohan Choudhury :—যদি Printing mistake হৈছে তেনেহলে চোৱা হব।

Shri Matilal Nayak :— উপাধ্যক্ষ মহোদয়, ইয়াৰ ভিতৰত এটা কথা আছে list ত ৪৬ খনৰ নাম আহিছে আচলতে ৬৪ খন কিন্তু ঠিক মতে কবলৈ গলে ৮০ খনৰ বেচি হব কাৰণ আগতে বৰপেটাৰ এখন মিটিং বহিছিল, ৫ বছৰ আগতে এচাইয়ে এইবোৰ Report দিছিল। কিন্তু এতিয়াৰ এচাইয়ে কি report দিছে নেজানো কাৰণ তেওঁলোকক ভুবাৰৈকে লগ নধৰিলে একো কামেই নহয়। মুখ্যমন্ত্ৰী মহোদয়ে ৪৬ খন ভেনচাৰ স্কুলৰ উল্লেখ কৰিছে কিন্তু এইটো হলে বিপদত পৰিম। ধৰণীধৰ চৌধুৰীৰ সমষ্ঠিত ১০ খন, মোৰ সমষ্ঠিত এখনকৈ পৰিব গতিকে নতুনকৈ list খন আনি জনাব পাৰিবনে?

Shri Mahendra Mohan Choudhury :— নতুনকৈ list আনিলে বহুত সময় যাব গতিকে ২/১ খন বাদ পৰিলে দিব পৰা হব।

Shri L. Chinzah :— What will be the fate of the venture schools in the autonomous districts?

**Shri Mahendra Mohan Choudhury** :— The responsibility of elementary education in the autonomous districts lies with the District Councils. Most probably the District Council of Mizo District has not taken over the school. Of course, I do not exactly remember the actual position now. In that case surely the venture schools which are deserving in the Mizo District will be taken over by the Government.

**Shri Hiralal Patowary** :— In view of the entire fund for elementary education is provided by the Government may I request of Chief Minister to consider the case of the venture schools of Mizo District ?

**Shri Mahendra Mohan Choudhury** :— If the demand come from the District Council.

## শিক্ষক নিযুক্তি

শ্ৰীশৈলেন মেধীয়ে সুধিছে ঃ

*৯২। মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) গুৱাহাটী মহকুমা প্ৰাথমিক শিক্ষা বোৰ্ডৰ অধীনৰ ১৯৬৭ চনৰ পৰা এতিয়ালৈকে কিমান নতুন শিক্ষক নিযুক্তি কৰা হ'ল ?

(খ) উক্ত নিযুক্তি কৰা শিক্ষকসকলৰ ভিতৰত কিমানজনক স্থায়ীভাৱে নিযুক্তি দিলে, কিমানক অস্থায়ী হিচাবে দিলে ?

(গ) এইসকল নতুন শিক্ষকৰ ভিতৰৰ আগতে শিক্ষা বিভাগৰ পৰা বহিষ্কাৰ কৰা (retrenched) শিক্ষকৰ সংখ্যা কিমান ?

ৰাজ্যিক শিক্ষামন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ গোস্বামীয়ে উত্তৰ দিছে ঃ

৯২ (ক)—৬২৫ জন।

(খ)—১২৫ জন স্থায়ী, ৫০০ জন অস্থায়ী।

(গ)—৯৬ জন।

শ্ৰীশৈলেন মেধী—অধ্যক্ষ মহোদয়, যিবিলাক Retranced শিক্ষক আছিল সেই শিক্ষকবিলাকক চাকৰি দিয়াৰ কাৰণে চৰকাৰৰ পৰা তদন্ত হৈছিল আৰু ১৯৬৮ চনৰ তেওঁলোকক আটাইখিনিকে চাকৰি দিয়া হৈছিল কিন্তু গুৱাহাটীত চেকোণ্ডৰী এলিমেণ্টেৰী বোৰ্ড গঠন হোৱাৰ আগতে যি এড্‌হক কমিটি হৈছিল, তেতিয়া Retrance কৰা শিক্ষকবিলাকক নিয়োগ নকৰি অন্য শিক্ষকক নতুনকৈ চাকৰি দিছিল নেকি ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী (মুখ্যমন্ত্ৰী) :—আমাৰ হাতত থকা খবৰ অনুসৰি গুৱাহাটীত ৯৬ জন retranced শিক্ষক আছিল তাৰে ৬৫ জনক Permanent আৰু ৩১ জনক Temporary দিয়া হৈছিল।

শ্ৰীশৈলেন মেধী—এইটো কথা জনাব নেকি যে এড্‌হক কমিটিয়ে retrance শিক্ষকক নিয়োগ নকৰি নতুন শিক্ষকক নিয়োগ কৰিছে ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—সেইটো মই জনা নাই।

শ্ৰীমহিধৰ পেগু—গুৱাহাটীত প্ৰাথমিক শিক্ষাৰ নতুন পথ গঠনৰ পাচত যিবিলাক শিক্ষকক নিযুক্ত দিয়া হৈছিল, এই নিযুক্তসকল আগতে বহিষ্কাৰ হোৱা নে, শিক্ষাৰ ওপৰত মানদণ্ড কৰি নিযুক্তি দিয়া হৈছিল ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—যিবিলাক অৱসাৰপ্ৰাপ্ত লোকৰ ল'ৰাক চাকৰিত নিযুক্তি দিব লাগে, সেই বিলাকক অগ্ৰাধিকাৰ দিয়া হোৱা নাছিল।

শ্ৰীহুলাল চন্দ্ৰ বৰুৱা—যিবিলাক retrance শিক্ষকক চাকৰি দিব লাগিছিল, কেৱল গুৱাহাটীত নহয় গোটেই অসমতে সিবিলাক শিক্ষক নিযুক্তি কৰা হৈছে। সেই সকলক বঞ্চিত কৰি নতুন শিক্ষকক নিযুক্ত কৰা হৈছে সেইটো জানেনে ? যদি হয় তেনেহলে বিহিত ব্যৱস্থা কৰা হবনে ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—এইটো হৈছে বুলি অনুমান কৰিছো ১২৫ জন ১২৫ টা post ত নিযুক্ত কৰিছে কিন্তু Retrence কৰা শিক্ষক ৬৫ জনা গতিকে অনুপাত অনুসৰি দিয়া হোৱা নাই। গতিকে মই তদন্ত কৰি চাম।

Re : **Magani Namsaraibari Road**

Shri BISHNULAL UPADHYAYA asked :

5. Will the Minister, P.W.D. (R. & B) be pleased to state—

(a) Whether it is a fact that Magani Namsaraibari road under Charali Division was taken over by Government in Second Plan period ?

(b) What is the actual length of this road ?

(d) The portion so far made motorable and portion left out ?

(d) The reasons for delay in completing the work so long ?

(e) What was the original estimate of this work ?

(f) Whether any revised estimates have been proposed at present and if so, what is the amount and whether such estimate has been accepted by Government and fund provided for the work ?

(h) If not why ?

Shri ALTAF HOSSAIN MAZUMDER [Minister, P.W.D. (R. & B.)] replied.

5. (a)—There is no such road as referred to in the question. It is presumed that the hon. Member means the other Road namely "Magani-Pakin Mirigaon Road" in place of Magani-Nam Soraibari road which was taken over by Government.

(b) –The whole length of the road mentioned at (a) above is 9·64 Km.

(c)—2·40 Km. is motorable and 7·24 is now a fair weather road.

(d)—This road could not be completed as yet with the amount available and the estimate has to be therefore revised.

(e)—The original estimate of this 7·24 Km. work was Rs. 1,48,000;

(f)—Yes, revised estimate has been proposed and received from the Executive Engineer amounting to Rs. 3,95,000 but the same estimate has been returned to Executive Engineer for resubmission as it contained some defects.

(h) In view of (f) above does not arise.

Shri Bishnulal Upadhyaya —In view of the reply to question (f) may I know from the Minister when the original estimate was prepared by the Executive Engineer and whether the same has been received by Government ?

Shri Durgeswar Saikia—Revice pay ১৯৭০ চনত Submit কৰা হৈছে।

Shri Bishnulal Upadhyaya—কিমান টকা ?

Shri Durgeswar Saikia—৩ লাখ ৯৫ হাজাৰ।

**Re : Taking over of High Schools under deficit System**

Shri MANESWAR BORO asked :

6. Will the Minister, Education be pleased to state—

(a) What number of High Schools will be taken over under deficit system of grants by the Government of Assam during the Fourth Five Year Plan (to be shown subdivision wise ) ?

(b) What amount will be necessary for giving under deficit system of grants to the Schools during the Fourth Five Year Plan ?

Shri SARAT CHANDRA GOSWAMI (Minister of State for Education) replied :

6. (a)—There is no proposal to bring any more new Schools under deficit system during the Fourth Five Year Plan.

(b)—Does not arise.

Shri Sailen Medhi—৬ নং প্ৰশ্নৰ উত্তৰত মই মাত্ৰ এটা প্ৰশ্ন কৰিব খুজিছো। Deficit system ৰ কথা বিবেচনা কৰাৰ কথা মন্ত্ৰী মহোদয়ে কৈছে। অৱস্থা থকা ফুলক Mere deficit system ত সোমোৱাৰ কথা ভাবিছে নেকি? আৰু এই বছৰৰ পৰাই এইটো কৰিব নেকি?

Shri Mahendra Mohan Choudhury—কৰিবৰ কাৰণে চেষ্টা এটা বিশেষভাৱে কৰা হৈছে।

## Re: Geramari and Alamaganj High Schools

Rani MANJULA DEVI asked:

7. Will the Minister, Education be pleased to state—

(a) Whether there is any prescribed distance from one school to another for receiving grants in rural areas?

(b) Whether the Government Aided High Schools of Geramari and Almaganj receiving Government grants (Dhubri Subdivision)?

(c) The distance between the two High Schools?

Shri SARAT CHANDRA GOSWAMI (Minister of State for Education) replied:

7. (a)—No.

(b)—The amalgamated Alamganj Geramari High School is getting Government grant. The two schools are not separatela getting Government grant.

(c)—The distance between the two schools was 1 mile and $1\frac{1}{2}$ furlongs. The amalgamated schools now located about midway between the two at Sulihana. It is reported that old Alamganj High School is partially continuing at the old site.

## Re : Hunger strike by the workers of the Assam State Electricity Board

Shri Govinda Kalita — অধ্যক্ষ মহোদয়, কাৰ্য্য পৰিচালনা বিধিৰ ৩০১ ধাৰা মতে মই এটা অতি গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো। যোৱা কালিৰ পৰা অসম ৰাজ্যিক বিদ্যুৎ বৰ্ডৰ কৰ্মীসকলে গুৱাহাটী বিদ্যুৎ চাৰ্কোলৰ চুপাৰিনটেনদিং ইঞ্জিনীয়াৰৰ অফিচৰ সমুখত অনশন ধৰ্মঘট কৰিছে। তেওঁলোকৰ দাবীসমূহ পূৰণ হলনে নাই মই জানিব খোজো। তেওঁলোকে এখন টেলিগ্ৰাম দিছে মই পঢ়ি দিছো। 140 members of Assam State Electricity Board recognised Union launched hunger strike in Assam State Electricity Board compound Ulubari for non-fulfilment of the following demands-implementation of wage Board recommendation 15 per cent house rent one month's salary as bonus recruitment of departmental candidates in accounts regularisation promotion and confirmation of employees drinking water at Kahilipara exemption from ESI scheme Union representation in Board and other demands —R. K. Barthakur Union Secretary Assam State Electricity Board.

Shri Biswadev Sarma {Minister, Power (Electricity)}—সেই সম্পৰ্কে কোনো নটিচ পোৱা নাই। কালিলৈহে কব পাৰিম।

Shri Dulal Chandra Barua — তেওঁলোকৰ লগত যোৱা জুন মাহতে agreement হৈছিল। সেই agreement fulfil কৰিলেনে নাই জানিব খোজো।

Shri Biswadev Sarma — প্ৰশ্ন সুধিলে নিশ্চয় জনাম।

Mr. Speaker — The Minister has said that he will reply tomorrow. Under Rule 301 the difficulty is that a date shall be fixed. Therefore I follow the usual procedure to allow matters of very urgent public importance.

Generally, after the notices are received these are sent to the Ministers concerned so that they can come prepared for reply. This was not done to-day. Therefore I allow the notice to be moved now. For other matters coming under Rule 301 also, I will have to fix a date for discussion. Notices will have to be sent to the Ministers concerned so that they may be ready for reply immediately the notice is brought before the House.

Shri Phani Bora — Sir, wheather the Government is aware or the Minister in charge of Industries is aware of the fact that these Electricity Board employees have resorted to hunger strike and whether there was a representation made to the Government in this regard ?

Shri Biswadev Sarma — No, Sir, no representation I have received so far from the employees concerned.

Shri Dulal Chandra Barua — Sir, this is a matter extraordinary in nature. Hunger strike took place yesterday, it is continuing. May I request the hon. Minister for Power and Industries through you to enquire into the matter and apprise the House of the situation in the afternoon ?

Shri Biswadev Sarma — Sir, it will not be possible today. I shall be able to give the details tomorrow.

Shri Sailen Medhi — Sir, 140/150 employees of the Assam State Electricity Board are launching hunger strike and unless the Government comes forward and intervenes in the matter then it may pose a serious problem to the working of the Board. Only statement in the House will

not do. How far the Government can intervene in the matter and take necessary steps immediately today is the problem.

Shri Biswadev Sarma — Sir, I do not know the exact situation there. It is the first time that I have come to know.

## Re : Grants to Theatrical Parties

Shri Lakshyadhar Choudhury :— অধ্যক্ষ মহোদয়, কাৰ্য্য বিধিৰ ৩০১ ধাৰা মতে মুখ্যমন্ত্ৰী তথা শিক্ষামন্ত্ৰীৰ এটা কথাত দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে যোৱা বছৰ সাহায্য মঞ্জুৰী দিবৰ বাবে অসম চৰকাৰে ব্যৱসায়ী ভিত্তিত প্ৰতিস্থা হোৱা নাট্য সমাজবিলাকৰ পৰা আবেদন পত্ৰ বিচাৰিছিল আৰু সেই আবেদন পত্ৰ পোৱা স্বত্বেও যোৱা বছৰ ৭৫ হেজাৰ টকা lapse হৈ যায়। এই কথা যোৱা বছৰ ৩১ মাৰ্চৰ দিনা নিশা মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰীক কোৱা হৈছিল। এইবাৰো সেই দুৰ্ঘটনা আকৌ হ'ল বুলি ভু পোৱা হৈছে। এইবাৰ ভ্ৰাম্যমান নাট্য সমাজ, যেনে—নটৰাজ আৰু ৰূপাঞ্জলীকহে সাহায্য দিয়া হৈছে আৰু বাকী টকা lapse হ'ল বুলি বাতৰি পোৱা হৈছে।

Shri Mahendra Mohan Choudhury (Chief Minister)—অধ্যক্ষ মহোদয়, মই জানো যে সেইবিলাক lapse হোৱা নাই। ৪টা ভ্ৰাম্যমান নাট্য সমাজক সাহায্য দিয়া হৈছে। তাৰোপৰি কিছুমান গাঁৱলীয়া যাত্ৰা পাৰ্টিকো সাহায্য দিয়া হৈছে। এতিয়াও কিছু টকা বিলাবলৈ বাকী আছে, টকা lapse হোৱা নাই।

Shri Lakshyadhar Choudhury — এইটো এটা প্ৰতিশ্ৰুতি বুলি ধৰিব পাৰেনে ?

Shri Mahendra Mohan Choudhury — হয়, বাকীবিলাকেও পাব। এতিয়া নটৰাজ, পূৰ্বজ্যোতি, সুৰদেৱী আৰু ৰূপাঞ্জলীক দহ হেজাৰকৈ দিয়া হৈছে।

Shri Bhubaneswar Barman — এই বিষয়ে কালি ৰাতি নটা বজালৈকে

মই খবৰ কৰিছিলো। কিন্তু এতিয়া জানিব পাৰিছো যে মাত্ৰ দুটা party কহে দিছে অথচ ৭-৮ টাৰ নাম আহিছে।

Shri DulalChandra Barua— মোৰ খবৰ মতে finance এ মাত্ৰ এই দুটাৰ কাৰণেহে sanction কৰিছে। কিন্তু মুখ্যমন্ত্ৰীয়ে কৈছে যে টকা বিলাক lapse হোৱা নাই ; জমা আছে। finance এ sanction নকৰিলে কেনেকৈ টকা জমা থাকিব পাৰে ?

Shri Mahendra Mohan Choudhury — যিবিলাকৰ sanction finance এ নামঞ্জুৰ কৰিছে সেইবিলাকৰ খবৰ দিছে। কিন্তু এইবিলাকৰ কোনো খবৰ দিয়া নাই। সেইবাবেই finance এ দিয়া নাই বুলি ধৰিলোৱা নাই। সেইটো খবৰ কৰিম।

Shri Soneswar Bora — অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিল।

Mr. Speaker — আপোনাৰটো কাইলৈ হব।

Dr. Bhupen Hazarika — অধ্যক্ষ মহোদয়, শ্ৰদ্ধেয় বিষ্ণু ৰাভাদেৱে কৈ কৈ মৰি গ'ল যে আমাৰ চৰকাৰে ভ্ৰাম্যমান নাট্য সমাজবিলাকক উপযুক্ত সাহায্য দিব লাগে যাতে তেওঁলোক আত্মনিৰ্ভৰশীল হব পাৰে। কিন্তু দুখৰ কথা যোৱা বছৰ ৭৫ হেজাৰ টকা lapse হৈ গ'ল। এইবাৰ সৰু সৰু বিলাকটো সাহায্য দিছে বুলি কৈছে। সেইবিলাককো এহেজাৰ দুহেজাৰ দিব ; কিন্তু যিবিলাক ডাঙৰ পাৰ্টি যেনে - নটৰাজ, সুৰদেৱী আদি সেইবিলাকক অন্ততঃ এখন লৰী কিনিব পৰাকৈ সাহায্য দিব লাগে যাতে আত্মনিৰ্ভৰশীল হয়। মোৰ বোধেৰে যিবিলাকে family planning ৰ থিয়েটাৰ কৰে সেইবোৰকহে ১০ হেজাৰকৈ টকা দিছে।

Shri Mahendra Mohan Choudhury — এইটো family planning ৰ গ্ৰাণ্ট নহয়। তাৰ কাৰণে বেলেগে আছেনে নাই কব নোৱাৰো। এতিয়া কথা হৈছে বেচি গ্ৰাণ্ট দিবলৈ হলে ২।৩টা অনুস্থানৰ মাজতে আবদ্ধ থাকিব লাগিব। যিবিলাকক দিয়া হৈছে সেইবিলাক হৈছে ব্যৱসায়িক অনুষ্ঠান। সেইবিলাক অনুষ্ঠানে যাতে উন্নতি কৰিব পাৰে তাৰ উৎসাহৰ কাৰণেই বেচি টকা দিয়া হৈছে।

## Re : No confidence on the Vice Chancellor of the Agriculture University

**Shri Soneswar Bora** — অধ্যক্ষ মহোদয়, বিধান সভাৰ কাৰ্য্য পৰিচালন বিধিৰ ৩০১ ধাৰা অনুযায়ী মই সদনৰ মূলতে নিম্নউল্লেখিত নিয়মটো সদনত দৃষ্টি আকৰ্ষণ কৰিলো। যোৱা ৩১ মাৰ্চ তাৰিখে জনমভূমি কাকতত আচাৰ্য্যই অনুমোদন জনোৱা নাই" এই শীৰ্ষক বাতৰিত প্ৰকাশ যে—কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ এচ. আৰ. বৰুৱাৰ ওপৰত বিশ্ববিদ্যালয়ৰ পৰিচালনা বৰ্ডে ২১ মাৰ্চৰ সভাত অনা অনাস্থা প্ৰস্তাৱটো এতিয়াও বিশ্ববিদ্যালয়ৰ আচাৰ্য্য শ্ৰীবি. কে নেহেৰুৱে অনুমোদন জনোৱা নাই।

উল্লেখযোগ্য যে ২১ মাৰ্চৰ বিশ্ববিদ্যালয়ৰ পৰিচালনা বৰ্ডৰ লগত ২৩টা অভিযোগ আনি উপাচাৰ্য্য গৰাকীৰ ওপৰত অনাস্থা দিয়া হৈছিল আৰু ২১ মাৰ্চৰ পৰা চিনিয়ৰ ডীন ডঃ আৰ. এন. হাজৰিকাক উপাচাৰ্য্যৰ দায়িত্ব বহন কৰিবলৈ কোৱা হৈছিল।

বৰ্ডৰ সিদ্ধান্তত স্থানীয় সকলো নিৰপেক্ষ ৰাইজেই তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। ৰাইজৰ মতে বৰ্ড নিজৰ ক্ষমতা চেৰাই গৈছে আৰু উপাচাৰ্য্যৰ বিৰুদ্ধে উৎথাপিত অভিযোগৰ সত্যাসত্য ভালদৰে পৰীক্ষা নকৰাকৈয়ে এক তৰফীয়াভাৱে সিদ্ধান্ত লোৱাটো যুক্তিসংগত নহয়। তদুপৰি আচাৰ্য্যাই বৰ্ডৰ সিদ্ধান্ত অনুমোদন নজনোৱাকৈ '২১ মাৰ্চৰ পৰা ডঃ বৰুৱাই উপাচাৰ্য্য হিচাপে কাম কৰিব নোৱাৰে আৰু সেই তাৰিখৰ পৰা যেওঁ উপাচাৰ্য্য হিচাপে চহী কৰিলে তাক বৈধ বুলি গ্ৰহণ কৰা নহয় বুলি বৰ্ডে লোৱা সিদ্ধান্তই বৰ্ডৰ অযুক্তিকৰ মনোভাবৰ কথাকে প্ৰকাশ কৰিছে।"

এই বাতৰিয়ে আমাৰ জনসাধাৰণৰ মনত গভীৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। গতিকে এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। গতিকেই মন্ত্ৰী মহোদয়ৰ পৰা যথাযথভাৱে উত্তৰ পাবলৈ সদনৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**Shri Ataur Rahman (Minister, Agriculture)** — এই বিষয়ত বিশ্ববিদ্যালয়ৰ মেনেজিমেণ্টে কিছুমান প্ৰস্তাৱ লোৱাটো সঁচা। এই প্ৰস্তাৱবিলাক লৈ মেম্বাৰসকলৰে এটা সজাতি দলে চেন্সেলাৰক দাখিল কৰিছে। সম্প্ৰতি এইবিলাক চেন্সেলাৰৰ বিবেচনাধীন হৈ আছে।

## Report of the Business Advisory Committee

Mr. Speaker — I called a meeting of the Business Advisory Committee yesterday in my Chamber at 12-30 P. M. to consider the allotment of time for General Discussion on Budget necessitated by the taking up of other business on some of days earlier allotted for General Discussion on the Budget. It was decided that—

i) 5th, 7th and 8th April originally allotted for Voting on Demands will now be made available for General Discussion on the Budget ;

ii) 3rd and 5th May originally allotted for introduction and consideration of Government Bills will now be made available for Voting on Demands ;

iii) 6th May originally allotted for Private Members' Business will also be made available for Voting on Demands ;

vi) The House shall be extended, as decided in the previous meeting of the Business Advisory Committee till 24th May which will be reserved for taking up unfinished Government business ; and

v) 22nd May which was originally fixed for any other unfinished Government business will now be made available for consideration and passing of Government Bills.

A copy of the 2nd Revised Calender will be circulated in due course.

I hope this has the approval of the House.

(Voices ; — Yes, yes)

## Re : Taking over of Tea Garden Schools

Shri Hiralal Patowary —Mr. Speaker, Sir, with your permission, I would like to draw the attention of the Chief Minister to one important matter. Sir, yesterday, I have expressed my thanks to the Chief Minister for fulfilling my demand. My demand was that Government should frame rules under Plantation Labour Act of 1951. But to my surprise I found from the Assam Tribune that hon. Finance Minister is reported to have said that only schools of Cachar and Sibsagar Districts have been taken over and other schools are in the process of being taken over. Sir, the reply is indefinite. If this was the fact, I would not have broken my fast yesterday. I have broken my fast on the understanding that Government would take over 1200 Schools out of which 500 will be taken over during the financial year 1970-71 and the remaining 700 during 1971-72 and Government have agreed to frame rules. If the Government have no finance to take over these tea garden schools, only they can come forward with the rules. If that decision of the Government is not going to be materialised, the good-will which has been expressed by the Chief Minister will be of no avail.

Shri Mahendra Mohan Choudhury (Chiet Minister) —মোৰ বিবৃত্তিত মই কৈছিলো৷ যে ইতিমধ্যে কাচাৰ আৰু শিৱসাগৰ জিলাত যিবিলাক চাহ বাগানৰ স্কুল আছে সেইবিলাক লোৱা হৈছে। এতিয়া লক্ষীমপুৰ জিলা আৰু তাৰ বাহিৰেও যিবিলাক চাহ বাগানৰ স্কুল আছে সেইবিলাকো লোৱাৰ সিদ্ধান্ত কৰা হৈছে। কিন্তু ইয়াৰ কাৰণে fund

লাগিব। মই আৰু কৈছিলো যে চাহ বাগানৰ স্কুলবিলাকক কিছুমান সাহায্য চাহ বাগানৰ মালিকসকলে দিব লাগে! কিন্তু এই ক্ষেত্ৰত তেখেতসকলে সেই সাহায্য দিয়াৰ পৰা পাৰিলে এৰাবৰ কাৰণে চেষ্টা কৰিছে। তেখেত সকলে কৈছে যে Building Equipment, furniture আদি কেৱল মজদুৰৰ ল'ৰা-ছোৱালীবিলাকৰ কাৰণেহে দিব পাৰিব। কিন্তু এই চাহ বাগানৰ স্কুলবিলাকত বাহিৰৰ পৰা আহিও ল'ৰা-ছোৱালীয়ে পঢ়েহি। আৰু সেই বিলাকৰ কাৰণে তেওঁলাকে দিব নোৱাৰে বাহিৰৰ পৰা আহি ল'ৰা ছোৱালী বাগানৰ স্কুলত পঢ়াৰ কাৰণে চাহ বাগিচাৰ স্কুলৰ Character টো হ্ৰাস পাইছে। পুৰণা স্কুলবিলাক বাগানৰ বাহিৰত পতাৰ কথা কৈছে। বাহিৰৰ পৰা আহি বাগানৰ ভিতৰৰ স্কুলত পঢ়াৰ ফলত সেই স্কুলবিলাকৰ Disciplene নাথাকিব পাৰে। সেই কাৰণে Labour minister, INTUC ৰ লগত আলোচনা কৰা হৈছিল। আৰু আইনমতে যাতে কম হয় তাৰ চেষ্টা কৰা হৈছে এই অসুবিধা বিলাক থকা স্বত্বেও। শ্ৰীযুত পাটোৱাৰী ডাঙৰীয়াই যি কথা কৈছে তাত অলপ বাধা আহিছে। কিন্তু সেই বাধা এমাহৰ ভিতৰতে আতৰাবলৈ চেষ্টা কৰা হৈছে।

**Shri A. N. Akram Hussain** :—যোৱা কালি অসম বিধান সভাত ৩০১ নিয়ম .... ... ... ...

**Mr. Speaker** :—কালিলৈ দিয়া হৈছে।

**Mr. Speaker** : I called a meeting of the Whips of the different Groups yesterday (31.3.71) in my Chamber to discuss about the allotment of time available for the General Discussion on the Budget. Altogether 15 hours 30 minutes will be available for discussion after keeping some time reserved for miscellaneous business that may come up before the House. of this 15 hours 30 minutes, 8 hours will be divided amongst the three Opposition Groups as follows :—

| | Time allotted | con-sumed | Balance |
|---|---|---|---|
| United Legislature Party | 3 hs | 40 m. | 2.20 hrs |
| Progress Democratic Left Front. | 3 hs | 59 m. | 2.01 hrs |
| Democratic socialist Party. | 7 hs | 20 m. | 1.40 hrs |
| Congress | 1- | 1.30 hrs | 5.30 hrs |

Time not exceeding half an hour will be given to other non attached Members of the opposition.

Seven hours will be kept for the Congress Party of which two and half hours from 2 P. M. to 4.30 P. M. on 8th April, 1971 will be reserved exclusively for reply by the Finance Minister and other Ministers who might like to intervene in the debate.

Shri Promode Chandra Gogoi :— অধ্যক্ষ মহাশয়, কালি আমি সময় ভাগ কৰোতে অন্যান্য আলোচনাৰ কাৰণে ৬ ঘণ্টা সময় আপোনাৰ হাতত দিয়া হৈছিল। গতিকে সুযোগ বুজি সেই মতে ভাগ কৰি দিব।

Mr. Speaker : – I also requested the hon. Whips to indicate the time which will be allotted for each member so that one may not encroach over the other. But I have found that no time indication is give here. If this is not done then it will be difficult for me to control the speeches.

Shri Kamini Mohan Sarma :—অধ্যক্ষ মহোদয়, মই জানিব বিছাৰিছো একোজন সদস্যই বাজেটত কবৰ কাৰণে কিমান মিনিট সময় পাব। আমি সদায়ে বঞ্চিত হৈ থাকো। ৰাজ্যপালৰ ভাষণৰ ওপৰত ৬ মিনিট কব দিম বুলি ৩ মিনিটতে বেল মাৰিলে। এতিয়াও আগতীয়াকৈ জানিলে প্ৰস্তুত হৈ থাকিম।

Mr. Speaker :— সকলো দলকে সময় কৈ দিয়া হৈছে আৰু লিষ্টত দিয়া হৈছে। প্ৰত্যেক সভ্যই কিমান কৰ পাৰে দলপতিয়ে লিখি দিলে ভাল হয়। বাজেটৰ ওপৰত ১০ মিনিটকৈ কব দিয়া হৈছে।

## General Discussion on the Budegt

Shri Mahidhar Pegu :- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই অহা ১৯৭০-৭১ চনৰ বিত্তীয়টো বছৰৰ কাৰণে সদনত যি বাজেট ভাষণ দাঙি ধৰিছে তাত দেখা যায় কেইটিমান বিষয়ত সম্প্ৰসাৰিত যে হৈছে তাত সন্দেহ নাই। কিন্তু এই বাৰৰ বাজেট ভাষণত পূৰ্ব্বৰ পৰম্পৰাতকৈও অধিক হুতাশ কৰিব পৰা বহুত কথা দেখিবলৈ পাইছো। বাজেটৰ গোটেই কেইটা শিতানত আলোচনা কৰিবলৈ সময় সাপেক্ষ নোহোৱাৰ কাৰণে মাত্ৰ কেইটামান বিষয়ৰ ওপৰত আলোচনা দাঙি ধৰিব খুজিছো। বিত্তমন্ত্ৰী মহোদয়ৰ বাজেট ভাষণৰ ৫ম পৃষ্ঠাত বানপানীত ক্ষতিগ্ৰস্ত হোৱা মুঠ মাটিৰ পৰিমান আছিল ২১, ২৭,৩৫০ একৰ আৰু জনসংখ্যাৰ পৰিমান আছিল ২১, ৩৫, ৬৫৮ জন বাণপানীত ৩৮ জন লোকেও প্ৰাণ হেৰুৱায়। ইয়াত দেখা যায় প্ৰত্যেকে একৰ মাটিহে হেৰুৱাইছে চৰকাৰৰ খবৰ মতে। বিত্তমন্ত্ৰীয়ে একাধিকবাৰ এই সদনত উল্লেখ কৰিছে যে কৃষিৰ ওপৰত বিশেষ নজৰ দিয়া হৈছে। তেখেতৰ ভাষণৰ সপ্তম পৃষ্ঠাত দেখা-যায় বানীপানৰ ফলত ১৯৬৯-৭০ চনত ৰাজ্যখনৰ খাদ্য শস্যৰ উৎপাদন ১৯৬৮-৬৯ চনৰ ২০.৭৬ লাখ টনৰ পৰা ১৮.৪ লাখ টনলৈ হ্ৰাস পায়।

এই হ'ল কৃষিৰ নমুণা। তদুপৰি মৰাপাটৰ উৎপাদন ১৯৬৯-৭০ চনৰ ১০.৮২ লাখ গাঁথৰ ঠাইত অৱশ্যে ৯.৩৭ লাখ গাঁথলৈ হ্ৰাস পায়। তাৰ পিচত কৃষিৰ বিশেষ সহায়ক ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ আজি ৮ মাহ সময় পাৰ হৈ গ'ল। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ আয়োগ বুলি এটা ৩ ঠেঙীয়া উকমুকৰ জন্ম হৈছে মাত্ৰ। এই শব্দটোৰ অৰ্থ হ'ল চিনাক্তকৰণ কৰাৰ উপায় নাই। এই ঠেং তিনিখন হ'ল উপদেষ্টা মণ্ডল, ব্ৰহ্মপুত্ৰ আয়োগ। ইয়াৰদ্বাৰা কিবা কাম হৈছে বুলি নাভাবো। আনহাতে তেখেতৰ ভাষণৰ নবম পৃষ্ঠাত গছ-গছনি নোহোৱা এলেকা সমূহৰ গছ-গছনি ৰোৱাৰ বাবে আন এটা ৰননীকৰণ সংমণ্ডল মুকলি কৰাৰ উপৰিও বণ্যপ্ৰাণীৰ অভয়াৰণ্য সমূহ ভালকৈ পৰিচালনা কৰাৰ অৰ্থে ১৯৬৯-৭০ চনত এটা নতুন বন্যপ্ৰাণী সংমণ্ডল মুকলি কৰা হৈছে তাত আমাৰ Tourist Lodge ও আছে। আমেৰিকাৰ পৰা তুহাল নব দম্পতিয়ে আমাৰ লগত Transport ত যাওতে

ভাগ্যে আমি কাজিৰঙাত নমাই দিলো। নহলে তাত Tourist Lodge আছে বুলি কবই নোৱাৰি। তাতএটা Chowkidar নাই, কুলিমালি নাই, কোনো জিৰনী ঘৰ নাই—এয়ে হ'ল পৃথিৱী বিখ্যাত অভয়াৰণ্যৰ Touirst Lodge আকৌ নৱম পৃষ্ঠাত পশুপালন আৰু পশু চিকিৎসাৰ কথা ডাঙি ধৰিছে। পশু পালনৰ পৰা সৰ্ব্ব সাধাৰণ ৰাইজে কি সুবিধা পাইছে তাক বহলাই কব্ব খোজা নাই। মোৰ সমষ্টি মাজুলিত হেন্দোলনি বেমাৰত গৰু-ম'হ মৰিয়ে আছে। এইটোনো কি বেমাৰ আজিলৈকে গবেষণা কৰি ঠিকেই কৰিব পৰা নাই। বাজেট ভাষণতো কোৱা হৈছে ৪ৰ্থ ৫ বছৰীয়া পৰিকল্পনাত মাছৰ উৎপাদন শতকৰা ৫০ ভাগ বৃদ্ধি পাব বুলি আশা কৰা হৈছে যদিও এইটো কেনেকৈ হব পাৰে বুজি নেপাওঁ। সৰু সৰু পুখুৰীৰ পৰা আৰম্ভ কৰি ডাঙৰ ডাঙৰ মীন মহললৈকে পুতিমৰা মোৱা মাছৰ $\frac{১}{১০}$ অংশ মান হব, দৰিকণা আদি এই বিলাক মাছহে আছে। মাছবিলাক এনেকৈ ধ্বংস কৰা হৈছে আনকি উজানৰ সময়ত কণীলগা মাছবোৰো এনেকৈ ধ্বংস কৰা হৈছে যে ৪ৰ্থ পৰিকল্পনাৰ শেষ ভাগত মাছৰ উৎপাদন শতকৰা ৫০ ভাগ বেছি হবনে কম হব কোৱা টান।

শিক্ষাৰ বিষয়ত মই কওঁ যে, যি সাধাৰণ শিক্ষা জাতীয় জীৱনৰ মেৰুদণ্ড সেই প্ৰাথমিক শিক্ষাৰ সকলোপিনে মন কৰিলে দেখিবলৈ পাও যে যিমান সংখ্যক স্কুল আছে তাৰ কোনো খনৰ বা বেৰ চালেই নাই, কোনো খনৰ বা আহিলা পাতিয়েই একো নাই। নামমাত্ৰ বুনিয়াদী শিক্ষাৰ প্ৰচাৰ হৈছে যদিও শিক্ষা দিবলৈ অতীৱ প্ৰয়োজনীয় সাঁ-সজুলিখিনিৰো অভাৱ। তত্তুপৰি ৩/৪ জন শিক্ষকে পঢ়াব লগা এখন স্কুলত এজন শিক্ষকেই পঢ়াব লগা হৈছে। সকলো শিক্ষাৰ সপোন স্বৰূপ বুনিয়াদী শিক্ষাৰেই যদি এনে অৱস্থা হয় তেনেহলে দেশৰ অৱস্থা কি হব সি সহজেই অনুমেয়। মোককচেলেঙৰ স্কুল বিলাকৰ সু পৰিচালনাৰ কাৰণে প্ৰয়োজনীয় চৰকাৰৰ ফালৰ পৰা কোনো কৰ্ত্তৃত্ব নাই, বা Board আদিও নাই। বৃটিশৰ যুগতে যি অৱস্থাত আছিল সেই অৱস্থাতে চলি আছে।

স্বাস্থ্যৰ সম্পৰ্কে কওঁ যে আমাৰ যিবিলাক দাতব্য চিকিৎসালয় আছে সেইবিলাক বজাৰ সমাৰত সহজে পাব পৰা ঔষধ খিনিৰো জোগান ধৰিব

নোৱাৰে। দামী ঔষধৰটো কথাই নাই। Oriomicline, Streptomicine আদিৰ কথা বেলেগেই। কিন্তু ওচৰতে থকা pharmacy ত হলে সেইবিলাক অনায়সে পোৱা যায়। এইদৰেই ডাক্তৰ থাকিলে ঔষধ নাই ঔষধ থাকিলে ডাক্তৰ নাই, কোনোখনত আকৌ ডাক্তৰ থাকিলেও কম্পাউণ্ডৰ নাই বা Nurse নাই বা এই সকলোবিলাক থাকিলেও আকৌ একেবাৰেই ঔষধেই নাইকিয়া হৈ পৰে। এয়াই হৈছে আমাৰ স্বাস্থ্য বিভাগৰ নমুনা। ডাঙৰ ডাঙৰ ৰোগ যেনে Cancer আদি হলে কি হব সি সহজেই অনুমেয়। এই ৰোগৰ নিৰা-কৰণৰ X-Ray আৰু Cobal Therapy থকা প্ৰয়োজন যদিও অসমৰ তুখনকে Medical College—Dibrugarh Medical College আৰু Gauhati Medical College ৰ ভিতৰতেই মাত্ৰ Gauhatiৰ খনতহে এটা Cobal Therapy আৰু X-Ray Therapy আছে। কিন্তু ইয়েই চাহিদা পূৰণ কৰিব নোৱাৰে।

ইয়াৰ পিছত ভূমি সংস্কাৰৰ বিষয়ে কওঁ যে উত্তৰ লক্ষীমপুৰ দৰং জিলা আদিত পট্টনৰ কথা বাদেই জৰীপৰ কামেই শেষ হোৱা নাই। বোপা ককাৰ দিনৰে পৰা খাই অহা ১০০/১৫০ বিঘা মাটিও আজিৰ চিলিং আইনে পাই ৭৫ বিঘালৈ নমাই দিলে। মণ্ডল, কানুনগু বা অন্যান্য মাটিৰ অফিচাৰ সকলৰ অনুগ্ৰহ ন'হলে বাপেক পিতাকৰ পৰা খাই অহা মাটিবোৰো থাকেনে নেথাকে সন্দেহ। এই বিলাক জেগাত পট্টনৰ কথা বেলেগেই জৰীপৰ কামো নোহো-ৱাটো বৰ দুখৰ কথা। তাৰ পিছত জনজাতীয় আৰু অনুসুচিত সম্প্ৰদায়ৰ উন্নয়ণৰ কাৰণে হয় শিক্ষাৰ ক্ষেত্ৰতেই হওঁক বা অন্যান্য ক্ষেত্ৰতেই হওঁক, বিশেষ একো কাম কৰিব পৰা নাই। উদাহৰণ স্বৰূপে ধৰা যাওক এখন স্কুলেই হওক বা College য়েই হওক, তাৰ যদি অনুসুচিত সম্প্ৰদায়ৰ ১৫ জন ছাত্ৰও থাকে তেনেহলে তাত চৰকাৰে যদি কিবা অনুদান দিলেহেঁতেন সি বৰ উত্তম কথাই হলহেঁতেন। জনজাতীয় আৰু অনুসূচিত লোক সকলৰ আৰ্থিক সংস্থা টনকিয়াল কৰিবৰ কাৰণে ৪ৰ্থ ৫ বাৰ্ষিক পৰিকল্পনাত ১০ কোটি মান টকা দিবলৈ বাৰম্বাৰ জনোৱা স্বত্বেও মাত্ৰ ২½ কোটি টকাহে দিছে। অথচ ইয়াৰেই স্কুল-কলেজ, ৰাষ্টা ঘাতো কৰিব লাগিব। জনজাতি আৰু অনুসুচিত জাতিৰ উন্নয়ণৰ কাৰণে চৰকাৰে লোৱা ব্যৱস্থাৰ ইয়েই হৈছে নমুনা। এই সম্প্ৰদায় সমূহৰ উন্নতিৰ

কাৰণে দিবলগীয়া অনুদানখিনিও যদি নিদিয়ে আৰু তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনাৰো কোনো দিহা নকৰে তেনেহলে এই জনজাতীয় আৰু অনুসূচিত জাতিৰ অঞ্চল সমূহৰ উন্নয়ণ কৰা সম্ভৱপৰ হৱ নোৱাৰে।

নিয়োগৰ ক্ষেত্ৰত আজি শতকৰা ১০ ভাগ আসন সংৰক্ষিত থকা স্বত্বেও সেইমতে নিয়োগ হৈছেনে নাই সিও সন্দিহান।

পৰ্যাটনৰ সংক্ৰান্তত যোৰহাট, শ্বিলং, বোম্বাই, কলিকতা আদিত পৰ্য্যটন কাৰ্য্যালয় মুকলি কৰা হৈছে যদিও কাজিৰঙাত সোমাই কাজিৰঙানো কি, বা কাজিৰঙানো কত- এই বিলাক কথাও আমাকহে সুধি জানিব লাগে। পৰ্য্যটন-কাৰীক এই পৰ্যাটন কাৰ্য্যালয় সমূহে কোনো উল্লেখযোগ্য নিৰ্দ্দেশনা দিব নোৱাৰে।

ইয়াৰ পিছত সাহায্য পুনৰ সংস্থাপনৰ কথাত যাই কথা হৈছে যে পূৰ্ববঙ্গৰ শৰণীয়া সকলৰ কাৰণে আমাৰ চৰকাৰ যিদৰে সাহায্য দিছে আমাৰ দেশৰে বহুযুগযুগ ধৰি গড়াখহনীয়াত প্ৰপিড়ীত আৰু শিল্প প্ৰতিষ্ঠানৰ কাৰণে অধিগ্ৰহণ কৰা মাটিৰ লোকসকল আৰু Military Cantonment এ অধিকাৰ কৰা মাটিৰ লোকসকল সেই শৰণীয়া লোক সকলৰ শাৰীতে পৰেনে নপৰে? এই ধৰণৰ শৰণীয়া সকলক পুনৰ বাসন, আৰু তেওঁলোকৰ ক্ষতিপূৰণ আদি দিবৰ ক্ষীপ্ৰ ব্যৱস্থা হব লাগে। যদি তাকে নকৰে তেন্তে ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যা আৰু মাটিহীনৰ মাটিহীন সমস্যাকে আৰম্ভ কৰি এই সমস্যা বিলাকে অদুৰ ভৱিষ্যতে আৰু দুৰ্ব্বহ ৰূপ ধাৰণ কৰি এটা বোজা স্বৰূপ হৈ পৰিব। জয় হিন্দ।

**Shri Giasuddin Ahmed**: Mr. Speaker, Sir, we have Budge for 1971-72 with a minus closing balance of Rs. 43, 81, 14, 000 That means it is the same tale of bankruptcy as we have been experiencing for years together. Only the providence can tell us when the economy of the state will be put on a sound footing. The Budget speech of the hon. Finance Minister containiug as many as 46 pages beginning with condolence and ending with a rosy picture of the future appears to me to be a camouflage

to hide the economy of the state, the real condition of the economy of the state. Well, what does a Budget mean ? What are the aims of a Budget ? According to the experts in public finance, the aim of a Budget in a welfare state is to achieve full employment, high level of investment and production, and equitable distribution of wealth and the Budget should be a powerfull stabilizer of economic life. These are the aims. of a budget. Now, Sir, let us see how far this budget of ours will be able to achieve these aims. Sir, while considering the proposals for the coming year, we should take into consideration the four Five Year Plans beginning from 1951. In First Five Year Plan, commencing from 1951, there was total expenditur of Rs. 20.51 crores, in the 2nd Plan, commencing from 1956 the expenditure was 54.5 crores and the expenditure in the Third Plan commencing from 1961 was Rs. 132.3 crores and thereafter we have three Ad hoc Plans, the First Ad hoc Plan was in 1966-67, the 2nd in 1967-68 and the third in 1968-69 with a total expenditure of Rs. 86.4 crores. This was the expenditure of the Five Year Plans, and Sir, we have an allocation of Rs. 261.75 crores for the Fourth Five Year Plan commencing from 1969. Now Sir, let us see what is the net result of this vast expenditure, where this money has gone ? I can declare without the least fear of contradicttion that the whole amount has gone down the drain ; thieves, dacoits, anti-social elements, corrupt bureucrats all of them sucked the people's blood – the people's money. The amount we

invested has gone without any outturn. That I can say with figures published by the government departments. Here Sir, let us take one example. What was the investment in the agricultural sector and what was the outturn in the agricultural sector. Yesterday, hon. Shri Bijoy Chandra Bhagavati has given hints and I am impressed with the spirit of sincerity with which he spoke about these things. I would like to elaborate those points. Now in the agricultual sector, what was the investment and what was the production ? In the First Plan, there was a total provision of Rs. 396.31 lakhs and the expenditure was Rs. 362.77 lakhs, in the Second Plan, the provision was Rs. 794.95 lakhs and the expenditure was Rs. 737.57 lakhs, in the Third Plan the provision was Rs. 1518 lakhs and the expenditure was 1220 lakhs. In the three ad hoc plans from 1966 to 1969, the total provision was Rs. 661.67 lakhs and the expenditure was Rs. 601.59 lakhs. The total is Rs. 2,921.93 lakhs. That was the totol expenditure in the agricultural sector during the three First Five Year Plans and three ad hoc Plans. The provision for the Fourth Five Year Plan is 3547 lakhs. Now, Sir, what is the result of this expenditure in the agricultural sector. I am coming to the next point. This amount was spent under different heads. I do not like to go into details in order to save time. I would like to quote certain figures of production in the agricultural sector. Here, sir, I referring to area, average yield and production of food grains for example.

I mean the autumn rice, winter rice, spring rice, maize gram, ararhar and other rabi crops, which are taken as foodgrains. In the year 1955-56, that is by the end of the First Five Year Plan, the total area under cultivation was 387.44 hectares, the total production was 365.70 lakh tonnes and the yield per acre was 956 kg. per hectare in respect of Autumn rice. I am putting emphasis on this yield per hectare, because that is the main thing. The total production can be increased by increasing the area of land under cultivation and that was actually done. But we cannot increase the area of land for an indefinite period of time. After some years extra land for cultivation will not be available, but the population is growing. Inspite of the all the Family Plannig Programmes, population is iacreassing day by day. In order to feed this over increasing population, we must increase the yeild per hectare ; that is the main point-that the fundamental point we should take into consideration. Now, Sir, we find that in 1955-56 the yield per hectare was 956 kg. Then let us come to 1960-61. By the end of the Second Five Year Plan, the total area under cultivation was 423.40 hectares lakhs and the production was 297.35 tonnes and yield per acre was 713 kg. per hectare.

In 65-66, that is by the end of the Third Plan we had a total area of 41 lakh 90.48 thousand hectres ; the total production was 3 lakh 88.22 thousand tons and the yield

per acre was 806 kg. There is a slight increase due to some other factors perhaps. Then in 68-69 the total area under cultivation was 5 lakh 68.80 thousand hectres, and the production was 413000 tons and yield 749 kg. It is quite clear from these figures published by the Statistics Department of the Govt. of Assam that there has been gradual decrease of yield per acre. Sir, we have spent a total sum of Rs. 29, 21, 93000 during the three plans and the three ad-hoc plans and we have these results. At the end of the first plan we had 955 kg per hectre and this had declined to 749 kg in 68-69. Now, Sir, we can easily imagine.

Shri Kamalya Prashed Tripathy (Minister, Finance): What is the cause of this decline?

Shri Giasuddin Ahmed: I am coming to that point. The main cause lies withn Govermment and the corrupt machinery on which Government is to depend. Mrs. Indira Gandhi's big slogans of socialism is doomed to be failure until and unless this corrupt machinery is wiped out.

Shri K. P. Tripathy: That is not a technical answer, that is a political answer.

Shri Giasuddin Ahmed: The Finance Minister has referrred to the per capita income. (A voice: We expected hear from the Hon'ble Member something about economics but he is making a political speech) I do not bother about politics. I went to make it clear, I am not a politician.

I am dealing with the life and death problem of the State. The Finance Minister has referred to the per capita income. He has stated that in 69-70 the total State income was Rs, 420 crores, but the per capita income fell from Rs. 287.9 in 1968-69 to Rs. 285.4. The per capita income has gone down, but that is not the whole picture. Let us see what is the per capita income of the rural population ? More than 90% of the people of our State are dependent on agriculture. That is the most vital point When we boast of increase in the total State income we are apt to forget about the rural population. Let us come to their case What is the income in the agricultural sector ? I have made some calculations basing on the figures published by the Government of Assam. I am not good at mathematics I am subject to correction. In 1950-51 the total income in the agricultural sector was Rs. 145 crores. The rural population in that year was 8421000, the per capita income was Rs 172. In 1955 the total income was Rs 167 crores and the rural population was 9263 000, and per capita income was Rs. 182/- There is a little increase, of course, but it is sure to go down afterwards. In 1960-61 the total income was Rs. 163 crores and the rural population dependent on agriculture was 109,60,000, and per capita income was Rs. 148/-. in 1965-66 the total income was Rs 176 crores and the rural population was 12056000 and the per capita income was Rs. 145. In 1967-68 the total income was Rs. 188 crores and the rural population was 12317630, and the per capita income was Rs. 152/- ;

in 1967-68 the total income was 196 crores, the rural population was 12790210 and the per capita income was Rs 153/-.

It is gradually going down and that is the condition of the rural population, Sir, that is the condition of the peasants living in the villages. That is again not the whole picture. When agriculture sector is taken into account it includes tea garden industries also. What was the total income in tea cultivation I can give figure for only one year, i e. 1968-69. In 1968-69 the total income in Tea Industry was Rs. 42 crores. We had a total income of Rs 196 crores including that of the Tea Industry. When we deduct the income of tea industry from this total income we have a balance of Rs 152 crores in agriculture proper. That is the real agriculture, that is the income of the rural agriculturists, that is the income of the men behind the plough, and on this basis the per capita income of the cultivation comes to Rs 120. Then we divide this Rs 120 by 12 we find his monthly income only to be Rs 10 only! That means the peasants daily income is 33 paise only. This is the real income of the men behind the plough for generations, together.

Now, Sir, that is the net result of all the Five Year Plans. The First Five Year Plan, Second Five Year Plan, Third Five Year Plan and now we are passing through the Fourth Five Year Plan When we raise the slogan of socialism we should take into consideration the failures

that we had during these Plans. In this present budget and in the budget speech of the Hon'ble Finance Minister I do not find any programme for the future. Where is the guarantee for full employment, where is the guarantee for high level production, for equitable distribution of wealth, where is the guarantee that this budget will be a powerful stabiliser of the economic life—there is nothing of the sort. It is only a stereotype budget. Perhaps, some portions of this budget speech are just copies of the speeches delivered earlier. So, in spite of all the high sounding slogans of socialism I am constrained to say that we are following the same path again. Our people though they are illiterate, though they are supposed to be ignorant who might be impressed by these big slogans for the time being, will not like long to understand that all that glitters is not gold.

**Shrimati Puspalata Das** :— অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন চাহাবে যিটো পৰিসংখ্যা কথা কৈছে সেইটো মই সমৰ্থন কৰি হয়তো উত্তৰ ভুল হবও পাৰে তথাপি কব খুজিছো যে wrong plan and blindly following the western type of planning, I think he will agree to that copying western economy blindly even at the days of science.

অধ্যক্ষ মহোদয়, এইবাৰ আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই ঘাটি বাজেট দাখিল কৰিছে যদিও তাত কোনো নতুন কৰ-কাটলৰ কথা নথকাত আমি ভালেই পাইছো। অৱশ্যে যদি বিলাস সামগ্ৰী আৰু মাদক দ্ৰব্যৰ ওপৰত কৰৰ প্ৰস্তাৱ কৰিলেহেঁতেন আমি বেয়া নাপাও। কিন্তু আমাৰ বাজেটখনত ভবিষ্যতৰ কোনো নীতিৰ সম্পৰ্কত নিৰ্দ্দেশ নাই, তথাপিও এই বাজেটখনত কেইটামান কথাই মোক অনুপ্ৰাণিত কৰিছে। মই এই কেইটা কথাৰ ওপৰতে কম।

আজি ঘাটি বাজেট দাখিল কৰিছে। এই বাজেটৰ অৰ্থনীতিবিদ সকলে খুৰৰ নাপিতৰ লগত তুলনা কৰিছে। খুৰখন যদি ভালদৰে ব্যৱহাৰ কৰে তেন্তে তাৰ পৰা ভাল কাম পোৱা যায় কিন্তু এই খুৰখনকে যদি ব্যৱহাৰ কৰোতে অলপ মানো বেঁকা হৈ যায় তেন্তে তাৰ পৰা ৰক্তপাত হৈ ভয়ঙ্কৰ বিপদৰহে সম্ভাৱনা আছে। গতিকেই কব পৰা যায় যে খুৰ ভালদৰে ব্যৱহাৰ কৰিলে যেনেকৈ ভাল কামত আহে সেইদৰে বাজেট ভাল হলেও জনসাধাৰণৰ ভাল কামত আহিব পাৰে। এই অস্ত্ৰৰ ভাল প্ৰয়োগে আমাৰ ভৱিষ্যতৰ পৰিকল্পনাক আগবঢ়াই নিব পাৰে। আমাৰ অসম যাতে চাকৰীৰ ভিত্তিত নহৈ কৃষিৰ ভিত্তিত আগ-বাঢ়ি যাব পাৰে এইটো কথা আমাৰ চৰকাৰে চাব লাগে। ডাঙৰ শিল্প বিলাকক কুটিৰ শিল্পত পৰিণত কৰিব পৰা নাযায়। তেল, তীখা আদি যিবিলাক বৃহৎ শিল্প আছে সেই বিলাক বৃহৎ শিল্প হৈয়ে থাকিব। আমাৰ অসম আকাশ অকল তেল, কয়লাৰ ধৰাৰে কলা কৰিলেই সমৃদ্ধিশালী হব নোৱাৰে। তাক সমৃদ্ধিশালী কৰিবলৈ হলে কৃষিৰ ভিত্তিত হব লাগিব। কৃষিৰ কাৰণে নতুন নতুন কল-কাৰখানা স্থাপন কৰিব লাগিব।

"কেৱল চৰকাৰী চাকৰিৰ মুখাপেক্ষী হোৱাতকৈ লাভজনক কৃষি আৰু উদ্যো-গৰ কাম কাজত নিয়োজিত হোৱাৰ প্ৰতি জনসাধাৰণৰ মনোভাব ঘটিত কৰিবলৈ সুচিন্তিত প্ৰচেষ্টা চলাব লাগে।" কিন্তু যিখিনি প্ৰচেষ্টা চলোৱাৰ কথা কৈছে, এই খিনি কত চলাব ? চিলঙতনে গুৱাহাটীত। কিন্তু মই দেখা আমাৰ যিবিলাক আঁচনি লোৱা হয় সেইবিলাক জিলা পৰ্য্যায়ত ললে ভাল হয়। মই মোৰ নিজা অভিজ্ঞতাৰ পৰা কৈছো আমাৰ ভাৰত দ্বিখণ্ডিত হোৱাৰ পাচত আমাৰ গৃহমন্ত্ৰী আছিল কাৰ্জু। তেওঁ এবাৰ মিজোপাহাৰৰ কথা কৈছিল। সেই সময়ত অসমৰ তিনিখন জিলা - মিজো পাহাৰ, কাছাৰ আৰু গোৱালপাৰা জিলাত ভীষণ খাদ্য সংকট হৈছিল। সেই সময়ত অৱশ্যে মিজু পাহাৰৰ নাম আছিল লোচাই পাহাৰ। সেই সময়ত কাছাৰ জিলাৰ সীমা নিৰূপনৰ ক্ষেত্ৰত এনেকুৱা সমস্যাৰ সন্মুখীন হৈছিল যে কাবোবাৰ বৰ ঘৰটো ভাৰতৰ ভিতৰত পৰিছে আৰু পাক্ঘৰটো পাকিস্তানত পৰিছে। মানে ঘৰৰ মাজেদিয়েই সীমা গৈছে। এনেকৈয়ে সীমা নিৰ্ণয় কৰা হৈছিল। সেই সময়তে বিনোৱা ভাবে যেতিয়া তালৈ আহে তেতিয়া

তেখেতক অভ্যৰ্থনা জনাবৰ কাৰণে মিজোপাহাৰৰ পৰা কমলা টেঙা আনিছিল তেখেতক উপহাৰ দিবৰ কাৰণে। সেই কমলা টেঙা আছিল মিজো পাহাৰৰ।

বিনোৱাজীয়ে যেতিয়া মিজো পাহাৰলৈ আহিছিল, তেওঁৰ বক্তৃতা শুনিবলৈ পূব-পাকিস্তানৰ পৰাও মানুহ আহিছিল আৰু মিজো সকলে তেওঁক কমলা টেঙাৰে মালা পিন্ধাইছিল। সেই সময়ত মিজো পাহাৰত প্ৰচুৰ পৰিমানে কমলা টেঙা পোৱা গৈছিল। অসমৰ পাহাৰ অঞ্চলত ইয়ো এটা প্ৰধান কৃষিজাত সামগ্ৰী। এই সামগ্ৰীবিলাক canning কৰিব পাৰিলে তাৰ চাহিদা যথেষ্ট পৰিমানে পোৱা যাব, এতিয়া যিবিলাক Military Canton camp হৈছে তাতেই এই সামগ্ৰীবিলাক বেচিব পৰা যাব। Transport botle lunch যদি দূৰ কৰিব পৰা যায় তেতিয়া হলেই অসমৰ কৃষিজাত সামগ্ৰীৰ পৰাই অৰ্থনৈতিক সমস্যা বস্ত পৰিমাণে সমাধান কৰিব পৰা যাব। অসমৰ Quine family ৰ আনাৰস পৃথিৱীৰ ভিতৰতে বিখ্যাত। অসমতেই এতিয়া একোটা আনাৰসৰ দাম ১.৫০/১.৭৫ পইচা হৈছে। সেইদৰে ডিমাপুৰ আগৰতলা নংপু শিলচৰৰ আনাৰসো আত উত্তমবিধৰ। এইবিলাক proper processing আৰু canning কৰি বাহিৰলৈ পঠিয়াব পাৰিলে আমাৰ যথেষ্ট বৈদেশিক মুদ্ৰা অৰ্জন কৰিব পৰা যায়। মই এই বিষয়ে এটা কথা কওঁ মই যেতিয়া Poland, Bulgarie আদি দেশত গৈছিলো তেতিয়া Bulgarie ত দেখিছিলো তেওঁলোকে প্ৰচুৰ পৰিমাণে বিলাহী আৰু আঙুৰৰ খেতি কৰে। তেওঁলোকে যিমান আলফুলকৈ বিলাহী তোলে সেইটো আচৰিত লাগে কাৰণ বিলাহী বেয়া নহবৰ কাৰণ সমস্তে চিঙে সেই ফলবিলাক অতি যত্নৰে Troleyৰে তৎক্ষণাৎ কাঢ়য়াই নি aeroplan ৰ যোগেৰে গোটেই পৃথিৱীলৈকে পঠিয়াই দিয়ে। তেওঁলোকে ইমান উন্নতি কৰিব পাৰিছে একমাত্ৰ কৃষিত বিজুলী শক্তি প্ৰয়োগ কাৰ। ইয়াকে দেখি মই ভাবিছিলো যে তোমালোকৰ দেশৰ অৰ্থনৈতিক পৰিস্থিতি কেনেকুৱা। তেওঁলোকে poland আৰু জেকোশ্লেভিয়াতকৈ ভাল বুলি কৈছিল। পিছত আমি poland সুধিলো তেতিয়া তেওঁলোকে Bulgaria ৰ অৰ্থনৈতিক পৰিস্থিতি ভাল বুলি কলে। আৰু কলে যে আমি তেওঁলোকক এই communist countryৰ saslin regionত বিলাহী আৰু আঙুৰ খেতি কৰিবলৈ

দিছো। সেইদৰে আমাৰ অসমৰ পৰ্বত অঞ্চলৰ ফলমূলৰ দ্বাৰা দেশৰ অৰ্থনৈতিক ক্ষেত্ৰত যথেষ্ট বৰঙনী যোগাব পাৰিব বুলি আশা কৰিব পৰা যায়। সেইদৰেই আমাৰ Textile শিল্পত কুটিৰ শিল্পৰ ভিত্তিত বিজুলী সংযোগৰ দ্বাৰা যদি চলোৱা হয় তেনেহলে বৃহৎ তাঁত শিল্পতকৈ বেচি উন্নত ধৰণৰ বুলি ভাবিব পাৰি। কাৰণ বৃহৎ শিল্পতকৈ কুটিৰ শিল্পইহে নিবনুৱা সমস্যা সমাধানত বিশেষ অৰিহনা যোগাব।

আজি পূব পাকিস্তানত যি বিক্ষোভ হৈছে তাৰ মূল কাৰণ হৈছে অৰ্থনৈতিক দুৰ্ব্বলতা।

আমি যদি বৈজ্ঞানিক প্ৰগতিৰ কথা ভাবো তেনেহলে বেদান্ত "philosophy" ৰ কথা ভাবিব লাগিব কাৰণ বেদান্ত is a coince, আমি কৃষিজাত সামগ্ৰীৰ যোগেদি বেকাৰ সমস্যা দূৰ কৰিব পাৰিম কিন্তু এই ক্ষেত্ৰত ভাৰতত কিছু কাম কৰিছে কস্তুৰৱা সামাত আৰু Statistics Deptt, এই অনুষ্ঠানে কুটীৰ শিল্পকে দেশৰ অৰ্থনৈতিক প্ৰগতিৰ ভেটি বুলি কৈছে। ঢেকী আৰু তাঁত শিল্পৰ যোগেদি আমাৰ মহিলা সকল সসন্মানেৰে বাচি থকাৰ একমাত্ৰ ভাল উপায়। মই উদাহৰণ স্বৰূপে কও যে আমি এগৰাকী Ex-tea garden labour মহিলাক এডোন ধান দিছিলো। ঢেকীৰে চাউল উলিয়াবৰ কাৰণে। সেই মহিলা গৰাকী মাত্ৰ এবাৰহে আহিল, পিছত আৰু নাহিল। ইয়াৰ কাৰণ অনুসন্ধান কৰি জানিব পাৰিলো তেওঁ ধান খুন্দি যি পইচা পাইছিল সেয়ে তেওঁৰ মূলধন হ'লগে। তেওঁ পোৱা ৫ টকাৰে এখন পান তামোলৰ দোকান দিলে আৰু আৰু তাৰ পৰাই তেওঁৰ পৰিয়াল বাচি আছিল। সেইদৰে মই আৰু কেইগৰাকীমান মহিলাক কৈছিলো আমি কাপোৰ দিম তোমালোকে সৰল গছৰ পাত ভৰাই কুচন কৰা। এইবোৰ ব্যৱসায়ত কোনো মূলধনৰ প্ৰয়োজন নাই। মূলধনৰ কাৰণে চৰকাৰৰ সহায়লৈ বাট চাই থাকিলে নিবনুৱা সমস্যা কেতিয়াও সমাধান হব নোৱাৰে। যাদব চলিহা অসমৰ এজন ডাঙৰ ব্যৱসায়ী। তেখেতৰ কথা মই এজন উদ্যোগী ডেকাৰ ব্যৱসায়ৰ কাহিনী এটা শুনিছিলো। এই ডেকা দুজনে কোনো মূলধন নোহোৱাকৈ একোজন ভাল ব্যৱসায়ী হলগৈ। এওঁলোকৰ এজনে ৰঙ্গা মাটি আৰু আন জনে চাই কলিকতাত এক অনা এক অনাকৈ বেচি তেওঁলোকৰ মূলধন

গোটাই লৈছে; এই বস্তু বিলাকৰে বাচন চিক্‌চিকিয়া কৰিব পাৰি কাৰণে ইয়াৰ চাহিদাও যথেষ্ট আছে। মই আমাৰ ল'ৰা বিলাকক এই কথাটো কও— তেওঁলোকেও যেন চৰকাৰী সাহায্যলৈ বাট নাচাই মূলধন নোহোৱাকৈ Mill ৰ পৰা প্ৰকৃতিৰ বস্তুৰ পৰাই ব্যৱসায় আৰম্ভ কৰক।

আমি প্ৰথম ৫ বছৰীয়া পৰিকল্পনাত কৃষিৰ ওপৰত গুৰুত্ব দিছিলো। সেই বাবেই আমাৰ Target পোৱাৰ লগতে Surplus উৎপাদন হৈছিল কিন্তু পিছৰ পৰিকল্পনাত আমি Heavy Industry ত জোৰ দিলো। সেই সকলক প্ৰকৃতিয়ে মৰম কৰিছে, ৰবৰ্ট্‌ণে মৰম কৰিছে।

এইটো follow কৰিছে আৰু বিশেষজ্ঞ পথাই দিছে সেইকাৰণে আজি Per-capita Income ভাৰতৰ শতকৰা ৩ ভাগ বাঢ়িছে বোলে বঢ়া নাই। আনহাতে গাঁৱলীয়া অঞ্চল সমূহত একেবাৰে কাম গৈছে Nil বুলিয়েই কব পাৰি। আজি যদি আমাৰ প্ৰত্যেক জিলাত বেলেগ বেলেগ উৎপন্ন বস্তু হয় সেইবিলাক সৰু সৰু শিল্পৰ জৰিয়তে আমি এটা বৃহৎ শিল্প গাঢ় তুলিব পাৰো। অধ্যক্ষ মহোদয়, আমাৰ সমস্যা আপুনি নুবুজে আৰু আপোনাৰ সমস্যা আমি নুবুজো। মই ভাবিব নোৱাৰো যে, প্ৰত্যেক গাঁৱতে বহুতো অৰ্থনৈতিক সমস্যা আছে। মৈমনসিংৰ তিৰোতা সকলে পৰ্দা এৰি ওলাই আহিব নোৱাৰে। কাপোৰ-কানি; তেওঁলোকে ঘৰতে তৈয়াৰ কৰিব পাৰে; ইয়াৰোপৰি তেওঁলোকে আখৈ, মুৰি আদি তৈয়াৰ কৰিব পাৰে, তেনেস্থলত যদি তেওঁলোকক চৰকাৰৰ ফালৰ পৰা কিছু সাহায্য দিয়া হয় তেন্তে যথেষ্ট পৰিমানে খাদ্য বস্তু উৎপাদন কৰিব পাৰিব। ধুবুৰীত যিটো জুইশলা ফেক্টৰী আছে তাৰ পৰা যথেষ্ট উৎপাদন হৈছে আনকি ইয়াত কাম কৰি তাত থকা তিৰোতা মানুহ বিলাকেও দিনে ৮/৯ টকা উপাৰ্জন কৰিছে। তিৰোতাবিলাকে ঘৰতে কাঠি তৈয়াৰ কৰিছে, ৰং দিছে মাত্ৰ খাৰ নিদিয়ে। পিচত Van আহি সেই দ্ৰব্য বিলাক কাৰখানালৈ লৈ যায়। ইয়াৰোপৰি আজি কিছুমান এলেকাত শিমলু আৰু জুট আদিৰো খেতি কৰা হৈছে। নগাওঁ অঞ্চলত জুট যথেষ্ট উৎপন্ন হয় আৰু তাত শিল্পৰ সম্প্ৰসাৰণৰ বাবে জুট মিল স্থাপনো হৈছে। ইয়াৰোপৰি ফলমূলৰ ক্ষেত্ৰত শ্বিলং, মিজো পাহাৰতো যথেষ্ট ফলমূল উৎপন্ন হয়। সেই বিলাকৰ পৰাও বহুতো

উন্নতি আশা কৰা যায়। আজি পুববঙ্গত যি আন্দোলন হৈছে আজি সেই আন্দোলনক সমগ্ৰ বিশ্বই সমৰ্থন জনাইছে। এজন জাৰ্মান ভদ্ৰলোকে এই ঘটনাৰ সন্দৰ্ভত বিনোৱাজীক প্ৰশ্ন কৰিছিল যে এই অৱস্থাত কি হব পাৰে ? বিনোৱাজীয়ে এটা ত্ৰিভুজ আঁকি দেখুৱালে। ত্ৰিভুজৰ অৰ্থ সোধাত কোৱা হল যে, চিলন, বাৰ্মা, পাকিস্তানত যেতিয়া সাম্প্ৰদায়িক সংঘৰ্ষ শেষ হৈ যাব তেতিয়া মানুহে খাবলৈ পাব। এজন মানুহে বিৱেকানন্দক প্ৰশ্ন কৰিছিল যে মোৰ ঈশ্বৰ কোন ? বিৱেকানন্দই ক'লে তোমাৰ ঈশ্বৰ ৰুটি। আজি দেখা গৈছে আমাৰ ইয়াত সকলো সম্প্ৰদায়তে মইমতালি। আজি একোৰে Solution হোৱা নাই। আজি মেঘালয়ৰ স্থষ্টি হৈছে। ইয়াৰোপৰি আমাৰ যিটো Article ১৬ [৩] সেইটো Revise কৰিব লাগে। আজি আমাৰ Scheduled Caste আৰু Scheduled Tribe সকলে বৃত্তি পোৱা নাই। গতিকে অৰ্থনৈতিক মানদণ্ড বিচাৰ কৰিব লাগে সিদিনা এখন দৰ্খাস্ত আহিছে তাত নাম আছে শুক্ল বৈদ্য আৰু চন্দ্ৰবৈদ্য। মই সোধাত ক'লে যে, এহাবলাক নাখাললে বৃত্তি নাপাম। আজি ৺বিষ্ণু ৰাভা জনজাতীয়ৰ এলেকাৰ পৰা অহাটো ৰাইজে স্বীকাৰ কৰিছে। এতিয়া দেখা গৈছে ধনী শ্ৰেণীৰ মানুহে বৃত্তি পাইছে আৰু গৰীব শ্ৰেণীয়ে পোৱা নাই।

আজি গান্ধীজীৰ কথা নকলে নোৱাৰো। তেওঁ সদায় অহিংস যুঁজাৰুক সমৰ্থন কৰিছিল। আজি তিৰোতা মানুহে হাত, মুখ, নখেৰে যুঁজ-বাগৰ কৰি অহিংসভাৱে যুদ্ধ কৰিব লাগিব। যিবিলাক মানুহে মাছ-মাংস খাই তেওঁলোকে গাখীৰ আদি আনক এৰি দিব লাগে। আজি বুৰঞ্জীয়ে অতীতক বিচাৰিছে মানুহৰ আত্মাই অমৃত বিচাৰিছে।

## Adjournment

The House then adjourned for Lunch till 2 p.m.

After lunch

**Shrimati Puspalata Das :** অধ্যক্ষ ডাঙৰীয়া এতিয়া মই চমুকৈ আমাৰ Regional Research Laboratoryৰ কথা কব বিচাৰিছোঁ যে - পেলনী চাহপাত আৰু কাঠৰ গুৰি বিলাক Research কৰিব লাগে। উদ্যোগ বিভাগে

যদি এই বিলাক চেষ্টা কৰে—অৱশ্যে মই Foreign Market ৰ কাৰণে কোৱা নাই এই পেলনী যোৱা চাহপাত আৰু কাঠৰ গুৰি বিলাকৰে আমি কিছুমান কাম কৰিব পাৰো। এতিয়া আমি Sound Proof কৰিবৰ কাৰণে আৰু Fabricated House কৰিবৰ কাৰণে এই Bricks বিলাকৰ এখন Scheme লব পাৰো।

এতিয়া যি বিলাকে Cement Factory Asok Paper Mill আদি আপোনালোকে পাতিব ধৰিছে এইবোৰ ভাল কামেই কৰিছে। কিন্তু উদ্যোগ বিভাগে Unskilled Labour কিমান আছে তাৰ এটা Survey কৰি Human Power absorved কৰিব লাগে আৰু তাত স্থানীয় নিবনুৱা বিলাকক নিয়োগ কৰি Unemployment Problem Solved কৰিব লাগে। বোকাজান Cement Factoryত অভিযোগ আহিছে—যে কিছুমান বাহিৰৰ মানুহ নিয়োগ কৰিছে আৰু তাৰ বাবে আমাৰ স্থানীয় মানুহে সুবিধা পোৱা নাই। গতিকে ইয়াৰ লগতে উদ্যোগ মন্ত্ৰী ডাঙৰীয়াক বিশেষকৈ কাছাৰ, গোৱালপাৰা আৰু মিজো পাহাৰৰ কথা কাণ চোৱাই থলো। কাৰণ তেওঁলোক economically disturbed পায়। তেওঁলোক অৰ্থনীতিত বৰ দিগদাৰত পৰিছে। গতিকে বাৰ্মাৰ নিচিনা আমাৰ ৰাজ্যতো পৰ্ব্বত ভৈয়াম সকলোতে কৃষিৰ ভিত্তিত Scheme কৰি অৰ্থনৈতিক দিশত বজাৰ বিলাক প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিব লাগে।

তাৰ পাছত কোৱা হৈছে যে শাক পাচলিৰ Market খন আমাৰ অসমত ভাল। Tourist traffic ৰ সম্পৰ্কত আমাৰ মাননীয় সদস্য শ্ৰীপেগু ডাঙৰীয়া উদাহৰণ দিছে—যে American tourist এজনে কৈছিল Pine wood আৰু অন্যান্য বহুতো ঠাইত টকাবিলাক খৰচ হল। গতিকে আমাৰ Tourist বিলাকৰ কাৰণে Matel ৰ ব্যৱস্থা কৰিব লাগে আৰু Tourist traffic ক সকলো ধৰণৰ সুবিধা দিব লাগে। কাশ্মীৰৰ Tourist বিলাকৰ কাৰণে যেনেকুৱা সুবিধা কৰি দিছে তেনেকৈ আমাৰ পলাশবাৰী আদি ঠাইত তথা সকলোতে ভাল ব্যৱস্থা কৰি দিলে চৰকাৰে বহুতো ক্ষেত্ৰত লাভবান হব পাৰিব। আৰু এইটো ব্ৰহ্মপুত্ৰৰ আশে পাশে কৰিলৈ ভাল হয়। বিশেষকৈ

কাঠৰ গুৰি বিলাকৰ পৰা যিটো শিল্প প্ৰতিষ্ঠা হব তাত বহুতো Unemployment লৰা বিলাক Mobilised কৰিলে বজাৰখনৰ সুবিধা হয় আৰু এই বিষয়ে এটা প্ৰদৰ্শনী আমাৰ গুৱাহাটীত হৈছিল। মই বৃহৎ Industryৰ কথা নকও, সৰুসুৰা Industry ৰ কথাকেই কৈছোঁ। কানাডাৰ পৰা ফৰমাচ্ আহিছে যে সিহঁতক Art থকা বস্তু লাগে। যিটো বস্তুৰ দাম আমাৰ ইয়াত মাত্ৰ ৭ টকা কিন্তু তেওঁলোকে ৭০/৮০ টকাত কিনি লব। আমাৰ ইয়াত ১৩ টকাৰ বস্তুকে আমেৰিকাত ৭০০ৄ টকা দি কিনিব বিচাৰিছে। গতিকে ভাল Art ৰ দ্বাৰা আমি Foreign exchange বৃদ্ধি কৰিব পাৰোঁ। ঠিক সেই ধৰণে আমাৰ ফুলাম গামোচা Piece বিক্ৰি হৈ আছে। মই সৰুসুৰা কথাকেই কৈছোঁ— কাৰণ ডাঙৰ Industry কৰিবৰ বাবে চৰকাৰৰ সামৰ্থাই নাই।

ইয়াৰ পাছত কৃষি উৎপাদন বঢ়াবৰ কাৰণে অৱশ্যে কৃষিমন্ত্ৰী ডাঙৰীয়া কোন মই নাজানো— কিন্তু পঞ্চায়ত Levelত Development Scheme হব লাগে। ঠিক সেই ধৰণে irrigationৰ Schemeত কৰিব লাগিব। Scheme হোৱাৰ পাছত Grow move food campaign এ লাভ কৰিব পাৰে। এই Scheme বিলাক পঞ্চায়ত Level ত হব লাগে আৰু মন্ত্ৰী ডাঙৰীয়াক তাৰ Approval ৰ কাৰণে দিব লাগে।

অধ্যক্ষ ডাঙৰীয়া মই আপোনাৰ জৰিয়তে PWD আৰু E & D Ministerক জনাব বিচাৰিছোঁ যে যি বিলাক Scheme Sanction হৈ আছে সেই বিলাক District Level ত গ্ৰহণ কৰিব লাগে। নাৰায়নপুৰ আৰু ঢেকীয়াজুলিত ভাল আলি পদূলি নোহোৱাৰ কাৰণে এক চেতীয়া পুজিপতি সকলে বস্তুৰ দাম বঢ়াইছে। আমাৰ ইয়াত বাঁহ-বেত-কাগজ এই তিনিটাৰ যোগেদি economic অৱস্থাটো বহুতো টনকিয়াল কৰিব পাৰে। গোৱালপাৰাত Jute অভয়াপুৰীত Sugar, নগাওঁত Sugar উৎপাদনৰ দ্বাৰা অৰ্থনীতি উন্নত কৰিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

Shri Lakhyadhar Choudhury : Sir, I am rather sandwiched between the satatistical date and mathematical calculation of Shri Giasuddin Ahmed and sweet scented sermon of Baideo Shrimati Puspalata Das.

মাননীয় অধ্যক্ষ মহোদয়, আজি বাজেট্‌ বক্তৃতাৰ আলোচনাত অংশ গ্ৰহণ কৰিবলৈ সুবিধা দিয়াৰ কাৰণে জয়জয়তে আপোনাৰ শলাগ জনাইছো আৰু বিত্তমন্ত্ৰী মহোদয়কো সদনত এখন ধুনীয়া কিতাপ উপহাৰ দিয়া বাবে আৰু ছপাশালৰ সুন্দৰ প্ৰকাশৰ বাবে ধন্যবাদ জনাইছোঁ। মই ইয়াত তিনিখন মান বাজেট বক্তৃতাৰ কিতাপ আনিছো। এই আটাইকেইখনেই একে ধৰণৰ হৈছে। কিন্তু আমি আশা কৰিছিলো যে নিৰ্ব্বাচনৰ পিচত অন্ততঃ "গৰীৱি হুতাও" Slogan ৰ পিচত আমাৰ তুখীয়া ৰাইজৰ পেকেজ প্ৰগ্ৰেম বা অন্য কোনো এটা খৰতকীয়া আঁচনিৰ ব্যৱস্থাৰ কথা পাম। কিন্তু সেই ধৰণৰ কোনো আশাপ্ৰদ আঁচনি পোৱা নাই।

কৃষি বিশ্ববিদ্যালয়ৰ কাৰণে ত্ৰিপাঠী ডাঙৰীয়াই গৌৰৱ কৰে কিন্তু এই-টোও গান্ধীয়ান টাইপ নহৈ এমেৰিকান টাইপৰহে কিবা এটা হৈছে। আতাউৰ ৰহমান চাহাবেও পামৰ কথা কৈছে কিন্তু Board of Management আৰু উপাৰ্জনৰ সংঘাটৰ কাৰণে কৃষি মযিয়ৰ হৈ যাব। কৃষিৰ কাৰণে ভৈয়াম অঞ্চলত পানীৰ অভাৱ হৈছে। ধেমাজী অঞ্চলৰ ৰাইজে আহুখেতিৰ কাৰণে পানী নাপাই কেইবাবাৰো কৃষি বিভাগৰ ওচৰলৈ যাবলগীয়া হৈছে। আকৌ বীজৰ বাবে সেই অঞ্চলৰ ৰাইজে বীজ নিগমৰ কাৰ্য্যালয়ৰ ওচৰত আন্দোলন কৰিবলগীয়া হৈছে। কিন্তু তাতো বিশেষ ফল পোৱা নাই।

বড়োখেতিৰ বাবে হেঙালবৰি, ডোমপাৰা, ঠাকুৰকুছি, আদি অঞ্চলৰ ৰাইজে পানী পোৱা নাই। প্ৰায় তুশ একৰ মাটিৰ বড়োখেতি শুকাই যাব ধৰিছে। অথচ তাৰ ওচৰে-পাজৰে পানী সিচিবলৈ জানো আছে।

তাৰ পিচত উদ্যোগলৈ আহোঁ। উদ্যোগৰ কথা কবলৈ যাওঁতে আমাৰ উদ্যম ঠাণ্ডা পানী ধলাৰ নিচিনাহে হয়। ভাৰত চৰকাৰ আৰু Planning Commission এ যি ধৰণে আগুৱাই আহিব লাগিছিল, যথেষ্ট কেঁচা মাল থকা স্বত্বেও তেওঁবিলাকে তেনেভাবে আগবাঢ়ি অহা নাই। কেৱল যি কেইটা উদ্যোগ লৈ গৌৰৱ কৰিছে, আমাৰ শ্ৰীৰথীন সেন ডাঙৰীয়া নাই, থকা হ'লে সেই ক্ষেত্ৰতে ক'লোহেঁতেন চিনেমা হলৰ গেট কীপাৰে আৰু lightmanএ কোৱা "পাগলেৰ গোবধে আনন্দেৰ" কথা।

**Petro Chamica**'ৰ সংক্ৰান্তত 'ন্যাগী' কমিটি আৰু "কাশ্যপ কমিটি" কৰি দিলে, কিন্তু কাম কি কৰিলে সকলোৱে জানেই। কিয়নো কমিটি কমিটিয়ে লিখিছিল যে অসমলৈ যদি **Broad Gange Railway Line** সম্প্ৰসাৰণ কৰা নহয় তেনেহলে অসমত তেল কিংবা অন্য উদ্যোগ স্থাপন কৰাটো যথেষ্ট অসুবিধা হয়।

আকৌ Air sereive-ৰ কথালৈ চাওঁক। আমাৰ মুখ্যমন্ত্ৰীয়ে ডবাত উঠিও আহিছে কিন্তু Air service-ৰে কোনে কেতিয়া ঘৰ পাবগৈ কব নোৱাৰি। বৰঝাৰত কিমান বৰগৈ বা মোহনবাৰী কেতিয়া পাবগৈ কোনেও সঠিক কৰিব নোৱাৰে।

উদ্যোগৰ ক্ষেত্ৰত তিনিটা পৰিকল্পনাৰ পাচতো আমাৰ অসমৰ percentage ·৯৪, যিটো একোৱেই নহয়। মহাৰাষ্ট্ৰত ১৬.৪৭%পশ্চিমবঙ্গত ৮.৯৬%। These are Industrial licences total. Tamil Nadu 8.66% আনকি দিল্লীত যিখন ট্ৰাইবেল মানুহ এজনে একে উশাহতে হাউমাৰি পাৰ হব পাৰে, তাতো 2.09% কিন্তু অসমত হ'ল 94% মাত্ৰ। নুনমাটিত এটা toy শোধানাগাৰহে কৰিলে। আমাৰ অসমৰ কেঁচামা ল বিক্ৰী হয় বাহিৰতহে।

১৯৬৭ চনতে M.L.A. হৈ আহিলো কিন্তু আজিলৈকে কি দেখিছোঁ। চলিহা ডাঙৰীয়া মুখ্যমন্ত্ৰী হৈ থকা কালতে India Carbon Ltd.-ৰ কাৰণে licence লৈ Inauguration ceremony কৰিছিল? আকৌ ফখৰুদ্দিন আলী চাহাবে এলুমিনিয়াম ফেক্টৰিৰ। তালৈ কেকৰ গোন্ধত তুথীয়া মানুহ যাব নোৱাৰা অৱস্থা হৈছিল। **This is a great insult to our great leader B.P. Chaliha and Fakharuddin Ali Ahmed.**

পাৰিলেটো ভালেই তেতিয়াহলে মই আশিৰ্ব্বাদ কৰিলোঁ।

( সময়ৰ সংকেত )

তাৰ পাচত যদি Ashoke Paper Mill-ৰ বিষয়ে যদি কালৈ হয় তেনেহলে মই কও এইটো বন্ধ কৰক। আমি ভাল হৈয়ো নোৱাৰো আৰু বেয়া বেয়া মানুহৰ সংগ লৈ কেনেকৈ পাৰিম? ইয়াত ১৫ কোটি টকা বিত্তমন্ত্ৰীয়ে দিব খুজিছে কিন্তু আমাৰ Theatre কাৰণে টকা দিব নোখোজে?

Shri Kamakhya Prasad Tripathy :—১০ হাজাৰ টকা দিলো।

Shri Lakshyadhar Choudhury :- দিছে যদি ভালৰেই কথা, ইতিমধ্যে যি টকাটো দিছে তাৰ বাহিৰেও unseen creditor-ক কিমান pay কৰিব লাগিব আছে অন্ততঃ ২ কোটি টকাটো দিব লাগিব। আৰু France ৰ পৰা যি দুজন মানুহ আহিছে তেওঁলোকে Paper Mill director জনৰ বিষয়ে কি মন্তব্য দিছে ? এই কথাটো কেবাজনো সদস্যই উত্থাপন কৰিছিল সেই বিষয়ে তদন্ত কৰি পাচতহে কব পাৰিম। তদন্তৰ কথা কলে মোৰ মাষ্টৰী কালৰ কথালৈ মনত পৰে অৰ্থাৎ তাত অন্ত সেইয়ে হ'ল তদন্ত। ১৯৭০ চনতে এই company টো খোলা হ'ল কিন্তু ইয়াত যিজনক Director কৰা হৈছে তেওঁৰ বিষয়ে Apisel আৰু Talex-য়ে কি report দিছে? এতিয়া মই জানো তেওঁ Aluminium production কাৰণে তেওঁ পোৱা কেঁচা মাল বিলাক বাহিৰত বিক্ৰী কৰি আছে আৰু সেই মানুহজনকে দাণ্ডীৰ গান্ধী বুলি চৰকাৰে বিবেচনা কৰে। আকৌ চাওঁক বিদেশী ৰেল কোম্পানী B.O.C য়ে কিমান সুবিধা পাই আছে, তেওঁলোকে ১৭ টকাৰে crude পাই যি স্থলত গুৱাহাটীতে ১২০ টকাত সেই crude কিনিব লাগে। See the difference. এতিয়া A.O.C আৰু B.O.C ক ইয়াত International ঔপনিবেষ পাতিব দিছে নেকি কিন্তু এই বিলাক কথাটো কাৰো ভ্ৰুক্ষেপেই নাই বোলে "আহিল কণা গলকনা, খাগৰি কাটিলে তিনি কণা"

আমাৰ বিত্তমন্ত্ৰী মহোদয় ডেকা দেখনিয়াৰ হব। তেখেতে যিকেইটা Industry পাতিলে associated Industry-কে ধৰি আটাইবোৰ বন্ধ হৈ গ'ল। AFC ক ১০ লাখ আৰু I.F.C. ৫০ লাখ টকা বৰবাদ হৈ গ'ল। Industry deptt-য়ে এটা Resolution-লৈ এতিয়া সেই Resolution অনুসৰি উদ্যোগ মন্ত্ৰীয়ে cotton কিনি আনিলে কিন্তু এতিয়া বৰষুণ সেইবোৰ ভিজি নাশ পাব। আৰু এজন মহাপুৰুষ জাতীয়ৰ কথা নকৈ নোৱাৰিলো এইজনেনো কেনেকৈ মন্ত্ৰীৰ Drawing Room-ত বহি থাকে আৰু আমাৰ পিচে পিচে ঘুৰে। এই জাতীয়াই অসমৰ উদ্যোগ নাশ কৰিলে। Liquid sulphuric acid যিটো Refinery ত oil pusification-ৰ কাৰণে তেওঁ

supply কৰিব বুলি কৈছিল, Alum কৰিব বুলি কৈছিল সেইবোৰ একোৱেই কৰা নাই।

আকৌ চাওঁক Associated Industry-ত কাম কৰা তয়, ৪ৰ্থ শ্ৰেণীৰ চাকৰিয়াল সকলে খেদা খাই এনেয়ে বহি আছে ; সেই কাৰণে মই কব খোজো যে আপোনালোকে এটা কাম কৰক ; আমাৰ Gauhati Refinery যিটো Gas এনেয়ে পুৰি গৈ আছে তাৰ মাত্ৰ ২১ ভাগহে ব্যৱহাৰ কৰিব পাৰিছো। এই Gas ৰ পৰা Fertiliser কৰিব পাৰো, আমি নাজানিব পাৰো কিন্তু central Govt.-ৰ মানুহে নজনা নহয়। কিন্তু Central Govt. ৰ মানুহে ২৫০ কোটি টকা খৰচ কৰিছে অথচ আমাৰ Gas বিলাক পুৰি নষ্ট হব লাগিছে। এই Gas-ৰ পৰা coke oven Petrolium Refinary gas, Petrolium Naptheline, coke coal, lignite, ইত্যাদি ভালেমান বস্তু কৰিব পৰা যায়।

Shri Biswadev Sarma (Minister Industries): নামৰূপৰ Fertiliser ৰ এই Natural gas-ৰ পৰাই হৈছে।

Shri Lakshyadhar Chowdhury : কিন্তু আপোনালোকে potential of employment চাব লাগিব। কি হিচাবেনো আপোনালোকে Empty কৰিব পাৰিখে তাৰ হিচাব মোৰ হাতত আছেই।

Shri Biswadev Sarma : এতিয়া যিটো Extention programme লোৱা হৈছে অসমৰ সম্পূৰ্ণ খিনি gas ব্যৱহাৰ কৰিব পৰা যাব। সেই মানুহজনে paper Mill-ত একো কাম কৰিব নোৱাৰে আৰু সেই বিষয়ে মানুহজনৰ কোনো অৰ্হতা নাই নৈতিকতা সম্বন্ধেও সন্দেহজনক আৰু এজন মানুহ সোমাইছে তেওঁ বিহাৰী তেখেতৰ নামো মন্ত্ৰী মহোদয়ৰ নামেৰে যায়, নামটো হ'ল B. L. Sarma.

সেই কাৰণে আকৌ ১৯৬৭-ত কথা কোৱাত আপোনালোকে কাণ দিয়া নাছিল। আজি কাণ দিলে ১৯৭১ চনত আকৌ কৈ থৈছো যাতে Assembly ভঙাৰ পাচত কিবা এটা ভাল মীমাংসা কৰিব পাৰে। আনফালে দেখিছো paper mill-ৰ Managing Director জন আমাৰ Director of Industry, এইটো কেনেকৈ হ'ব।

আমাৰ DPI যদি কোনোবা স্কুলৰ হেড্‌মাষ্টৰ হয় তেনেহলে এইটো কেনে কথা হব। এইটো অঙ্ক মই উলিয়াব নোৱাৰো মলিয়াতা তী দেব আৰু গিয়াচুদ্দিন আহমেদ ডাঙৰীয়াইহে উলিয়াব পাৰিব। গতিকে এই অৱস্থাটো থাকিব নালাগে। যিমান পৰা যায় চাব লাগে। সেইদিনা আপুনি মোক খং কৰিছিল। প্ৰমোদ গগৈ হ'লে কি হ'লহেঁতেন কব নোৱাৰো। এই অৱস্থাটো থাকিব নালাগে। আৰু এটা কথা employment Potentiality-ৰ অতি সৰু আৰু দুখলগা কথা। কৈয়েই দিও এজন মিনিষ্টাৰৰ চালা, তেওঁ Stenographar হিচাবে appointed হৈছে কিয় আমাৰ Stenographar নাই নেকি? আছে দেখোন। Stenographar জন আহিছে বেহেলাৰ পৰা। Bahala is a place of naxalites। তেওঁ অহা বাবে মই বেয়া পোৱা নাই। তেওঁ মজুমদাৰ। এই বুলি তেওঁ আঞ্চলিক উদ্যোগৰ কথা কৈছো, আপোনালোকৰ Industry-ৰ যিবিলাক বস্তু বিক্ৰী যোৱা নাই মই আপোনাক list এখন দিছিলো যোৱা বাৰ তেওঁলোকৰ যিবোৰ ক্ষুদ্ৰ উদ্যোগ হৈছিল এতিয়া যদিও নাই। সেইবিলাকক Watch কৰি যদি permit দি কিছুমান Industry ত production ছেলৰ ব্যৱসায় কৰিব পাৰে। শিক্ষা বিভাগৰ কথা অলপ কওঁ, গুৱাহাটীত এখন সংস্কৃত কলেজ স্থাপন কৰা হৈছে। সেই কলেজ কিন্তু গুৱাহাটীত নাই, কেইদিনমান Shillong road ত দেখা গৈছিল আৰু principal-ক মাজে মাজে Bus-ত দেখা গৈছিল। আৰু বৰ্ত্তমান আমাৰ শিলপুখুৰীৰ বজাৰত। এজন সংস্কৃত কলেজ পণ্ডিত, শিক্ষক আৰু ছাত্ৰ দুয়োজন একেলগে হব নোৱাৰে। আৰুসেইজন পণ্ডিতৰ অৱস্থা আমাৰ গাওঁত গৈ সংস্কৃততহে কথা কবলগীয়া হৈছে। ৫ জন শিক্ষক নোহোৱাৰ কাৰণে জেপত কলেজ খনলৈ আছে। ছাত্ৰ-ছাত্ৰী নাই। ভেলামাৰী সংস্কৃত কলেজত ল'ৰা-ছোৱালী নাই। কলেজত এজন principal আছে। তেওঁলোকে যদি faile কৰিলেহেঁতেন। তেন্তে এটা কথা ইয়াত নকলোহেঁতেন।

ইয়াৰ পাচত শিক্ষা বিভাগৰ কথা কব বিচাৰিছো Derecognition system কথা হ'ল মাষ্টাৰজন ঘূনীয়া হল ওচৰত কেৰাণী কাম কৰি আছিল। তেখেত ঘূনীয়া হ'ল। এতিয়া কথা হ'ল Inspector-ৰে স্কুলবোৰ পৰিদৰ্শন কৰে নে নাই? যদি নকৰে Derecognation কৰিব লাগে। আৰু কোন D P.I

পঠাব লাগিছিল চাই তেওঁকো Derecognation কৰিব লাগে। তেতিয়া হলে আপোনাৰ ভাল হব। সেই কাৰণে মই কৈছোঁ যে কোনো সমন্নয় নাই। যিজন D.P.I. আৰু A.D P.I আছে তেওঁলোকক ৩১ মাৰ্চ্চৰ দিনাহে ৰাখিব লাগে। কাৰণ তেওঁলোক mere a clerk. ইন্সপেক্টৰ আছে কিন্তু তেওঁলোকৰ কাম হ'ল managing কমিটি ভঙা-পতা। মই এই কথাটো ১৯৬৭ চনৰ পৰা কৈ আহিছো। Managing Committee system should be abolished। বহুত কথাই কবলগীয়া আছিল কিন্তু মই দ্বিতীয় বেলালৈ নৰও। মই মাত্ৰ নিৰন্নুৱাৰ কথাটো কৈ সামৰণি মাৰিম। আজি বৰপেটাৰ পৰা এখন wire পাইছোঁ। ৩ হেজাৰ P W.D ৰ মানুহক এৰি দিয়া হৈছে। আমাৰ বিত্তমন্ত্ৰী মহোদয়ে আকৌ ইন্দিৰা গান্ধীয়ে অমুক কৰিলে তমুক কৰিলে বুলি আগবাঢ়ি গৈ পিছপৰি থাকিল।

( At 2.17 p.m. Mr. Speaker vacated the chair and Shri Rathindra Nath Sen occupied it )

**Mr. Chairman :** For the information of the hon. Members I am just giving the names standing in the list who will participate in the debate so that they may not go out and they are available when their names are called out. They are- Shri Moneswar Boro, Shri Govinda Kalita, Shri Kamini Sarma, Shri Bhadra Kanta Gogoi, Shri Atul Goswami, Shri Bhubaneswar Barman, Shrimati Lily Sen Gupta, Shri Nakul Chandra Das, Shri Upendra Nath Sanatan and Azizur Rahman Chaudhury:

**Shri Maneswar Boro :**—চেয়াৰমেন মহোদয়, বাজেট বক্তৃতাত দেখিলো সমূহীয়া উন্নয়ন আৰু পঞ্চায়তৰ বিষয়ে ইয়াত এটা ধুনীয়া বাক্য আছে। সেইটো হৈছে "সমূহীয়া উন্নয়নৰ আঁচনিয়ে সম্প্ৰতি ৰাজ্যখনৰ সমগ্ৰ গাঁৱৰ ৰাইজকে সামৰি লৈছে।" এই কথাটো মই সমৰ্থন কৰিছো। আমি সকলোৱে চিন্তা

কৰিছিলো যে, পঞ্চায়তৰ জৰীয়তে আমাৰ ৰাইজক সা-সুবিধা কৰি দিম আৰু দেশৰ উন্নতি কৰিম। কিন্তু এতিয়া আমি পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা উন্নয়ন খণ্ডত যি খিনি ব্যৱস্থা দেখিছো তাত কেইজনমান কৰ্ম্মচাৰী সংস্থানৰ বাহিৰে আমাৰ সৰ্ব্বসাধাৰণ ৰাইজৰ একোৱেই লাভ হোৱা নাই। বৰং এইটো এটা অভিশাপৰ নিচিনাহে হৈছে। মই এই কথা এই কাৰণেই কৈছোযে, আজি পঞ্চায়তৰ নিৰ্ব্বাচন পাতি গাঁৱে-গাৱেঁ শত্ৰুতা কৰি এখন গাঁৱে আন-খন গাঁৱক দেখিব নোৱাৰা কৰিছে। আজি এই পঞ্চায়ত গঠন কৰি যিমান খিনি টকা চৰকাৰে খৰচ কৰিলে তাৰ পৰাও কোনো কাম হোৱা নাই। কাৰণ একোখন আঞ্চলিক পঞ্চায়তৰ তলত প্ৰায় এক লক্ষ মানুহ থাকে আৰু সেই মানুহৰ গড় প্ৰতি হিচাব কৰিলে দেখা যায় এক পইচা কৰিও খৰচ কৰিব পৰা নাই। কিয়নো আজি ৰাইজক খোৱাপানীৰ সুবিধাখিনিও দিব পৰা নাই।

এইবাৰ আমি দেখিছো যে, আমাৰ বাজেটত পঞ্চায়তত মাত্ৰ ১০ লক্ষ্য ২০ হাজাৰ টকা দিছে। আমি হিচাব কৰি দেখিলো যে, আমাৰ অসমত চৰকাৰী হিচাব মতেই ১২১ খন আঞ্চলিক পঞ্চায়ত আছে আৰু ২৬০২ খন গাওঁ পঞ্চায়ত আছে -এই আঞ্চলিক পঞ্চায়তত ৮৪৯০ টকা মানকৈ পৰে আৰু গাৱঁ সভাত মাত্ৰ ৪০০ টকা মানকৈ পৰে। গতিকে এই পঞ্চায়তৰ দ্বাৰা অসম চৰকাৰে ৰাইজৰ উন্নতিসাধন কৰিবলৈ যি কল্পনা কৰিছে সি একেবাৰেই সপোনৰো অগোচৰ।

দ্বিতীয় কথা হৈছে যে, আজি পঞ্চায়ত বিভাগত যি সকল চাকৰিয়াল আছে সেই সকলক চৰকাৰে স্থায়ী কৰা নাই। ফলত এই চাকৰিয়াল সকলৰ নিৰাপত্তা নোহোৱা হৈছে। এই কৰ্মচাৰীসকলৰ স্থায়ী কৰণৰ ব্যৱস্থা অতি সোনকালে কৰাটো উচিত। ইয়াৰ লগতে মই আৰু এটা কথা কবলৈ বিচাৰিছো। সেইটো হৈছে যে, পঞ্চায়তৰ লগত যি Social Education বিভাগ আছিল এইটো সাধাৰণ শিক্ষাৰ লগত যোগ দিয়াৰ কথা ওলাইছে। এই সিদ্ধান্ত অসম চৰকাৰে ১৯৭০ চনৰ ১ জানুৱাৰীৰ পৰাই লোৱাৰ কথা আছিল; কিন্তু আজিও সেইটো একো কৰা নাই। আনহাতে চৰকাৰে আৰু এটা সিদ্ধান্ত

কৈছে যে, Lady Social Education Officer বিলাকক বাদ পেলাইছে। এখেত সকলক কিয় বাদ পেলাব লগা হ'ল আমি জানিব পৰা নাই। এখেতসকলক বাদ পেলালে বৰ অন্যায় কৰা হ'ব। সেইকাৰণে এই কথাটো চৰকাৰে বিবেচনা কৰিব লাগে।

আমাৰ মুখ্যমন্ত্ৰীয়ে যোৱা কালি এটা কথা স্বীকাৰ কৰিছে যে, অসমত যি ১২০০খন L. P. School আছে সেইবিলাক লোৱাৰ কথা কৈছে। এইটো বৰ সুখৰ কথা। কিন্তু মই জনাত আমাৰ অসমত প্ৰায় ১৫০০খন মান ভেঞ্চাৰ L. P. স্কুল আছে। আজি কিছুমান স্কুলত যত ১৫০ৰ পৰা ২০০জন ছাত্ৰ আছে তাত মাত্ৰ এজন শিক্ষক আছে। এই এজন শিক্ষকে ২০০ জন ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাতো সম্ভৱপৰ নহয়। সেইকাৰণে মই কবলৈ বিচাৰিছো যে, এই এজনীয়া শিক্ষক থকা স্কুলত অন্ততঃ তিনিজনকৈ শিক্ষক নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাক যদিও মুখ্যমন্ত্ৰীয়ে আশ্বাস দিছে— সেই আশ্বাসত আমি সন্তোষিত হব পৰা নাই। বিশেষকৈ এই ব্যৱস্থাটো আমাৰ পিচপৰা অঞ্চলত অতি সোনকালে কৰি দিব লাগে। আমাৰ এতিয়া যি পিয়ল হ'ল, এই পিয়লৰ কামটো এই প্ৰাইমেৰী শিক্ষক সকলক নিয়োগ কৰিলে ১০ মাৰ্চ্চৰ পৰা ৩ এপ্ৰিললৈকে। ফলত এজন শিক্ষক থকা স্কুল বিলাক এই গোটেই দিন ধৰি বন্ধ হৈ আছে। এই ল'ৰা-ছোৱালীবিলাকৰ এই ভুমাহ ধৰি যি ক্ষতি হ'ল এইটো কেনেকৈ পূৰণ কৰা হ'ব? যেতিয়া ল'ৰা-ছোৱালীয়ে পৰীক্ষাত ফেইল কৰিব তেতিয়া শিক্ষকক দোষ দি শিক্ষকৰ Increament আদি কাটিব।

আজি ইমান বিলাক শিক্ষিত ডেকা ল'ৰা থকা সত্বেও চৰকাৰে এই কামত নিয়োগ নকৰি শিক্ষক বিলাকক নিয়োগ কৰিলে। যাৰ পৰা এই নিবনুৱা ডেকা সকলৰ কিছু সহায় হ'লহেঁতেন। আনহাতেদি আমাৰ L. P. school বিলাকত শিক্ষাৰ কাৰণে Globe, Map আদি যি সা-সৰঞ্জাম লাগে সেই বিলাক বস্তু চৰকাৰে যোগান দিব পৰা নাই। ইয়াৰ আনকি ¼ ভাগো দিব পৰা নাই। এইবস্তু বিলাক DPI অফিচে কিনি DI-ৰ জৰীয়তে ভগাই দিয়ে। সাধাৰণতে এই বস্তু বিলাক Regional Board-এ কিনে।

অৱশ্যে Purchase কমিটিৰ Member হিচাবে মোক এই বিলাক Sample চাবলৈ দিছিল। এই Sample বৰ সুন্দৰ আছিল। কিন্তু ফাৰ্মে বস্তুবিলাক দিওঁতে একেবাৰে ordinary বস্তু দিলে। সেই কাৰণে চৰকাৰে এই কথাটোৰ প্ৰতি চকু ৰাখিব লাগে।

ইয়াৰোপৰি অসম চৰকাৰে বড়োভাষা Introduce কৰিলে কিন্তু আজিলৈকে তাৰ শিক্ষকে দিব পৰা নাই। এই বিষয়ে আমি কেইবাবাৰো মুখ্যমন্ত্ৰীৰ ওচৰলৈ আহিছিলো কিন্তু আজিলৈকে একো কৰিব পৰা নাই। আনকি এই প্ৰসংগত তেওঁলোকে আন্দোলনো কৰিবলৈ বিচাৰিছে। গতিকে অতি সোনকালে ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে।

আজি চৰকাৰে বানপানী হৈ যোৱাৰ পিচত খেতিৰ সময়ত খেতিয়ক সকলক বিধানৰ যোগান ধৰিব নোৱাৰে। ফলত আজি ৰাইজে খেতি কৰিব নোৱাৰে। আজি তামোলপুৰ আদি অঞ্চলত খেতিয়কক বিধানৰ যোগান ধৰিব নোৱাৰাত ধানৰ দাম ৩০/৪০ টকালৈ উঠিছে। শাক-পাচলিৰ ক্ষেত্ৰতো সেই একেই কথা। আজি যদি খেতিয়কসকলক বানপানী হৈ যোৱাৰ লগে লগেই টকা পইচা বা বিধান আদিৰ যোগান ধৰিলেহেঁতেন তেতিয়াহলে এনেকুৱা অৱস্থাৰ সৃষ্টি নহলহেঁতেন।

**Mr Chairman :** আপোনাৰ হৈ গ'ল যদিও আৰু ২ মিনিট কওঁক।

**Sri Maneswar Boro :** জলসিঞ্চনৰ ক্ষেত্ৰত মই কবলৈ বিচাৰিছো যে আগতে আমাৰ খেতিয়ক সকলে সৰু সৰু নৈত মাজে মাজে বান্ধ দি খেতিৰ কাৰণে পথাৰলৈ পানী আনিছিল। কিন্তু এতিয়া দেখা গৈছে যে এই নদীবিলাক বান্ধ বান্ধি ৰাখিব নোৱাৰা হৈছে। সেই কাৰণেই মই চৰকাৰক অনুৰোধ কৰো খেতিপথাৰলৈ পানী আনিবৰ কাৰণে এই নদী বিলাকত বান্ধ দি চৰকাৰে ৰাইজক সহায় কৰিব লাগে। আৰু তেনে কৰি দিলেহে খেতিয়ক সকলে কাম কৰিবলৈ সুবিধা হয়। এই নৈ বিলাকত যদি বান্ধ দি পানী ৰাখিব পৰা হয় তেনেহলে ডাঙৰ নৈ বিলাকত পানী কমি যাব আৰু বানপানী হলেও ইমান প্ৰবল ভাবে প্লাবিত কৰিব নোৱাৰিব। গতিকে এই ব্যৱস্থা বিলাক সোনকালে চৰকাৰে কৰিব বুলি আশা ৰাখিলো।

লৈছে যে, Lady Social Education Officer বিলাকক বাদ পেলাইছে। এখেত সকলক কিয় বাদ পেলাব লগা হ'ল আমি জানিব পৰা নাই। এখেতসকলক বাদ পেলালে বৰ অন্যায় কৰা হ'ব। সেইকাৰণে এই কথাটো চৰকাৰে বিবেচনা কৰিব লাগে।

আমাৰ মুখ্যমন্ত্ৰীয়ে যোৱা কালি এটা কথা স্বীকাৰ কৰিছে যে, অসমত যি ১২০০খন L. P. School আছে সেইবিলাক লোৱাৰ কথা কৈছে। এইটো বৰ সুখৰ কথা। কিন্তু মই জনাত আমাৰ অসমত প্ৰায় ১৫০০খন মান ভেন্সাৰ L. P. স্কুল আছে। আজি কিছুমান স্কুলত যত ১৫০ৰ পৰা ২০০জন ছাত্ৰ আছে তাত মাত্ৰ এজন শিক্ষক আছে। এই এজন শিক্ষকে ২০০ জন ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাতো সম্ভৱপৰ নহয়। সেইকাৰণে মই কবলৈ বিচাৰিছো যে, এই এজনীয়া শিক্ষক থকা স্কুলত অন্ততঃ তিনিজনকৈ শিক্ষক নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাক যদিও মুখ্যমন্ত্ৰীয়ে আশ্বাস দিছে—সেই আশ্বাসত আমি সন্তোষিত হব পৰা নাই। বিশেষকৈ এই ব্যৱস্থাটো আমাৰ পিচপৰা অঞ্চলত অতি সোনকালে কৰি দিব লাগে। আমাৰ এতিয়া যি পিয়ল হ'ল, এই পিয়লৰ কামটো এই প্ৰাইমেৰী শিক্ষক সকলক নিয়োগ কৰিলে ১০ মাৰ্চ্চৰ পৰা ৩ এপ্ৰিললৈকে। ফলত এজন শিক্ষক থকা স্কুল বিলাক এই গোটেই দিন ধৰি বন্ধ হৈ আছে। এই ল'ৰা-ছোৱালীবিলাকৰ এই ছুমাহ ধৰি যি ক্ষতি হ'ল এইটো কেনেকৈ পূৰণ কৰা হ'ব? যেতিয়া ল'ৰা-ছোৱালীয়ে পৰীক্ষাত ফেইল কৰিব তেতিয়া শিক্ষকক দোষ দি শিক্ষকৰ Increament আদি কাটিব।

আজি ইমান বিলাক শিক্ষিত ডেকা ল'ৰা থকা সত্বেও চৰকাৰে এই কামত নিয়োগ নকৰি শিক্ষক বিলাকক নিয়োগ কৰিলে। যাৰ পৰা এই নিবনুৱা ডেকা সকলৰ কিছু সহায় হ'লহেঁতেন। আনহাতেদি আমাৰ L. P. school বিলাকত শিক্ষাৰ কাৰণে Globe, Map আদি যি সা-সৰঞ্জাম লাগে সেই বিলাক বস্তু চৰকাৰে যোগান দিব পৰা নাই। ইয়াৰ আনকি ¼ ভাগো দিব পৰা নাই। এইবস্তু বিলাক DPI অফিচে কিনি DI-ৰ জৰীয়তে ভগাই দিয়ে। সাধাৰণতে এই বস্তু বিলাক Regional Board-এ কিনে।

অৱশ্যে Purchase কমিটিৰ Member হিচাবে মোক এই বিলাক Sample চাবলৈ দিছিল। এই Sample বৰ সুন্দৰ আছিল। কিন্তু ফাৰ্মে বস্তুবিলাক দিওঁতে একেবাৰে ordinary বস্তু দিলে। সেই কাৰণে চৰকাৰে এই কথাটোৰ প্ৰতি চকু ৰাখিব লাগে।

ইয়াৰোপৰি অসম চৰকাৰে বড়োভাষা Introduce কৰিলে কিন্তু আজি-লৈকে তাৰ শিক্ষকে দিব পৰা নাই। এই বিষয়ে আমি কেইবাবাৰো মুখ্যমন্ত্ৰীৰ ওচৰলৈ আহিছিলো কিন্তু আজিলৈকে একো কৰিব পৰা নাই। আনকি এই প্ৰসংগত তেওঁলোকে আন্দোলনো কৰিবলৈ বিচাৰিছে। গতিকে অতি সোন-কালে ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে।

আজি চৰকাৰে বানপানী হৈ যোৱাৰ পিচত খেতিৰ সময়ত খেতিয়ক সকলক বিধানৰ যোগান ধৰিব নোৱাৰে। ফলত আজি ৰাইজে খেতি কৰিব নোৱাৰে। আজি তামোলপুৰ আদি অঞ্চলত খেতিয়কক বিধানৰ যোগান ধৰিব নোৱাৰাত ধানৰ দাম ৩০/৪০ টকালৈ উঠিছে। শাক-পাচলিৰ ক্ষেত্ৰতো সেই একেই কথা। আজি যদি খেতিয়কসকলক বানপানী হৈ যোৱাৰ লগে লগেই টকা পইচা বা বিধান আদিৰ যোগান ধৰিলেহেঁতেন তেতিয়াহলে এনেকুৱা অৱস্থাৰ সৃষ্টি নহলহেঁতেন।

**Mr Chairman** : আপোনাৰ হৈ গ'ল যদিও আৰু ২ মিনিট কওঁক।

**Sri Maneswar Boro** : জলসিঞ্চনৰ ক্ষেত্ৰত মই কবলৈ বিচাৰিছো যে আগতে আমাৰ খেতিয়ক সকলে সৰু সৰু নৈত মাজে মাজে বান্ধ দি খেতিৰ কাৰণে পথাৰলৈ পানী আনিছিল। কিন্তু এতিয়া দেখা গৈছে যে এই নদীবিলাক বান্ধ বান্ধি ৰাখিব নোৱাৰা হৈছে। সেই কাৰণেই মই চৰকাৰক অনুৰোধ কৰো খেতি-পথাৰলৈ পানী আনিবৰ কাৰণে এই নদী বিলাকত বান্ধ দি চৰকাৰে ৰাইজক সহায় কৰিব লাগে। আৰু তেনে কৰি দিলেহে খেতিয়ক সকলে কাম কৰিবলৈ সুবিধা হয়। এই নৈ বিলাকত যদি বান্ধ দি পানী ৰাখিব পৰা হয় তেনেহলে ডাঙৰ নৈ বিলাকত পানী কমি যাব আৰু বানপানী হলেও ইমান প্ৰবল ভাবে প্লাবিত কৰিব নোৱাৰিব। গতিকে এই ব্যৱস্থা বিলাক সোনকালে চৰকাৰে কৰিব বুলি আশা ৰাখিলো।

**Shrimati Lily SenGupta** :–মাননীয় চেয়াৰমেন মহোদয় এই বাৰৰ বাজেটত কৰৰ প্ৰস্তাব নাই, খুব সম্ভৱ মূল্যমান উৰ্দ্ধগতিৰ হোৱাৰ কাৰণেই যি সকলৰ উপাৰ্জ্জন কম কম বেতন পায়, সেই সকলক সম্ভৱ সকাহ দিবৰ কাৰণেই নতুনকৈ কোনো কৰৰ প্ৰস্তাব উত্থাপন কৰা নাই। যদি প্ৰকৃততে এই মনোভাবেৰেই বিত্তমন্ত্ৰী মহোদয়ে কোনো নতুন কৰ লগোৱা নাই তেনেহলে মই তেখেতলৈ ধন্যবাদ জ্ঞাপন কৰিছো।

প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণেই সম্পদৰাজী আহৰণ সম্ভৱ হৈ উঠা নাই। বানপানীয়ে প্ৰত্যেক বছৰেই কোটি কোটি টকাৰ শষ্য নষ্ট কৰিছে আৰু ৰাইজক ক্ষতিগ্ৰস্ত কৰি তুলিছে। এই ক্ষেত্ৰত পলমকৈ হলেও ব্ৰহ্মপুত্ৰ কমিশ্যনে কিছুমান কাম কৰিবলৈ হাতত লৈছে। বাজেট ভাষণতো বিত্তমন্ত্ৰী মহোদয়ে কৈছে যে ব্ৰহ্মপুত্ৰৰ খনন কাৰ্য্য হাতত লোৱা হব আৰু বানপানীৰ মূলউৎস উদ্ধাৰনৰ আৱশ্যকীয় তথ্য পাতি সংগ্ৰহৰ কাৰণে চেষ্টা কৰিছে। এই কথাখিনি কেৱল বাজেট বক্তৃতাতেই লিপিবদ্ধ নাথাকি যাতে কাৰ্য্যত পৰিণত হয় তাৰ কাৰণে চৰকাৰে ব্যৱস্থা লব আৰু বছৰি ক্ষতিগ্ৰস্ত হোৱা ৰাইজক উপকাৰ কৰিব।

আমাৰ ৰাজহৰ মূল উৎস হৈছে ভূমি সম্পদ। এই সদনত ভূমি নীতি সম্পৰ্কীয় বৈপ্লবিক আঁচনি গ্ৰহণ কৰা হৈছিল যদিও ভূমি পট্টনৰ ক্ষেত্ৰত হেমাহি পৰিলক্ষিত হৈছে। কাৰণ আমাৰ বহুটো ভূমি অনাবাদী হৈ আছে। এই বিলাক পট্টন দিব পাৰিলে বহু পৰিমাণৰ শষ্য উৎপাদন হব আৰু মানুহৰ আৰ্থিক উন্নতি হব। আন হাতে সংৰক্ষিত বনাঞ্চলত যিবিলাক অনাবাদী মাটি আছে সেই বিলাক যদি লীজ হিচাপে অকল সৰিয়হকে খেতি কৰিবলৈ অনুমতি দিয়া হয় তেতিয়া হলেও ইমান চৰা দামত দুখীয়া, মধ্য বিত্ত মানুহ বিলাকে মিঠাতেল কিনি খাব নালাগিলহেঁতেন। আৰু ৰাইজে দুপইচা পালেহেঁতেন। অকল সেই নহয় চৰকাৰেও এই লীজৰ পৰা ৰাজহ পালেহেঁতেন।

চেয়াৰমেন মহোদয়, মই এই সদনত বহুবাৰ এই কথাই কৈছো যে বনাঞ্চলৰ যি বিলাক অনাবাদী মাটি সেই বিলাক খেতিৰ কাৰণে মুকলি

কৰি দিব লাগে। অৱশ্যে এই কথাও সচাঁ নহয় যে এই মাটি বিলাকত মানুহে খেতি কৰা নাই। যি ব্যৱস্থাত তেওঁলোকে নিজে কৰি লৈ খেতি কৰিছে ; কিন্তু সেই ব্যৱস্থাৰ পৰা অলপ হেৰফেৰ হলেই বনবিভাগৰ বিষয়াই জুই লগাই বা অন্য উপায়েৰে নষ্ট কৰি পেলাই। মই এই বিলাক যাতে নহয় আৰু সেই মাটি বিলাক যাতে থিক মতে কামত লগাব পাৰে তাৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

আমাৰ ৰাজ্যত কিছুমান অনুন্নত জিলা বা অঞ্চল উন্নত কৰাৰ কথা কৈছে। কিন্তু কি ধৰণেৰে এই অঞ্চল বিলাক অনুন্নত বুলি গণ্য বা ধাৰ্য্য কৰা হৈছে সেই কথা বাজেটত কোৱা নাই। প্ৰত্যেক জিলাই নানান ক্ষেত্ৰত অনুন্নত অবস্থাত আছে যেনে শিক্ষা, নগৰ পৰিকল্পনা, জনস্বাস্থ্য, কৃষি, শিল্প পৰিবহন ইত্যাদিত পিচপৰি আছে। এই অনুন্নত অঞ্চল বিলাক উন্নত কৰাৰ কাৰণে যদি সেইদৰে গণ্যকৰি কাম হাতত লোৱা হয় তেনেহলে তাৰ কাৰণে তথ্য পাতি আদি সংগ্ৰহ কৰি আবশ্যকীয় ব্যৱস্থা হাতত ললে এই বিলাক বৈষম্য দূৰ হব বুলি আশা কৰা যায় আৰু তেতিয়া হলেহে ৰাইজৰ প্ৰকৃত উপকাৰ হব।

আমাৰ ডিব্ৰুগড়ৰ বহুতো ভিতৰুৱাল গাওঁ অঞ্চল বহুতো মিনিষ্টাৰে ভ্ৰমণ কৰা নাই আৰু সেই বিলাকৰ ভিতৰুৱা অৱস্থা বহুতে নাজানে। আলিৰ দাঁতিয়ে দাঁতিয়ে বিস্তৃৰ্ণ চাহ বাগিচাৰ বা নামঘৰৰ সাৰ কাৰখানা দেখি মন্তব্য কৰে যে এই জিলাখন সঁচাকৈ উন্নত। কিন্তু বাস্তৱত তাৰ বিপৰীত। এই জিলাৰ মানুহে সকলো খাদ্য সম্ভাৰ আৰু অন্যান্য দৈনন্দীন ব্যৱহাৰ্য্য সামগ্ৰী ৰাজ্যখনৰ সকলো ঠাইতকৈ বেচিমূল্যত কিনবলগীয়াত পৰে। গাখীৰ বুলিবলৈ নাই। যি অলপ আছে সিয়ো খাতি নহয়, আৰু অলপিয়া অৰ্জনৰ মানুহৰ কাৰণে দুস্পাপ্য। মানুহৰ ক্ৰয় শক্তি কমি গৈছে। শিল্পক্ষেত্ৰত যি সকলে কাম কৰে তেওঁলোকে হয়তো টকা অৰ্জন কৰিছে সঁচা কিন্তু পৰিকল্পনামতে কৃষিৰ উৎপাদন কৰিব নোৱাৰাৰ কাৰণে সেই অৰ্জন অলপীয়া।

পৰিবহন ব্যৱস্থাৰ সম্পৰ্কত মই এই কথাই কব খুজিছো যে এই ব্যৱস্থা একেবাৰেই সন্তোষ জনক নহয়। ৰেলেৰে ইয়ালৈ আহিবলৈ দুই দিন লাগে।

টেক্সী আদিও আহিবলৈ হলেও ৩০০/ ৰ কম নহয় আৰু যিটো সৰ্ব্বসাধাৰণে নাই কৰিব নোৱাৰে। ৰাজ্যিক পৰিবহন নিগমৰ যি বিলাক বাছ ডিব্ৰুগড়ত দিয়ে সেই বিলাক ভঙা-চিঙা। আজি এই ৰাজহ যোগান ধৰা জিলাখনৰ অবস্থা এনেকুৱা। বাহিৰৰ পৰা অহা মানুহে কয় যে ডিব্ৰুগড় নগৰ ব্যৱসায়ীক কেন্দ্ৰ। চাহৰ নগৰ আৰু এই জিলাই চৰকাৰী ভৰাললৈ যথেষ্ট ৰাজহ আগবঢ়াই কিন্তু তাৰ বিনিময়ত চৰকাৰৰ ফালৰ পৰা আমি একো পোৱা নাই। গতিকে এই বৈশম্যৰ দূৰীকৰণৰ অৰ্থে চৰকাৰক মই অনুৰোধ কৰিলো।

ৰাজ্যৰ মূল চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি কৃষিমূলক আঁচনিবোৰ অধিক ব্যাপকভাবে সম্প্ৰসাৰণ কৰিব লাগে। এই বিষয়ত এইবাৰ কৃষি নিগমে সহায় কৰিবলৈ আগবাঢ়ি অহাত আমাৰ আশা হৈছে যে, কৃষকৰ উন্নতি হব। বেঙ্ক ৰাষ্ট্ৰীয়কৰণৰ পিচত তাৰ পৰা সাহায্য দিয়াৰ কথা কোৱা হৈছে যদিও সেই ব্যৱস্থাবিলাক পৰিকল্পিতভাবে লব পৰা নাই। আনহাতে বহুতো অৱস্থাপন্নলোকে এই সুবিধা আদায় কৰিছে। সৰ্ব্বসাধাৰণ মানুহে এই-বিলাক সুবিধা পোৱা নাই আৰু সেই সুবিধা বিচাৰিলেও তাৰ কোনো উৱাদিশ নাপায়। আচলতে এই মানুহবিলাকেহে নতুন আঁচনি অনুসৰি সকলো প্ৰকাৰৰ সা-সুবিধা পোৱা দৰ্কাৰ। গতিকে এই আঁচনিবিলাকৰ পৰা ৰাইজ উপকৃত হবলৈ চৰকাৰে সকলো প্ৰকাৰৰ সহায় কৰিব লাগিব।

আমাৰ চৰকাৰে প্ৰত্যেক বছৰে ঘৰ ভাৰাৰ বাবদ কিমান অৰ্থ ব্যয় কৰিবলগীয়া হয় ইয়াৰ উত্তৰটো বিত্তমন্ত্ৰীয়ে দিলে আমি ভাল পাম।

আমাৰ ডিব্ৰুগড় লক্ষীমপুৰৰ প্ৰায়বিলাক অফিচেই ব্যক্তিগত মানুহৰ ঘৰত ভাড়া কৰি আছে। ডিব্ৰুগড়ৰ court বিল্ডিংটোত যিটো বৃটিছৰ দিনতে সজা তাত অকণমান বহিবলৈ ঠাই নাই। অফিচৰ বাবে ঠাই নাই, মানুহৰ দাবী চাহিদা অনুপাতে একো সুবিধা নাই। প্ৰতিটো ঘৰতে ৪০০/৫০০ টকাকৈ মাহেকত ভাড়া দি আছে। ফলত যিবিলাক দুখীয়া শিক্ষক বা অন্যান্য কৰ্মচাৰী আছে তেওঁলোকৰ ভাড়া ঘৰত থকাৰ উপায় নোহোৱা হৈছে। আৰু আনহাতে ব্যক্তিগত কিছুমান ধনী মালিকসকলক ধনী কৰা হৈছে।

আমাৰ চৰকাৰে লাহে লাহেও যদি এই ২০ বছৰত ঘৰ সাজিলেহেঁতেন তেনেহলে ভাড়াবিলাক বাচি গ'লহেঁতেন।

( সময়ৰ সংকেট )

তাৰ পিচত আমাৰ এটা Housing Deppt. বুলি এটা Deppt. আছে। এই Deppt. বোলে ঘৰ সাজিবৰ কাৰণে ঋন দিয়ে। এই ঋন পায় এনেকুৱা মানুহে যাৰ দহটা ঘৰ ইতিমধ্যে সাজিছে তেওঁলোকেহে ঘৰ সাজিবলৈ পইছা পায়। আমাৰ কোনোবা বিধবা বা মধ্যবিত্ত শ্ৰেণীৰ লোকে যদি ঋন বিচাৰে তেনেহলে তাৰ প্ৰতিশ্ৰুতি আমি দিব নোৱাৰো। আমাৰ ওচৰলৈ এনেকৈ কম উপাৰ্জন পোৱা মানুহ আহিলে তেওঁলোকক আশ্বাস দিব নোৱাৰো। দুই তিনি বছৰ হৈ যায় খৰছ কৰাথিনিও নষ্ট হৈ যায় গতিকে আঁচনিবোৰ কাৰ্য্যকৰী কৰিবৰ কাৰণে জিলাত এজন S.D.C. কিয় দিয়ে মই ভাবি নেপাওঁ। মই ভাবো এইবিলাকৰ কাৰণে জিলা পৰ্য্যায়ত একোখন কমিটি কৰি দিব লাগে আৰু তেওঁলোকে যোগ্যতা অনুসাৰে বিতৰণ কৰিব। ৰাজহুৱা কমিটিয়েহে লিষ্টবিলাক অনুমোদন কৰিব লাগে। নহলে কোনো দুখীয়াই এই সেৱাৰ সুযোগ নেপায়।

( সময়ৰ সংকেট )

আমাৰ আঁচনিবিলাক চিলঙতেই আৱদ্ধ হৈ আছে। মই ভাবো জিলা পৰ্য্যায়ত একোখন শক্তিশালী কমিটি কৰিলে আঁচনিবিলাক কাৰ্য্যকৰী কৰিবলৈ সুবিধা হব নহলে মানুহৰ বৰ অসুবিধা হৈছে কাৰণ কোনোৱে কব নোৱাৰে যে কোনো এটা কাম ভৈয়ামৰ পৰা আহি এদিনতে এবাৰতে কৰি লৈ গৈছে। গতিকে জিলা কমিটিৰ বৰ প্ৰয়োজন হৈছে এইদৰে শ্বিলঙৰ অফিচাৰসকলকো ৰেহাই দিয়া হ'ব আৰু আমিও অফিচে অফিচে কাগজ বিচাৰি হাৱাথুৰি খাব নেলাগে।

( সময়ৰ সংকেট )

গাওঁ আৰু নগৰ পৰিকল্পনা বুলি এটা বিভাগ আছে। এই বিভাগে কিছু কিছু কাম কৰিছে যদিও প্ৰয়োজন অনুসাৰে কোনো কামেই হোৱা নাই। আমাৰ বিত্তমন্ত্ৰী মহোদয়ে সাৱলীল ভাষাৰে কলেও আমি বিশ্বাস নকৰো।

মিউনিচিপালীটিয়ে ৰাস্তাৰ ওচৰৰ আবৰ্জনাবোৰ আঁতৰাবৰ কাৰণে কোনো চেষ্টা কৰা দেখা নাই। লেট্ৰিনবিলাকও চাৰ্ভিচ লেট্ৰিন হৈয়ে আছে।

তাৰ পিছত ইলেক্ট্ৰিফিকেচনৰ কথা কব খুজিছো। আমাৰ ডিব্ৰুগড়ত প্ৰত্যেক গধূলী ৮ বজালৈ লাইট নজ্বলে। প্ৰতিদিনে টেলিফোন কৰিহে আনিব লাগে। ফলত পৰীক্ষাৰ্থীসকল বিপদত পৰিছে। এই সম্পৰ্কে অলপতে ডিব্ৰুগড় ইউনিভাৰচিটি কৰ্টৰ মিটিঙটো নিন্দা কৰাৰ কথা আমাৰ মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই জানে। এয়া হ'ল Assam Electricity। ইলেক্ট্ৰিচিটি ডিব্ৰুগড়, যি এজন ব্যক্তিৰ, সেইটো আজিলৈকে চৰকাৰে A.C. লৈ convert কৰিব নোৱাৰিলে, ই বৰ দুখৰ কথা।

যাহওক মোৰ বহুত কথা কবলগীয়া আছিল। সময়ৰ অভাৱত কব নোৱাৰিলো, ইয়াকে কৈ মই সামৰণি মাৰিলো।

Shri Gobinda Kalita :—চেয়াৰমেন মহোদয় বিত্তমন্ত্ৰী ডাঙৰীয়াই ১৯৭১-৭২ চনৰ ৪৪ কোটি ঘাটি টকা বাজেটখন ডাঙি ধৰিছে। সেই বাজেটত ৰাজ্যখনৰ প্ৰকৃত ছবি ডাঙি ধৰিব পৰা নাই। বিত্তমন্ত্ৰী ডাঙৰীয়াৰ বাজেটত বেচি ভাগেই অসত্য আৰু বিভ্ৰান্তিকাৰক। এই বাজেটে ৰাইজক অলপো আশাৰ সঞ্চাৰ কৰিব পৰা নাই বৰং হতাশহে কৰিছে।

Shri Kamakhya Prasad Tripathi (Minister, Finance) :—চাৰ, অসত্য কথাটো পাৰলিয়ামেণ্টাৰী হয়নে নহয়?

Shri Govinda Kalita :—বিত্তমন্ত্ৰী ডাঙৰীয়াই প্ৰয়োজনীয় খাদ্য বস্তুৰ ওপৰত যি দাম বৃদ্ধি হৈছে তাক ৰোধ কৰাৰ কাৰণে কোনো কথাকে উল্লেখ কৰা নাই। বিত্তমন্ত্ৰী মহোদয়ে কৰ আদায় কৰাৰ কথা কৈছে কিন্তু বিক্ৰী কৰ সোধোৱাৰ কোনো প্ৰমাণ পত্ৰ দিব নোৱাৰে। তেখেতে কৈছে যে যিবিলাকে চেলচটেক্স দিয়া নাই তেওঁলোকৰ পাৰমিট নাকচ কৰা হৈছে। মই জানো ইয়াৰ ওলোটাটোহে হৈছে। অসমলৈ যিবিলাক এটক কোটাৰ চেনী আহে তাৰ পাৰমিট পায় বেচি ভাগ চেলচটেক্স নিদিয়া মানুহেই।

Shri Kamakhya Prasad Tripathi :—চেনী অকল পাৰমিটতে নাহে ফ্ৰি চেনীও আহে।

Shri Govinda Kalita :—তাৰ পিছত মই কব পাৰো এইটো কথা যে নবেম্বৰ মাহৰ পৰা আজিলৈ যি হাজাৰ হাজাৰ মেট্ৰিকটন চেনি অসমলৈ আহিছে তাৰ বেচিভাগ Permit তেই মালচান্দ মতিলাল নামৰ ফাৰ্মক দিছে। এই মানুহজনৰ কেইবাটাও ভিন-ভিন নামত বেনামী ফাৰ্ম আছে আৰু তেওঁৰ বাকী পৰি থকা Sales tax ও ফাইনেঞ্চটেক্সৰ সংখ্যাত লাখৰ টকা হব। মই জনাত অলপতে Hight Court এ তেওঁৰ ওপৰত ফাইনেঞ্চটেক্সৰ decree জাৰি কৰিছে। অথচ তেওঁৰ ফাৰ্মবিলাকক বেলেগ নামত চেনী আৰু অন্যান্য বস্তুৰ আমদানি Permit দিয়া হৈছে। বেলেগ বেলেগ নামত ফাৰ্ম ৰখাৰ প্ৰকৃত কাৰণ আন একো নহয় মাত্ৰ Sales tax ও Finance tax ফাঁকি দিয়াৰ কাৰণেই এই চমৎকাৰ বেপাৰ।

বাজেট বক্তৃতাত আমাৰ দেশৰ ক্ৰমবৰ্দ্ধমান নিৱনুৱা সমস্যা সমাধান কল্পে কোনো ছৱি তেখেতে দাঙি ধৰিব পৰা নাই। আজি ৰাজ্যত দিনে দিনে বাঢ়ি আহা নিৱনুৱাৰ প্ৰকৃত হিচাব তেখেতে ডাঙি ধৰিব পৰা নাই। দিনে দিনে বাঢ়ি অহা নিৱনুৱা সকলে অধৈৰ্য্য হৈ Employment Exchange ৰ ওপৰতে আক্ৰমণ চলাই হাঙ্গামাৰ সৃষ্টি কৰিছে। যোৱা ১০/৩/৭১ তাৰিখে গুৱাহাটীত হোৱা ঘটনালৈকে আঙুলিয়াব পাৰি। গতিকে এই ক্ষেত্ৰত চৰকাৰক মই কব খুজিছো চৰকাৰে যেন আমাৰ ৰাজ্যত যিমান বিলাক নিৱনুৱা আছে সেই আটাই বিলাকৰে সঠিক হিচাব উলিয়াই এই সমস্যা সমাধান কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগে আৰু যেতিয়ালৈকে চৰকাৰে তেওঁলোকক কাম দিব নোৱাৰে তেতিয়ালৈকে এই বেকাৰ বিলাকক এটা ভাট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

কৃষি উৎপাদনৰ ক্ষেত্ৰত অৱশ্যে আমাৰ চৰকাৰ ব্যৰ্থ হোৱাৰ কথাটো চৰকাৰে নিজে স্বীকাৰ কৰিছে। অসমত কৃষি প্ৰধানকৈ প্ৰকৃতিৰ ওপৰত হে নিৰ্ভৰশীল। আমাৰ চৰকাৰে জলসিঞ্চনৰ ক্ষেত্ৰত যিবিলাক আঁচনি লৈছে লাগিলে সি মজলীয়াই হওঁক বা ক্ষুদ্ৰই হওঁক আটাইবোৰ ব্যৰ্থ হৈছে। বাৰিষাকালত পানী থাকে আৰু খৰালী হলে পানী শুকাই যায়। ইয়াৰ ফলত আমাৰ ৰাজ্যত দিনে দিনে খেতি কমি গৈছে। আৰু সাৰ আৰু বীজৰ দাম বৃদ্ধি হৈ গৈছে আৰু গৰীব খেতিয়কে কিনিব নোৱাৰা হৈছে।

ভূমি-সংস্কাৰৰ ক্ষেত্ৰত আজি বহুত বিলাক আইন হৈছে যদিও সেই বিলাক আইন কাৰ্য্যকৰী হোৱা নাই। ৰাজ্যৰ ভূমি সংস্কাৰ বিভাগে কেৱল ফাঁকি দি যিসকলৰ চিলিঙত যোৱা মাটি বেআইনীভাবে বিক্ৰী কৰিছে সেইবোৰহে তেওঁলোকে regular কৰাৰ চেষ্টাত আছে। মাত্ৰ কেই খনমান tractor আনি ৰাইজক দেখুৱায়েই Green Revolution কৰা নেযায়। বৰং ইয়াৰ ফলত আমি দেখিছো যে কৃষক বা তলতীয়া ৰাইজক উচ্ছেদ কৰাৰহে সুবিধা হয় ফলত কৃষি বেকাৰৰ সংখ্যা আৰু বৃদ্ধি পাইছে। ৰাজ্যত আজি অসংখ্য মাটি নোহোৱা মানুহ আছে। সেই লোক সকলক মাটি দিয়াৰ কোনো ব্যৱস্থা চৰকাৰে কৰা নাই। বৰং বিত্তমন্ত্ৰী মহোদয়ে কটাক্ষ কৰি কৈছে যে আমাৰ অসমত নক্সালপন্থীয়ে বৈপ্লৱিকভাৱে মাটি দখল কৰাৰ চেষ্টা চলাইছে আৰু তাৰ ফলস্বৰূপেই আজি ৰাজ্যৰ আইন শৃঙ্খলাৰ অৱনতি ঘটিছে। আজি অসমত নক্সালপন্থীয়ে ভূমি দখলৰ আন্দোলন কৰা নাই। কৰিছে Communist Party য়ে, কৰিছে S. S. P. য়ে, কৰিছে P. S. P. আদি অন্যান্য পাৰ্টিয়েহে। যদি সেইবিলাক পাৰ্টিকে নক্সালপন্থী বুলি কৈছে তেন্তে সেইটো বেলেগ কথা। তাৰ পিচত ধৰ্ম্মীয় দাতব্য অনুস্থান বিলাকৰ পৰা বহুখিনি মাটি অধিগ্ৰহণ কৰা বুলি বিত্তমন্ত্ৰীয়ে কৈছে আৰু তাৰ হিচাবো দিছে। কিন্তু বৰ্ত্তমান চৰকাৰৰ আমোলা সকলৰ সাহায্যত এই ধৰ্ম্মীয় অনুস্থান বিলাকৰ নামত লক্ষ লক্ষ টকাৰ সম্পতি ৰাখি আছে। এই কাৰ্য্যত তেওঁলোকে যে সহায় কৰি আছে তাৰ প্ৰতি চৰকাৰে অলপো নজৰ দিয়া নাই। এই ক্ষেত্ৰত মই আপোনালোকক এটা উদাহৰণ দিব খুজিছো। কামাখ্যা দেৱালয়ৰ কাৰণে মালিগাঁৱত আৰু Railway Colony ৰ ওচৰত মাটি লৈছে। তাৰ কাৰণে কামাখ্যাই লাখ টকা ক্ষতিপূৰণ পায়। টকা কিন্তু সংশ্লিষ্ঠ দলৈক নিদি চৰকাৰে trustee-fund ৰ Chairman-District Judge ৰ হাতত দিয়ে। তাৰ পিচত এই টকাও মাৰোৱাৰী ব্যৱসায়ী-জুমৰ মল জৈন-যি জন নেকি Pipe-scandal ৰ প্ৰধান নায়ক তেওঁ সৰকালে। দেৱালয়ৰ পাণ্ডা প্ৰমথ নাথ শৰ্ম্মাক হাত কৰি কলে যে আমি মাটি কিনো কামাখ্যাৰ নামত। গুৱাহাটীৰ ফাঁচি বজাৰত মাটি কিনাৰ কাৰণে trustee তিনি লাখ টকা লৈ আছে। তাৰ

পিছত ঘৰ বন্ধাৰ কাৰণেও ২ লাখ টকা উলিয়াই নিলে। এইদৰেই চৰকাৰী ৫ লাখ টকা গ'ল। কিন্তু সৰ্ব্বশেষত পকাঘৰ বন্ধাৰ কাৰণে অনুমতি পালে জুমৰ মল জৈনে। কামাখ্যাই নহয়। Guwahati Development Authority য়ে দিয়া order টোৰ Ref. No আৰু Subjectmatter টো মই দিছো No GDA/BP/626/65/11 dated September 1966 from : Chairman Guwahati Development Authority to Jumar mal Jain. Sub :—No objection certificate for construction of a two storied R. C. C. building. সেই সময়ত Guwahati Development Authority ৰ Chairman আছিল Kamrup District ৰ Deputy Commissioner Shri Anil Choudhury.

তাৰ পিছত সহায়িকাতকৈও এটা প্ৰকাণ্ড Building হ'ল। কিন্তু এই building ৰ টেক্স মিনিচিপালিটিক কোনেও নিদিয়ে। অৱশেষত মিনিচিপালিতিয়ে ক্ৰোকী দিলে। Municipality tax মাফৰ কাৰণে সেই পাওাই আহি Municipality office ত tax মাফৰ কাৰণে দৰ্খাস্ত দিয়ে। আনকালে ঝুমনমল জৈনে কামাখ্যাৰ ৰায়ত বুলি কৈ টেক্স কামাখ্যাইহে দিব লাগে বুলি D. C ৰ ওচৰত দৰ্খাস্ত কৰে আগৰ Development Chairman Anil Choudhury এই govt ৰ D. C.। আৰু এই D. C. য়ে এই দৰখাস্তৰ ওপৰত হুকুম দিয়ে যে মিনিচিপালতিক টেক্স কামাখ্যায়হে দিব লাগিব। "The Executive Officer, Guwahati Municipality, P. O. Guwahati, -Dear Sir, Sub : Municipal Tax for the years 1967 and 1968 for the Holding New No 66 Ward 5 S.R.-C.B. Road Guwahati -I beg to inform you that the ' Goddes Kamakhya" is owner of the above mentioned holding i. e. Land and Building Shri Jhumarmal Jain is tenants only in the monthly rental @ Rs. 525/- per month. He already paid the rent for the year 1967 and 1968.

Therefore, I request you to kindly exempt the tax for the above holding as the other Gods properties are getting same.

I hope that you will consider the matter as prayed.

Sd : Promoth Nath Sarma ( Doloi )

Office of the Deputy Commissioner, Kamrup, Guwahati Judicial Branch-Order passed by Deputy Commissioner dated 30.4.70 on the Appeal petition filed by Shri Jhumarmal Jain dated 13.1.70 - 30-4-70 : The petitioner Shri Jhumarmal Jain appears and he has filed the agreement dated 15th June/62 between the Dolois of Kamakhya temple and the petitioner. In the agreement it is clearly stipulated that the petitioner is only a tenant of the building and its premises on a rental of Rs. 525/- per month to the Dolois representing the Kamakhya temple. It has also been stipulated in the aforesaid agreement that the Dolois on behalf of the Kamakhya temple shall remain liable for Municipal Taxes.

Thus, as per agreement, the municipal taxes cannot be realised from the tenant petitioner in addition to the monthly rental payable by him to the Kamakhya Temple.

It is therefore ordered that the D/W shall be served on the two Dolois of Kamakhya temple for realisation of the arrears. Meanwhile orders should issue in the petitioner that he shall forthwith cease to pay the monthly rental to the Dolois directly and instead pay the rental to the E.O. Guwahati Municipality and obtain receipts from him till the entire arrear is liquidated and the same is adjusted against any sum realised from the two said Dolois of Kamakhya temple ..........,

গতিকে এই এজন অফিচাৰ, যি জনৰ হাতত development ৰ ভাৰ দিছিল, সেই অফিচাৰ জন D. C. হৈ এই order টো দিছে। ইয়াৰ ভিতৰত যিবিলাক ৰহস্য লুকাই আছে সেই ৰহস্যবিলাক উদ্ধাৰ কৰাৰ ব্যৱস্থা কৰা নাই। তাৰ পিচত আনটো কথা হ'ল আমাৰ বিত্তমন্ত্ৰীয়ে কৈছে যে চৰকাৰে আমাৰ দেশৰ গৰু-ছাগলী, হাঁহ-কুকুৰা আদিৰ উন্নয়নৰ কাৰণে বিশেষ যত্ন লৈছে আৰু যাতে বেমাৰ নিবাৰণ কৰিব পৰা যায় তাৰ কাৰণে ছিতা প্ৰস্তুত কৰিছে আৰু এইবিলাক প্ৰচাৰ হৈছে। ঔষধ, ছিতা তৈয়াৰ কৰিছে; কিন্তু তাৰ দ্বাৰা জন্তু মাৰিছেনে ভাল কৰিছে? এই ছিতাই অসংখ্য হাঁহ-কুকুৰা ইত্যাদি মাৰি ধ্বংস কৰিছে। এই বিষয়ে মই পঢ়ি দিছো—

Office of the Project Officer
Intensive Eggs and Poultry Production cum
Marketing Centre, Tezpur.

No. CPT/G-14/299 dated Tezpur the 24th June, 1970.

From : Shri R. N. Brahma
Project Officer, Intensive Eggs and
Poultry Production cum Marketing Centre, Tezpur.

To : Severe reaction of R. D. vaccine in the North Bank Poultry Farm and Dist. Poultry Farm Tezpur.

Sir,

As per instruction of the District A. H. & Vety Offices, Tezpur I am sending here with 2 Nos. of vaccinated birds against R. D. showing severe reaction and one birds unvaccinated for your examination and necessary action. The results of finding or any comments over this matter may kindly be communicated to all concerned.

Yours faithfully,

Project Officer Intensive Eggs and
Poultry Production cum Marketing
Centre, Tezpur.

তাৰ পিছত এই সম্পৰ্কে এটা টুৰ ডায়েৰী পঢ়ি দিছোঁ—

Tour diary of S. A Halim A.R.O. Biological Products Section, Assam, Gauhati in connection with his visit to Tezpur during the month of July 1970.

I have visited the North Bank Poultry Farm and District Poultry Farm, Tezpur on 3rd and 4th July/70. in connection with reaction hazard following vaccination of birds with Mukteswar R & B. Strain of Ranikhet disease vaccine. During the period of my stay at Tezpur I met and had discussions with the district Animal Husbandry and Veterinary Officer, Tezpur, Project Officer (Crash) Manager District Poultry Farm and V A.S. I/C, Veterinary Hospital, Tezpur. The following observation were recorded.

In North Bank Poultry Farm where Hy-line birds are maintained, death due to reaction is reported to be 35% from the total stock of about 900 birds and in districts Poultry Farm where W/L RIR and Austrolup birds are reared the reaction is 15-20% without any death. All reacted birds of this farm returned to normalcy within 3-5 days.

এই ৰিপোৰ্ট মতে বাঢ়িছে। কিন্তু আমি দেখিছো যে ছিতাৰ দ্বাৰা চৰাই চিৰকতি মৃত্যু হৈছে, যাৰ ফলত আমাৰ চৰকাৰৰ বহু টকা লোকচান হৈছে।

মাদক দ্ৰব্য নিবাৰণ সংক্ৰান্তত কব খুজিজো যে মদৰ প্ৰচলন বেছিহে হৈছে, আবকাৰী বিভাগৰ কৰ্মচাৰী সকলে মদ বেছিকৈ খায়। ২৭।২।৭১ তাৰিখে মই বৰঝাৰ বিমান কোঠলৈ ঘটা ঘটনা এটালৈ আঙুলিয়াইছো। আবকাৰী বিভাগৰ inspector শ্ৰীমুৰলীধৰ বৰকটকীক বিলাতী মদ ৰখাৰ কাৰণে গুৱাহাটীৰ আয়ুক্ত আৰু উপায়ুক্তই গ্ৰেপ্তাৰ কৰিছে। আবকাৰী বিভাগৰ বিষয়াসকলে মদৰ দোকানীৰ লগত চহৰবিলাকত মাহেকীয়া চুক্তি কৰি লৈছে।

আজি আমাৰ চাউলৰ দাম বাঢ়ি গৈছে তাৰ কাৰণে চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। বিত্তমন্ত্ৰীয়ে কৈছে যে আমাৰ ৰাজ্যত ৯ হেজাৰ ২শ খন সুলভ মূল্যৰ দোকান আছে। কিন্তু যোৱা ডিচেম্বৰ মাহৰ পৰা চাউল যোগান ধৰা নাই। বানপানী, গৰাখহনীয়া, শিলাবৃষ্টি আদিত যি কৃষকে ঋণ লৈছিল, সেইখিনি মাফ দিব লাগে। কাৰণ তেওঁলোকৰ ঋণ পৰিশোধ কৰাৰ ক্ষমতা নাই।

**Mr. Chairman** :–Mr. Bora, আপুনি ১০ মিনিটত শেষ কৰিব পাৰিবনে? আপোনাৰ পাৰ্টিৰ পৰা সময় দিয়া নাই।

**Shri Soneswar Bora** :- মাননীয় চেয়াৰমেন মহোদয়, আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াৰ বাজেট বক্তৃতা আৰু বাজেটখন অধ্যয়ন কৰি চাইছো। স্বাধীনতাৰ পিচত ২২ বছৰে এই একেধৰণৰ বাজেট বক্তৃতা আৰু বাজেট সদনত বিত্তমন্ত্ৰী সকলে উত্থাপন কৰি আহিছে। কংগ্ৰেছে সমাজবাদৰ ঘোষণা কৰাৰ পিচতো এইবাৰো শ্ৰীত্ৰিপাঠী ডাঙৰীয়াই সেই একেধৰণৰ বাজেট এখন দাঙি ধৰিছে। আমি আশা কৰিছিলো হয়তো এখন সঁচাকৈয়ে সমাজবাদৰ বাজেট পুৰাকৈয়ে কৰিব নোৱাৰিলেও অন্ততঃ তুৱাৰ দলিত ভৰি দিয়া চেষ্টা কৰিব। কিন্তু সেই আশা পূৰণ কৰিব নোৱাৰিলে, আমাৰ জনসাধাৰণৰ আগত এনে এখন বাজেটত আশাৰ ৰেঙনি ত্ৰিপাঠী ডাঙৰীয়াই দেখুৱাব নোৱাৰিলে। আমাৰ এটা কথা আছে।

"বাঘক চাব নেলাগে বোন্দাক চোৱা"

চাইনবৰ্ডত আমাৰ দেশৰ বিভিন্ন ঠাইত লিখা আছে– বিশেষকৈ ৰেল ষ্টেচনত, জাহাজ ষ্টেচনত, মটৰ ষ্টেচনত, air ষ্টেচনত, এই বুলি যে –জেপকটাৰ পৰা সাৱধান, পকেট মৰা আপোনাৰ পিচ পিচে আছে। আকৌ কিছুমান দোকানত লিখা আছে - ইয়াত ভাল ঘিউ পোৱা যায়, ইয়াত ভাল গাখীৰ পোৱা যায়, খাটি গাখীৰ আছে। তাৰ মানে বেয়া গাখীৰো আছো। এই ধৰণৰ চাইনবৰ্ডবোৰ দেখিলেই চৰকাৰৰ কংগ্ৰেছী সমাজবাদৰ স্বৰূপটো দেখা পোৱা যায়।

বিত্তমন্ত্ৰী মহোদয়ে, তেখেতৰ বাজেট বক্তৃতাত নিবনুৱা সমস্যাৰ ক্ষেত্ৰত বেচি উদ্বেগ প্ৰকাশ কৰিব পৰা নাই। তেখেতে বেচিকৈ কৰ্মকেন্দ্ৰী কৰাৰ কথা কৈছে। এই প্ৰসংগত মই এটা কথা কব খুজিছো যে, বিশেষকৈ বিত্ত-মন্ত্ৰী ডাঙৰীয়াক জনাব খুজিছো - যদি সমাজবাদী ব্যৱস্থাৰে সঁচাকৈ সমাজ

চলাবলৈ বিচাৰে তেতিয়াহলে চৰকাৰে কেন্দ্ৰীয় ক্ষমতা লাহে লাহে কমাই আনিব লাগিব আৰু সমাজৰ হাতত দেশব সমাজ ব্যৱস্থা এৰি দিব পাৰিব লাগিব। যিমান সোনকালেই এই সমাজ পৰিচালনাৰ ব্যৱস্থা সমাজৰ হাতলৈ দিব পৰা যায় সিমান সোনকালেই সমাজবাদ প্ৰতষ্ঠা হব। সমাজবাদ কৰিবলৈ হলে আজিৰ সমাজত চৰকাৰৰ এজেণ্ট হিচাবে গঠিত পঞ্চায়ত সমূহ উঠাই দিব লাগিব। আজি সমাজবাদী সমাজ প্ৰতিষ্ঠা কৰিবলৈ হলে মানুহক সঁচাকৈ কৰ্ম্মকেন্দ্ৰী কৰিবলৈ হলে চৰকাৰে এনেকুৱা এটা নীতি তৈয়াৰ কৰিব লাগিব যি নীতিৰ দ্বাৰা নিবনুৱা সমস্যা আদি সমাধান হব পাৰে। আজি দেশত সমগ্ৰ ল'ৰা-ছোৱালীৰ শিক্ষাব পৰিবৰ্ত্তন কৰি কাৰীকৰি শিক্ষাৰ জৰীয়তে শিক্ষিত কৰি তুলিব লাগিব। স্বাধীনতাৰ আগৰে পৰা আৰু স্বাধীনতাৰ পাচৰ এই ২৪ বছৰে দেখা গৈছে যে, আমাৰ দেশত যিটো শিক্ষা প্ৰণালী সেই শিক্ষা প্ৰণালীয়ে দেশৰ এচাম মানুহ বিশেষকৈ কাম কৰিব পৰা কিছুমান ডেকা-গাভৰুক প্ৰণালীৱদ্ধ ভাবে নিবনুৱা কৰি পেলাইছে। স্কুল কলেজবোৰ নিবনুৱা সৃষ্টিৰ কাৰখানাৰ দৰে হৈ পৰিছে। আজিৰ শিক্ষা পদ্ধাত সমাজবাদৰ পৰিপন্থী। এইনীতিৰ দ্বাৰা আমাৰ দেশত সমাজবাদী সমাজ প্ৰতিষ্ঠা নহব। এই শিক্ষানীতি পৰিবৰ্ত্তন কৰিবই লাগিব। আজি চাকৰিৰ কাৰণে Technical School, কৃষিকলেজ, Engineering College, Poly-technique হৈছে। কিন্তু এইবোৰে মাত্ৰ কলম চলাবৰ কাৰণেহে আৰু চাকৰিমুখী কৰিহে মানুহ তৈয়াৰ কৰিছে। দেশৰ সকলো স্কুলতে যাতে আলসতে ল'ৰা-ছোৱালীক অৰ্থাৎ সহজতে কাৰিকৰী শিক্ষা দিব পৰা হয় তাৰ ব্যৱস্থা কৰিব পাৰিব লাগিব। নহলে অকল বক্তৃতাৰে নহব। কিন্তু সেই কাম কৰিবলৈ প্ৰেৰণা যোগাব লাগিব। এইদৰে কৰ্ম্মকেন্দ্ৰী শিক্ষা দিবলৈ নুন্যতম সুবিধাখিনিৰ সুবিধা দিব লাগিব। তেতিয়া আমি ভাবিম যে চৰকাৰে সমাজবাদৰ কাৰণে আগবাঢ়ি গৈছে।

আজি নগা সীমান্তত বৰ অস্বস্তিকৰ অৱস্থাৰ সৃষ্টি হৈছে। বাজেটত নগা সীমান্ত ৰক্ষি পুলিচৰ নামত বৰ ডাঙৰ সংখ্যাৰ টকা ধৰা হৈছে। খৰছো বহুত ইতিমধ্যে কৰিলে। কিন্তু সীমা হলে ৰক্ষা কৰিব পৰা নাই।

ডিফু, বঙমাই ৰিজাভ আদিত আমাৰ পুলিচে এচাহী মাটিও নগাৰ পৰা

উদ্ধাৰ কৰিব পৰা নাই। আমাৰ চিপাহী-চন্দ্ৰবীয়ে তাত একো কাম কৰিব পৰা ন.ই। আজি দৈয়াং Reserve ত আমাৰ কিছুমান খেতিয়কে মাটি ভাঙি দখল কৰি আছে গতিকে নগা সোমোৱাত বাধা দি আছে ৰাইজেই। যদি নগা পুলিচে ৰাস্তাইদি আহি তাত পুলিচ চকী পাতিছে আমাৰ বহুতো খেতিয়কে তাত যুঁজ কৰি আছে। আটাইতকৈ দুৰ্ভাগ্যৰ কথা যে, অসম চৰকাৰে দৈয়াং Reserve ত নগা সীমান্তত আজি ৪ বছৰে ১ মাইল Belt ত মানুহ বহুৱাবৰ কাৰণে ব্যৱস্থা কৰিছে। যোৱা ২৫ ডিচেম্বৰৰ পৰা প্ৰায় ৬০০ পৰিয়ালক তালৈ সংস্থানৰ কাৰণে মতা হ'ল। কিন্তু আজি ৪ মাহেও সেই ৬০০ পৰিয়ালক তাত সংস্থাপন সম্পূৰ্ণ কৰিব পৰা নাই। তাত মণ্ডল, কানুনগো. S D C আদি সকলো আছে কিন্তু কাম হলে হোৱা নাই। তাত মানুহ কিছুমান লিষ্ট কৰি দিয়া আছে আৰু কিছুমানৰ লিষ্ট S D C. জনে নিজেই কৰিছে। বৰ্ডাৰৰ এই মাটি বন্দোবস্তী দিয়াত খুব দুৰ্নীতি হোৱাৰ খবৰ পোৱা গৈছে। এতিয়া চিলংত যদিও জাব আমাৰ ভৈয়ামত টিকা ফটা ব'দ। এই ব'দতো অনেক মানুহে ডাঙৰ ডাঙৰ এৰি কাপোৰ গাত লৈ আহি S D.C জনৰ পিছে পিছে ঘূৰি ফুৰে। কাপোৰৰ তলত মদৰ বটল আৰু হাহঁ কুকুৰাৰ কনি লৈ আহে আৰু S D C ক যতে পায় তাতে এইবিলাক দি মাটিৰ মালিক হৈ যায়। ফলত যোৱা ১০।১২ বছৰ ধৰি যি বিলাক মানুহে এই মাটি দখল কৰি নগাৰ লগত যুঁজ কৰি আছে আৰু নগাৰ পৰা সীমান্ত ৰক্ষা কৰি আছে সেইসকল মানুহে অনেকেই এতিয়া মাটি পোৱা নাই। অন্য মানুহৰ পৰা ঘোচ খাই এই মাটি দি দিছে। মই এই সংক্ৰান্তত, বিধান সভাত প্ৰশ্নও দিছো —এতিয়ালৈকে উত্তৰ অহা নাই। এই সংক্ৰান্তত যদি আজি Wire লেজ কৰে তেতিয়াহলেও গম পাব।

ইয়াৰোপৰি বাজেটত কুটীৰ শিল্পৰ বিষয়ে উল্লেখ কৰি 'লেটা' শব্দটো আনিছে। শব্দৰ অৰ্থ নাজানিলে আনিব নাপায়। আজি চৰকাৰে মুগা খোল এৰি খোলা কাক কয়, লেটা কাক কয় তাকো নাজানে। লেটা বস্তুটো হৈছে বিটো এৰি বা মুগাৰ খোলাৰ ভিতৰত থাকে সেই পোকৰ দৰে বস্তুটোহে। সুতা থকা খোলাটো নহয়। এতিয়া চৰকাৰে লেটা বেচিছেনে মুগা এৰিৰ খোলা বেচিছে?

চৰকাৰে বাজেটত মদ নিবাৰণৰ কথা কৈছে। এই সম্পৰ্কত চৰকাৰে টেকচান্দ Texan Committee গঠন কৰিছিল আৰু এই Committee-ৰ Report মতে ৪ ভাগ পদ্ধতিৰে মানুহক মদ খোৱাৰ পৰা এৰুৱাব বুলি কৈছে। প্ৰথম ২৩% ভাগলৈ কমাব, দ্বিতীয়তে ১০% ভাগলৈ, তৃতীয়তে ৫% ভাগলৈ আৰু শেষত একেবাৰে মদৰ শক্তি কমাই দিব। আৰু বাহিৰে মদ খাবলৈ এৰিব। ই প্ৰণালীটোকে আমাৰ অসম চৰকাৰেও এতিয়া মানিছে। কিন্তু এটা কথা মদ জানো দেশৰ মাত্ৰ এসাইতহে উৎপাদন হয় বা নিয়ন্ত্ৰণতহে হয় যে চৰকাৰে এইদৰে ভাগ কৰি কৰি কমাই আনি মানুহক মদ এৰুৱাব। টেকচান্দ কমিটিৰ Report কাৰ্য্যকৰী নহয় আৰু হবও নোৱাৰে। মদ মানুহে ঘৰে ঘৰে তৈয়াৰ কৰিব পাৰে। গতিকে মদৰ অপকাৰিতাৰ ওপৰত আন্দোলন হব লাগে। যদি মদ এৰুৱাব খোজে। এনেকৈ চৰকাৰে মদৰ শক্তি কমাই দাম বঢ়াই দিয়াত বৰং মানুহে বাহিৰৰ মদৰ প্ৰতি বেছিহে আকৃষ্ট হৈছে আৰু ফলত মানুহ জুৰুলা হৈ পৰিছে। বাজেটত Texan Committee-ৰ মতে মদ নিবাৰণ হোৱা বুলি কৈছে যদিও সেইটো হোৱা নাই।

ইয়াৰোপৰি আদালতৰ বিচাৰ চোচঁৱাৰা নিয়মটো বৰ বেয়া হৈছে। কাৰণ সৰু সৰু একোটা গোচৰ যি বিচাৰ ৫।৬ দিনত শেষ কৰিব পাৰে সেই বিচাৰ আজি ৫।৬ বছৰ পৰ্য্যন্ত লাগি যায়।

আজি তৰণী, উকীল, Magistrate আদি সকলোৰেই ঘোচ পায়। গোটেই দেশখনতে এইটো চলিছে। আজি যদি বিচাৰৰ ক্ষেত্ৰতো এনেকুৱা হয় তেতিয়াহলে মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য ৰক্ষা কৰিব নোৱাৰে। বহুত Magistrate বা Munsiff-ক চৰকাৰী ঘৰ দিব পৰা নাই। সাধাৰণতে ধনী মানুহৰ ভাৰা ঘৰতে হাকিম সকল থাকিব লগা হয়। আৰু যদি ভাৰা ঘৰ দিয়া কোনো লোকৰ সেই মেজিষ্ট্ৰেট বা পুলিচজনৰ আদালততে গোচৰটো বিচাৰ হব লগা আৰু সেই মানুহজন যদি কেতিয়াবা দোষীও হয় তেতিয়াহলেও Magistrate জনৰ এনেয়ে দুৰ্ব্বলতা আহিব পাৰে। চৰকাৰে অনেক ধনেই খৰচ কৰিছে কিন্তু মেজিষ্ট্ৰেট বা পুলিচসকলৰ কাৰণে লগা ঘৰকেইটা চৰকাৰী হিচাবে সাজিব নোৱাৰাটো দুৰ্ভাগ্যৰ কথা।

কালি শ্ৰীভাগৱতী ডাঙৰীয়াই তেখেতৰ ভাষণত কৈছিল যে বিত্ত মন্ত্ৰীয়ে যি খিনি টকা পাইছে তাকেহে আমাৰ আগত দিব পাৰে। এইটো তেখেতে কি অৰ্থত কলে মই বুজি পোৱা নাই। অৱশ্যে অসমৰ যি ৰাজহ বা উপাৰ্জ্জন তাৰে ৰাজ্যিক চৰকাৰৰ কৰ্ম্মচাৰী সকলৰ দৰমহা দিবলৈকে নাটে। এনে অৱস্থাত সমাজতান্ত্ৰীক সমাজ ব্যৱস্থাৰ বাজেট কেনেকৈ হব? অকল বক্তৃতাৰেই আমাৰ চৰকাৰে সমাজবাদ কৰিব খুজিছে।

আজিৰ যান্ত্ৰিক আৰু বৈজ্ঞানিক যুগত আমাৰ খেতিয়কসকল আজিও বতৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। কাৰণ বতৰ খৰাং হলে পানী যোগান ব্যৱস্থা নথকাৰ কাৰণে আমি খেতি কৰিব নোৱাৰো। এনে অৱস্থাত চৰকাৰী কৰ্ম্মচাৰী সকলে বা প্ৰজেক্ট অফিচাৰ সকলে খেতি কৰিবলৈ বক্তৃতা দি ফুৰিলে ক্ষতি হব? বক্তৃতাই বৰষুণ বা জলযোগান নিদিয়ে। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ বেলিকা আমাৰ চৰকাৰে যদি পাকিস্তান চৰকাৰৰ লগতে অৱশ্যে বৰ্ত্তমান বাংলাদেশ চৰকাৰক স্বীকৃতি দি এটা মীমাংসাত আহিব পাৰিলে ব্ৰহ্মপুত্ৰ কমিশ্যন সংক্ৰান্তত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাৰ্য্য সাফল্যমণ্ডিত হব। চীন চৰকাৰৰ লগতো সু-সম্পৰ্ক গঢ়ি নুঠিলে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ সম্ভৱ হয়টো নহব।

(সময়ৰ সংকেত)

কৃষিৰ উন্নতিৰ কাৰণে অকল ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ নামত ব্ৰহ্মপুত্ৰক খান্দিলেই যথেষ্ট নহব। এই আয়োগে ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰে যি বিলাক সৰু সৰু উপনদী আছে যেনে ধনসিৰী, কাকডোঙা, দয়াং, কপিলি আদি নৈ আছে সেই বিলাক নিয়ন্ত্ৰণ কৰিব পাৰিলে খৰালি খৰাং বতৰত পানীৰ যোগান অব্যাহত ৰাখি শস্য উৎপাদন কৰিব পৰা হব। এই সৰু উপনৈ বিলাক উৎপত্তিৰ ঠাইত বা পাহাৰৰ বুকুতে নিয়ন্ত্ৰণ কৰিলে জল সিঞ্চনৰ ব্যৱস্থা অতিৰ ভাল হব। ব্ৰহ্মপুত্ৰও নিয়ন্ত্ৰণ হব।

(সময়ৰ সংকেত)

এই ধৰণৰ ব্যৱস্থা ললে বিত্তমন্ত্ৰীৰ বাজেট ভাষনত উল্লেখিত বুল ডজাৰ দি ব্ৰহ্মপুত্ৰৰ তলি খণ্ডাৰ ব্যৱস্থাতকৈ ব্যয়ৰ পৰিমান কম হব। গতিকে এই সৰু সৰু নৈ বিলাক উৎপত্তিৰ স্থলতে নিয়ন্ত্ৰণ কৰি দেশৰ মঙ্গল আৰু

ৰাইজৰ কল্যানৰ কাৰণে কৃষি কাৰ্য্যত লগাব লাগে। এই কথাকেই মই পুনৰ চৰকাৰক কৈ এই আঁচনিবিলাক কাৰ্য্যকৰী কৰিবলৈ অনুৰোধ জনালো। সমাজবাদ এনেকৈহে আহিব।

**Shri Nakul Chandra Das** : মাননীয় চেয়াৰমেন মহোদয়, মই এই কথাত সন্তোষ প্ৰকাশ কৰিছো যে, আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই ৪৪ কোটি টকাৰ ঘাটি বাজেট লৈয়ো অসমৰ দৰিদ্ৰ জনসাধাৰণৰ ওপৰত কোনো নতুন কৰ কাটল বহুৱাৰ ব্যৱস্থা কৰা নাই।

আমাৰ মাননীয় সদস্য শ্ৰীযুত ভাগৱতী ডাঙৰীয়াই পৰামৰ্শ আগবঢ়োৱাৰ দৰে প্ৰত্যেক বছৰে বাজেটৰ লগত ৰাজ্যখনৰ এটা ৰাজনৈতিক পৰিস্থিতিৰ সমিক্ষা আগবঢ়ালে ৰাজ্যখনৰ অৱস্থা আৰু পৰিস্থিতি উপলব্ধি কৰিবলৈ সুবিধা হয়। আশা কৰো বিত্তমন্ত্ৰী ডাঙৰীয়াই এই কথালৈ দৃষ্টি দিব।

চেয়াৰমেন ডাঙৰীয়া, আমাৰ ৰাজ্যখনৰ ব্যয়ৰ চাহিদা আৰু উপাৰ্জ্জনৰ সীমাবদ্ধতা এই দুয়োটা দিশলৈ চাই ভাৰসাম্য ৰক্ষা কৰিবৰ কাৰণে যথেষ্ট চিন্তা কৰি বাজেট কৰিলে সফল হব পাৰে। বাজেট ভাষণৰ ২৫ পৃষ্ঠাত উল্লেখ আছে যে "ৰাজ্য চৰকাৰে অৱস্থাৰ উন্নতি সাধিবলৈ পাৰ্য্যমানে প্ৰচেষ্টা চলোৱা সত্বেও ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতি অসন্তোষজনক হৈ আছে"—চেয়াৰ-মেন ডাঙৰীয়া; ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতিৰ কিছু উন্নতি কৰিব পৰা যায় নেকি সেই বিষয়ে মই কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। সেই কেইটাৰ ভিতৰত ১মটো হৈছে বিত্তীয় প্ৰশাসনীক ব্যৱস্থা চৰকাৰে কঠোৰ আৰু কট-কটীয়া কৰক। বিলাসীতা বৰ্জন কৰি মিতব্যয়িতাৰ কাৰণেহে ব্যৱস্থা লওক। দ্বিতীয়তে চৰকাৰৰ উপৰি গধুৰ প্ৰশাসনিক ব্যৱস্থাটোৰ পৰা হাত সাৰিবলৈ চেষ্টা কৰক। তৃতীয়তে প্ৰবল বেগে বাঢ়ি অহা ৰাজ্যৰ নিবনুৱা সমস্যা সমাধানৰ কাৰণে আৱশ্যকীয় আঁচনি লৈ সেই বিলাক নিয়োগমুখী কৰক। চতুৰ্থতে অসম চৰকাৰৰ কৰ বিভাগটোৱে আন্তৰিকতাৰে আৰু কঠোৰভাৱে দায়িত্ব পালন কৰি অনাদায়ী কৰ কাটল আদায় কৰিবলৈ চেষ্টা কৰক আৰু যি সকলে কৰ ফাঁকি দিয়ে বা দি আহিছে তেওঁলোকৰ পৰা কেনেকৈ অনাদায়ী কৰ আদায় কৰিব পাৰি তাৰ ব্যৱস্থা গ্ৰহণ কৰক। আমাৰ কৰ বিভাগে ৰাজ্যখনৰ দৰিদ্ৰ

জনসাধাৰণৰ অৱস্থা উপলব্ধি কৰি কৰ ফাঁকি দিয়া সকলৰ পৰা আৰু বেচি কেনেকৈ কৰ আদায় কৰিব পাৰি তাৰ উপায় অৱলম্বন কৰি অনাদায়ী ৰাজহ সংগ্ৰহ কৰক আৰু তেওঁলোকে যাতে ভৱিষ্যতে কৰ ফাঁকি নিদিয়ে অথবা আদায় নিদিয়ে তাৰ কাৰণে চেষ্টা কৰক। ৰাজ্যত যি বিলাক শিল্পপতি আছে তেওঁলোকৰ অনাদায়ী কৰ Incentive দি হলেও আদায় কৰাৰ ব্যৱস্থা কৰক।

তাৰ পাচত ভূমিৰ ক্ষেত্ৰত ভূমি সংস্কাৰ কৰি উৎপাদন বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিলে এহাতে চৰকাৰৰ ৰাজহ বৃদ্ধি হব আৰু সেই সংস্কাৰ কৰা ভূমিৰ ওপৰত যি উৎপাদন হব তাৰ পৰা ৰাইজৰ আৰ্থিক দুৰাৱস্থা দূৰ হব। আজি তৌজীবাহীৰ যি বিলাক মাটি আছে সেই বিলাক ভূমিহীন খেতিয়কক পট্টন দিলে ৰাইজৰ উৎপাদন বৃদ্ধি হব আৰু আৰ্থিক দুৰবস্থাৰ উন্নতি হব। একচনীয়া মাটি বিলাক বিঘাই প্ৰতি ৫ টকা ফিজ দি ম্যাদি কৰাৰ যি ব্যৱস্থা কৰা হৈছে সেই ব্যৱস্থাৰ কাৰণে এটা নিৰ্দ্ধাৰিত দিন বান্ধি দি ম্যাদি কৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু সেই বিলাক মণ্ডল কাননগুলৈ নিদি প্ৰত্যেক বছৰে খাজানাৰ লগত আদায় কৰিব পাৰিলে ৰাজহৰ অৱস্থা টনকিয়াল হব। ইয়াৰ উপৰিও আমাৰ বহুতো বনাঞ্চল অনাবাদী হৈ আছে আৰু বেদখল হৈ আছে, V.G.R, P.G.R. যি বিলাক আছে সেই বিলাকৰে বহুতো বেদখলী হৈ আছে। সেই বিলাকৰ যথোচিত ব্যৱহাৰ হলে আৰু সেই বিলাক ভূমিহীন কৃষক বা খেতিয়কক পট্টন দিয়াৰ ব্যৱস্থা কৰিলে এহাতে দৰিদ্ৰ কৃষক সকল উপকৃত হব, উৎপাদন বাঢ়িব আৰু আনহাতে চৰকাৰৰ ৰাজহ বৃদ্ধি হব। আশা কৰো এই বিষয়ত আমাৰ বিত্তমন্ত্ৰী আৰু ৰাজহ মন্ত্ৰী ডাঙৰীয়াই তৎপৰতা অৱলম্বন কৰিব। আমাৰ সমস্যা বিলাকৰ ভিতৰত নিবনুৱা সমস্যাই ৰাইজৰ সামাজিক আৰু আৰ্থিক জীৱন পঙ্গু কৰিছে। আমাৰ শিক্ষিত নিবনুৱাৰ সমস্যা সমাধানৰ কাৰণে বাস্তব মুখী পৰিকল্পনা নললে নিবনুৱা সমস্যাই ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱন দুৰ্ব্বল হব আৰু তাৰ ফলত আমাৰ গাঁৱলীয়া জীৱন আৰু গ্ৰাম্য জনশক্তি অলস হৈ পৰিব। এই বৃহৎ জনশক্তি কিদৰে বাস্তৱৰ অগ্ৰসৰ পথত অংশীদাৰ কৰি লব পাৰি আৰু কি দৰে এই কৰ্ম্মশক্তিৰ কাৰ্য্যত নিয়োগ কৰিব পাৰি তাৰ সকলো ব্যৱস্থা লব লাগিব। নহলে উঠি অহা শিক্ষিত নিবনুৱা ডেকা সকলৰ শোচনীয় অৱস্থা দেখিলে দুখ লাগে।

সেই কাৰণে মই আজি চৰকাৰক বিশেষভাবে অনুৰোধ কৰো যেন আমাৰ বৰ্ত্তমান যিবিলাক Industrial Training Institute আছে তাত আমাৰ যুৱকসকলক Training দি উদ্যোগমুখী কৰি তুলিবলৈ ব্যৱস্থা কৰে। বৰ্ত্তমান যি হৈছে তাৰ দ্বাৰা প্ৰয়োজনীয় নিবনুৱা সমস্যা দূৰ হব নোৱাৰে, সেই কাৰণে মই হাঁহ-কুকুৰা পোহা, P.C. culture, Horti culture ইত্যাদিৰ Training-ৰ ব্যৱস্থা গাওঁ অঞ্চলত হব লাগে বুলি অনুৰোধ জনাওঁ। I.T.I.ৰ পৰা আমাৰ কিছু-মান Motor বা Radio Mechanic হব কিন্তু তাৰ দ্বাৰা প্ৰয়োজনীয় নিবনুৱা সমস্যাৰ সমাধান হব নোৱাৰে। সেইকাৰণে এইবোৰৰ ওপৰত বেচি গুৰুত্ব দিব লাগিব। এই ধৰণৰ প্ৰশিক্ষণৰ ব্যৱস্থা প্ৰতি মহকুমাই মহকুমাই হব লাগিব। মোৰ বিশ্বাস অসমীয়া ল'ৰাই স্বাৱলম্বী হবলৈ বিচাৰে। তেওঁলোকে চৰকাৰৰ পৰা টকা লৈ ধুতিচোলা পিন্ধিব নোখোজে গামোছা পিন্ধিব নোখোজে। তেওঁ-লোকৰ প্ৰত্যেকৰে কাৰণে ৫ টকাকৈ দিলেও যথেষ্ট। সেই কাৰণে মই উদ্যোগৰ ক্ষেত্ৰত Agro Based Industry-ৰ ওপৰত গুৰুত্ব আৰোপ কৰো। কুটিৰ শিল্প যদি ভালদৰে কৰিব নোৱাৰো তেনেহলে গ্ৰাম্য নিবনুৱা সমস্যা সমাধান হব নোৱাৰে। অসমৰ ৮০ ভাগ লোক গাৱঁত থাকে। এই বিলাকৰ কথা নাভাবি ডাঙৰ ডাঙৰ Industry কৰিলে দেশৰ অৰ্থনৈতিক সমস্যা সমাধান নহব। উদ্যোগৰ ক্ষেত্ৰত কব পাৰো যে আমাৰ যিটো ভূমি সমস্যা উদ্ভৱ হৈছে সেইটো দূৰ কৰিব লাগিব কাৰণ কৃষিজাত শিল্প নিৰ্ভৰ কৰে যথাযথ ভূমিৰ ওপৰত। আমাৰ যিবিলাক পিছপৰা অঞ্চল আছে যেনে মঙ্গলদৈ মহকুমা তাত স্বাধীনতাৰ ২৫ বছৰৰ পিছতো এটা উদ্যোগ নহল ইয়াতকৈ আৰু দুখৰ কথা থাকিব পাৰেনে? Shri L N Misra-ৰ নেতৃত্বত public sector-ত যি Jute Mill পাতিবৰ ব্যৱস্থা কৰা হৈছে সেই Mill যেন খাৰুপেটিয়াত পতা হয়। আমাৰ মঙ্গলদৈ মহকুমা মৰাপাটৰ বাবে বিখ্যাত আৰু ইয়াত উৎপন্ন হোৱা মৰাপাটৰ অধিকাংশই কলিকতালৈ গুচি যায়। সেই কাৰণে মই উদ্যোগ মন্ত্ৰীক বিনীতভাৱে অনুৰোধ কৰিলো এই বিষয়ে যেন দৃষ্টি দিয়ে। তদুপৰি মঙ্গলদৈ মহকুমাত যথেষ্ট পৰিমানৰ এড়ি মুগা উৎপন্ন হব গতিকে petro-chemical আঁচনিৰ লগত মঙ্গলদৈৰ কথাও বিবেচনা কৰি চোৱা হয়। মই অন্যান্য সদস্য সকলৰ সময় লব নোখোজো। কবলৈ বহুতো কথা থাকিল। ইয়াতেই শেষ কৰিলো।

Shri Kamini Mohan Sarma :—মাননীয় Chairman মহোদয়, বিত্ত-মন্ত্ৰী মহোদয়ে এই সদনত যিখন বাজেট ডাঙি ধৰিছে সেইখন এখন গতানুগতিক বাজেট হৈছে। এই বাজেট দেখি আমি হতাশ হৈছো। এই বাজেটত চৰকাৰী যন্ত্ৰটো পৰিচালনা কৰা চাকৰিয়াল সকলৰ দৰ্মহা দিয়া ব্যৱস্থাৰ বাহিৰে একো নাই, কৃষক জনসাধাৰণ গৰীব সাধাৰণ পৰিয়ালবৰ্গ ইয়াৰ পৰা কিবা উপকৃত হব বুলি মই বিশ্বাস নকৰো। আমাৰ ৰাজ্যত ভূমিনীতিৰ যি যথাযথ ব্যৱস্থা থাকিব লাগিছিল সেইটো এই বাজেটত আমি দেখিবলৈ পোৱা নাই। অসম চৰকাৰে ভূমি পট্টন নীতি এই সদনত ১৯৬৮ চনত যি ঘোষণা কৰিছিল আমি ভাবি-ছিলো অসমৰ ভূমিহীন কৃষক ৰাইজে যথা-যথ ভাৱে মাটি পাব আৰু কৃষি উৎপাদন বাঢ়িব অসমৰ খাদ্য সংকট দূৰ কৰিব পাৰিব। কিন্তু সেইটো হোৱা নাই কাৰণ ভূমিহীন কৃষকে যেতিয়া নিজৰ জীৱিকা উলিয়াবৰ কাৰণে পতিত মাটি ভাঙি কৃষি কাম আৰম্ভ কৰিলে সেই সময়তে চৰকাৰে ভূমিহীন খেতিয়কক উচ্ছেদ কৰিলে। এই বিলাক খেতিয়কে জনে চাফ কৰি মাটি আবাদ কৰি ফচল তুলিবৰ সময়ত তেতিয়াহে তেওঁলোকক উচ্ছেদ কৰিলে। উত্তৰ-কামৰূপ বগাজখাট বিজা-ৰ্ভত ৰঙিয়া, নলবাৰী, কমলপুৰ, হাজো circle-ৰ বহু ভূমিহীন খেতিয়কে যি সময়ত বুকুৰ তেজেৰে ধানখেতি সৰিয়হখেতি কৰিলে সেই বিলাক কম দামতে চৰকাৰে বিক্ৰী কৰিলে তেতিয়াই তেওঁলোকক উচ্ছেদ কৰি দিয়া হল আৰু তেওঁ-লোকৰ কাৰণে মাটিৰ কোনো বন্দবস্ত কৰা নাই। পৰিয়ালবোৰ উপায়হীন অৱস্থাত পৰিছে। ভূমিনীতিৰ আমূল পৰিৱৰ্ত্তন কৰিব লাগে যাতে প্ৰকৃত ভূমিহীন কৃষক পৰিয়ালে মাটি পাব পাৰে। অধিক শস্য উৎপাদনৰ কাৰণে এই ভূমিৰ ওপৰত বিজুলীকৰণৰ দ্বাৰা কৃষিৰ ব্যৱস্থা হব লাগে। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত শেষ গাৱ খনলৈকে বিজুলীকৰণ হৈ গ'ল কিন্তু অসমৰ কেইখন গাৱত বিজুলিকৰণ হৈছে। বিজুলী শক্তিৰ যোগেৰে পথাৰত জলসিঞ্চন কৰি বাৰমাহে পানীৰ ব্যৱস্থা কৰিব নোৱাৰালৈকে উন্নত ধৰণৰ খেতি হব নোৱাৰে। তদুপৰি Filter point Tubewell আৰু Dip Tubewell বহুৱাই পানীৰ ব্যৱস্থা কৰিব লাগিব যাতে খৰাং বতৰটো কৃষকে ২টা ফচল কৰিব পাৰে। নদী সমূহতো বহু যন্ত্ৰৱাই বিজুলী শক্তিৰ দ্বাৰা পথাৰ সমূহত পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব পাৰি। এই ব্যৱস্থা ভাল ভাৱে কৰিব লাগে যাতে নিবনুৱা সমস্যাও কিছু লাঘব আৰু দেশত উৎপাদনো বাঢ়িব।

আজি এই চৰকাৰে বানপানী নিয়ন্ত্ৰন কৰিব পৰা নাই। বান নিয়ন্ত্ৰনৰ নামত মাত্ৰ গৰীব খেতিয়ক সকলক আৰু অসমৰ জনসাধাৰণক বছৰৰ পাচত বছৰ ধৰি সৰ্ব্বস্ৰান্ত কৰা হৈছে। আজি ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ কমিচন হৈছে—আমি স্বাগতম জনাইছো। কিন্তু আজিলৈকে কাৰ্য্য ক্ষেত্ৰত সৰু নৈ এখনৰো বান নিয়ন্ত্ৰণৰ নামত এই চৰকাৰ কৃতকাৰ্য্য হ'ব পৰা নাই। উদাহৰণ স্বৰূপে, মহোদয়, মই কব বিচাৰিছো যে; মোৰ অঞ্চল ৰঙিয়া সমষ্টিত পুঠিমাৰী, নলবাৰীৰ পাগলা দিয়া, বৰলীয়া নদীয়ে ৰঙিয়া সমষ্টিৰ হাজো অঞ্চলকে প্ৰতি বছৰে মঠাউৰি ভাঙি খেতি পথাৰ ঘৰ দুৱাৰ। প্লাৱিত কৰি পেলায়। কিন্তু এই নদী কেইখনৰ বানপানী চৰকাৰে নিমন্ত্ৰণ কৰিব পৰা নাই। এতিয়ালৈকে সম্পূৰ্ণ ভাৱে মথাউৰি সমূহ সজা নহল। খেতিৰ বতৰ পৰিবৰ্ত্তন কৰিবৰ বাবে চৰকাৰে চিন্তা কৰিব লাগে আৰু এই উদ্দেশ্যে, কৃষকসকলে বৰো ধানৰ খেতি যাতে খৰালি মাহতে কৰিব পাৰে তাৰ বাবে পানী যোগানৰ ব্যৱস্থা কৰিব লাগে। বিজুলী শক্তিৰ সহায়েৰে নদীৰ পৰা পানী আনি খেতিৰ পথাৰত যোগান ধৰিব পাৰিলে উন্নত প্ৰণালীৰে খেতি কৰি অধিক শস্য উৎপাদন কৰিব পৰা হব। বৰ্ত্তমানৰ খেতি কৰাৰ যি পদ্ধতি, সেই পুৰণা পদ্ধতিৰ যদি পৰিবৰ্ত্তন সাধন কৰিব পৰা হয় তেতিয়াহলে আমাৰ দেশত দিনে-দিনে বাঢ়ি অহা নিবনুৱা সমস্যাৰ কিছু লাঘব হব। মাননীয় বিত্তমন্ত্ৰী মহোদয়ে নিবনুৱা সকলৰ প্ৰতি বিশেষভাৱে অনুভৱ কৰা যেন অনুমান নহল। তেখেতে এই ক্ষেত্ৰত "চকুত তেল দি" কন্দা যেনহে মোৰ অনুমান হৈছে। আমাৰ দেশৰ শিক্ষিত আৰু অশিক্ষিত এই সকলো নিবনুৱা লোকক লৈ দেশখনৰ গঠন মূলক কামত কেনেকৈ তেওঁলোকক লগোৱা হব, তেওঁলোকৰ সহায়ত কিদৰে অসম মাতৃক গঢ়ি তুলিব পাৰিব এইটোৰ এটা স্পষ্ট আঁচনি আজি আমি এই বাজেটত পাব লাগিছিল। অতি সোনকালে এই আঁচনি হব লাগে। কিন্তু তেনে ধৰণৰ কোনো আঁচনিয়েই আজিৰ এই বাজেটত পৰিলক্ষিত হোৱা নাই। আজি স্বাধীনতাৰ প্ৰায় ২৪ বছৰ হল কিন্তু এই নিবনুৱা ডেকাসকল দেশৰ গঠন মূলক কামৰ পৰা বঞ্চিত হৈ আছে। আজি নক্সালাইটৰ কথা কৈছে, নিবনুৱা সমস্যা সমাধান কৰাৰ কথা কৈছে—কিন্তু আজি এই কথা কাগজৰ পাতত কলেই নহব উঠি অহা ডেকা শক্তিক দেশৰ কামত নিয়োগ কৰিব লাগিব, তেওঁলোকক নিৰাপত্তা দিব

লাগিব, আৰু লাগিব দেশ মাতৃক সেৱা কৰাৰ সুবিধা। ইয়াৰবাবে আজি আমাক লাগিব এখন সু-পৰিকল্পিত আঁচনি। তেতিয়াহে আমি আমাৰ দেশক উন্নতিৰ পথত আগুৱাই নিব পাৰিম।

চেয়াৰমেন মহোদয়, মই আজি এইটোকে কব বিচাৰিছো যে, আমাৰ বিভিন্ন ঠাইত প্ৰতিৰক্ষা বিভাগে খেতিৰ মাটি মানুহৰ বাসস্থানৰ নানা গাওঁ অধিগ্ৰহণ কৰি নষ্ট কৰিছে আৰু এইদৰে আমাৰ ৰাজ্যৰ বহুতো পৰিয়ালক উচ্ছন্ন কৰিছে। নানা পৰিয়াল বিপদগ্ৰস্ত হৈছে। এই প্ৰতিৰক্ষা বিভাগে মাটি অধিগ্ৰহণ কৰাৰ ক্ষেত্ৰত, ৰাজ্যিক চৰকাৰে সুস্থিৰ ভাৱে মনোযোগ দিয়া নাই আৰু কোনো স্বস্থ নীতি গ্ৰহণ কৰা নাই। সেইবাবেই আজি প্ৰতিৰক্ষা বিভাগে মাটি অধিগ্ৰহণ কৰিছে, গৰীব পৰিয়াল বৰ্গক খেদি দি জোৰ জুলুম কৰি মাটি অধিগ্ৰহণ কৰি লৈছে -কিন্তু সেই মাটিৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা যথাযথ ভাৱে এতিয়ালৈকে এই চৰকাৰে দিয়াৰ ব্যৱস্থা কৰা নাই। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে, মোৰ ৰঙিয়া সমষ্টিটো Military Camp হৈছে, নকুল সাহান, চেণ্ডি গাৱৰ বহু পৰিয়াল বিপদগ্ৰস্ত হৈছে। কমলপুৰ, তামোলপুৰতো Military Camp হৈছে এইদৰে অসমৰ বিভিন্ন অঞ্চলত Military Camp হৈছে আৰু প্ৰতিৰক্ষা বিভাগে যি মাটি লৈছে সেই মাটিৰ ক্ষতিপূৰণ মাটিৰ মালিকক এতিয়ালৈকে সম্পূৰ্ণ ভাৱে উভ্যাই দিয়া নাই। কোনো কোনো ঠাইত শতকৰা .৫০ ভাগহে এতিয়ালৈ দিয়া হৈছে। মাজত বহু পৰিয়ালৰ ঘৰ বস্তি বৈ গৈছে। প্ৰতিৰক্ষা বিভাগে মাটি অধিগ্ৰহণ কৰিলে এটা ব্লক হিচাপে অধিগ্ৰহণ কৰাৰ ব্যৱস্থা হব লাগে। আনকি জাতীয় ৰাজপথৰ বাবে যি মাটি অধিগ্ৰহণ কৰা হৈছে তাৰ ক্ষতিপূৰণৰ টকাও পৰিয়ালবৰ্গই পোৱা নাই। ইয়াৰোপৰি পুঠিমাৰী নদী, বৰনীয়া নদীৰ মথাউৰি সাজোতে যি মাটি অধিগ্ৰহণ কৰিছিল সেই মাটিৰো সম্পূৰ্ণ ভাৱে ক্ষতিপূৰণ এতিয়ালৈকে দিয়া হোৱা নাই। এইবিলাক কাম যথাযথ ভাৱে কৰিব নোৱাৰিলে মথাউৰি আদি সজাৰ কামতো বেমেজালী ঘটে। গতিকে যিবিলাক মানুহৰ মাটি অধিগ্ৰহণ কৰা হৈছে তেওঁলোকক যথা-যথ ভাৱে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা অনতিপলমে কৰিব লাগে।

ইয়াৰ পাছত মই শুক্লা জলসিঞ্চনৰ কথা কব খুজিছো। ৰাজ্যপাল মহোদয়ে আৰু বিত্তমন্ত্ৰী মহোদয়ে শুক্লা জলসিঞ্চনৰ Scheme দাঙি ধৰিছে। যমুনা জলসিঞ্চনৰ Scheme-ৰ নিদৰ্শন আমি পাইছো আৰু এই শুক্লা জলসিঞ্চনো যাতে তেনেকুৱা নহয় তাৰ বাবে আশা কৰিছো। কাৰণ যমুনা জলসিঞ্চনত বাৰিষা বৰষুণ হলেহে পানী আহে। গতিকে এই শুক্লা জলসিঞ্চনৰ আঁচনিত যাতে খৰালি মাহতো পানী পাব পাৰি তাৰ ব্যৱস্থা কৰিবৰ বাবে যেন চৰকাৰে চেষ্টা কৰে তাৰ বাবে আশা কৰিলো। শুক্লা জলসিঞ্চনৰ আঁচনিৰ বান্ধ সম্পূৰ্ণ নোহোৱাকৈ খেতিয়কৰ পথাৰৰ মাটিৰ শস্য নষ্ট কৰি দোং সমূহ খন্দা নহয় আৰু দোং খন্দাৰ কাৰণে সুপৰিকল্পিত ভাৱে আঁচনি লৈছে কামত আগবঢ়া যায় তাৰ ব্যৱস্থা হব লাগে। ফল স্বৰূপে বহুতো পৰিয়াল বিপদগ্ৰস্ত হৈছে আৰু জীয়াই থকাৰ বাবে সম্বলহীন হৈ পৰিছে। আশা কৰো চৰকাৰে অতি সোনকালে এই পৰিয়াল বৰ্গক মাটিৰ ক্ষতিপূৰণ দি বিকল্প মাটিৰ ব্যৱস্থা কৰি দিব লাগে। আমাৰ বিভিন্ন গাঁৱত আমি উৱলি যোৱা ঘৰ দেখিবলৈ পাইছো। আজি স্বাধীনতাৰ ২৪ বছৰৰ পাছতো মানুহে ভাঙি, চিঙি, উৱলি যোৱা ঘৰত বাস কৰিব লগা হৈছে এসাজ খাই এসাজ লঘোনে থকা অৱস্থা আঁতৰি যোৱা নাই। আৰু আনহাতে টাউনত মানুহে জকমকাই থকা দালান তৈয়াৰ কৰিছে। ইয়াৰ পৰিবৰ্ত্তন আমাক অতি শীঘ্ৰে লাগে। যোৱা লোকসভাৰ নিৰ্ব্বাচনৰ সময়ত কংগ্ৰেছ চৰকাৰে ইন্দিৰা গান্ধীয়ে কৈছিল কৈ "গৰীৱি হতাওঁ" —কিন্তু আমাৰ দেশত আমি কি দেখিবলৈ পাইছো। এই গৰীৱসকলৰ জীয়াই থকাৰ বাবে তেওঁলোকৰ অৱস্থা উন্নত কৰিবৰ বাবে আমাৰ এই চৰকাৰে আজি বিগত ২৪ বছৰত কি আঁচনি গ্ৰহণ কৰিছে? এই গৰীৱসকলৰ ঘৰ-দুৱাৰ বিত্তমন্ত্ৰী মহোদয়ে দেখিছেনে ?

এই বিধান সভাতে বিভিন্ন দপ্তৰৰ বাবে বিভিন্ন আঁচনি লোৱা হয় কিন্তু এই গৰীৱসকলৰ বাবে চৰকাৰে কি আঁচনি গ্ৰহণ কৰিছে ? উৱলি যোৱা ঘৰৰ পৰিবৰ্ত্তে ভাল বাসোপযোগী ঘৰ নিৰ্মাণ কৰি থাকিবৰ বাবে কিয় ঋন দিয়া নহয় ? আজি বেংকসমূহ জাতীয়কৰণ কৰা হৈছে—সৰ্বমুঠ ১৪টা বেংক জাতীয়কৰণ কৰা হৈছে। কিন্তু এই বেংকসমূহৰ পৰা গৰীৱসকলে টকা যিধৰণে পাব

লাগিছিল আজি সেই ধৰণে পোৱা নাই। ব্যক্তিগত জামিত টকা ধাৰ দিয়া ব্যৱস্থা অতি সোনকালে হব লাগে যাতে গৰীব পৰিয়াল বৰ্গই বেংকৰ পৰা ধাৰ লব পাৰে। আজিৰ এই চৰকাৰে সাধাৰণ জনসাধাৰণৰ গৰীৱসকলৰ প্ৰাণ স্পৰ্শ কৰিব পৰা নাই। সেইকাৰণেই আজি মাত্ৰ এই চৰকাৰৰে গৰীৱৰ ভোট লৈ ক্ষমতাত অধিষ্ঠিত হৈ থাকিলেই নহব। কামত আৰু মনতো গৰীৱি হাতাও শ্লগান কৰিব লাগিব। আৰু যদি ইয়াকে নকৰে তেন্তে এই গৰীৱে প্ৰতিশোধ লব। আপোনালোকে অপেক্ষা কৰক মই আজি হুচিয়াৰ কৰি দিছো। বেংকে টকা ধাৰলৈ দিয়ে, অথচ গৰীব খেতিয়কে টকা নাপায়। সহজ পদ্ধতি হব লাগে। মানুহৰ জীৱনটোৱে মূল্যবান সম্পদ ব্যক্তিগত জামিনত টকা ধাৰ দিয়া পদ্ধতি লাগে। খেতিয়কসকলৰ গৰু মৰে, বানপানীয়ে ঘৰ-দুৱাৰ ভাঙি পেলায়, ল'ৰা-ছোৱালীয়ে ভোকত কলমলাই থাকে, মাটি বন্ধক দি ব্যৱসায় কৰিবৰ বাবে টকা বিচাৰে কিন্তু বেংকৰ জৰীয়তে ধাৰে টকা নাপায়। এই খেতিয়ক পৰিয়ালে বাৰে কি অপৰাধ লগালে? এই চৰকাৰে এই গৰীব খেতিয়কসকলৰ প্ৰতিনিধিত্ব কৰিছে কিন্তু খেতিয়কে টকা পাইছেনে নাই তাৰ কিবা খবৰ লৈছেনে? সহজ পদ্ধতিৰে বেংকৰ টকা পোৱাৰ ব্যৱস্থা চৰকাৰে কৰি দিব লাগে। নহলে গৰীৱক আজি বচোৱা নেযাব। অনাহাৰে মৃত্যু মুখত পৰিব।

চেয়াৰমেন মহোদয়, এইখিনিতে মই অলপ গঠনমূলক কথা কব খুজিছো। State Bank ৰ লগত একোটা ট্ৰেজাৰী হব লাগে। যাতে আমাৰ যুৱকসকলে সুযোগ সুবিধা পাব পাৰে। বৰ্ডিয়া অঞ্চলত এটা ট্ৰেজাৰীৰ বাবে বৰ্ডিয়াৰ ৰাইজে বহু বছৰ কাল দাবী জনাই আহিছো তাত নানান উন্নয়নমূলক আঁচনি লোৱা হৈছে। অতি সোনকালে বৰ্ডিয়াত এটি ট্ৰেজাৰী হব লাগে। বৰ্ডিয়াত বৃটিছৰ যুগতে বৃটিছ ৰাজত্বৰ বিৰুদ্ধে কৃষক বিদ্ৰোহ হৈছিল আৰু তাত ১৭ জন খেতিয়কৰ মৃত্যু হৈছিল। কৃষি মিউজিয়াম, শ্বহীদ মিউজিয়াম হ'ল কৰিব লাগে—এইটো কেতিয়া কৰিব? বহুদিন ধৰি বৰ্ডিয়াৰ ৰাইজে চৰকাৰৰ লগত যোগাযোগ কৰি আহিছে। ৰাষ্টা-ঘাট নিৰ্মাণৰ ক্ষেত্ৰত দেখা গৈছে যে, ৰাষ্ট্ৰীয় পথৰ এটা অস্থায়ী Division বৰ্ডিয়াত আছে—সেইটো অতি সোনকালে স্থায়ী কৰিব লাগে। Railway Division ৰ কথাটোত বিত্তমন্ত্ৰী মহোদয়ে

উল্লেখ নকৰিলে। Railway Division টোৰ বাবে শ্ৰীগুলজাৰি লাল নন্দ মন্ত্ৰী হৈ থাকোতেই প্ৰতিশ্ৰুতি দিছিল আৰু আমাৰ মন্ত্ৰী মহোদয়েও মাটি দিয়াৰ কাৰণে প্ৰতিশ্ৰুতি দিছিল - এতিয়া সেইটো বাজেটত উল্লেখ কৰিব লাগিছিল! যাতে Railway Division ৰ কাম সোনকালে কাৰ্য্যকৰী হয়।

ইয়াৰ পাছত বৰ্দ্ধিত মূল্য এই খাদ্য দ্ৰব্যৰ ওপৰত যিটো বিক্ৰয় উঠিছে সেইটোত বহুতে দাম তুলি দিছে। এই বৰ্দ্ধিত মূল্য ৰোধ কৰিব লাগে। এইটো ৰোধ নকৰিলে আমি যিমানেই দৰ্মহাবৃদ্ধি-নকৰক বা pay committee নকৰক এই-টোৰ কোনো মূল্য নাথাকিব; অৰ্থাৎ কোনেও বস্তুৰ মূল্যবৃদ্ধিত তিষ্ঠিব নোৱাৰিব।

দ্বিতীয়তে মই প্ৰকৃত কথাটো কব বিচাৰিছো যে অসমত বহুতো পুৰণি কালৰ পুখুৰী এনেয়ে পৰি আছে বন জল গজি ব্যৱহাৰৰ অনুপযোগী হৈ আছে। এইবিলাক পঞ্চায়তৰ দ্বাৰাই হওক বা চৰকাৰৰ দ্বাৰাই হওক এই পুখুৰীসমূহত ৰাজহুৱা স্বাৰ্থৰ কাৰণে মীনমহল কৰিব লাগে। আমাৰ বিত্তমন্ত্ৰীয়ে জনা উচিত যে এই পুখুৰীবিলাক পৰিস্কাৰ কৰিলে আমাৰ কিছুমান ৰাজহুৱা সম্পত্তি বৃদ্ধি হব বিশেষকৈ আমি মাছ পুহিব পাৰিব আৰু ৰাইজে পানীও খাব পাৰিব। গোটেই অসমত এনেকুৱা বহুতো পুখুৰী আছে। এইবিলাকত মীনমহলৰ ব্যৱস্থা কৰিবলৈ মই চৰকাৰক অনুৰোধ জনাই থলোঁ।

Shri Atul Chandra Goswami : - মাননীয় সভাপতি ডাঙৰীয়া, বিত্তমন্ত্ৰী ডাঙৰীয়াই আমাৰ আগত যিখন ঘাটি বাজেট ডাঙি ধৰিছে অৱশ্যে তাৰ বাবে মই আচৰিত হোৱা নাই। কিন্তু ঘাটি বাজেট হোৱাৰ কাৰণে মোৰ অলপ আশঙ্কা নুগুছিল।

এই বিত্তীয় অৱস্থাটো আমাৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ লগত সম্বন্ধ থকা ব্যৱস্থা আছিল। পৰিকল্পনাত আৰম্ভণীৰ হিচাবেই আমাৰ গোটেই State ত আৰু কেন্দ্ৰত এই বিত্তীয় ব্যৱস্থাটো লোৱা হৈছিল। এই বিত্তীয় ব্যৱস্থাক কাৰ্য্যকৰী কৰিব পাৰিলেহেঁতেন যদিহে দেশৰ জনসাধাৰণৰ সঞ্চয়শীলতা বঢ়াব পাৰিলেহেঁতেন আৰু যদিহে দেশৰ price লাইন ঠিক কৰিব পাৰিলেহেঁতেন, তেতিয়াহলে আমাৰ দেশৰ অৰ্থনীতিবিদসকলে দেশখনক অতি সোনকালে সমৃদ্ধিশালী কৰিব পাৰিলেহেঁতেন।

কিন্তু আজি কেৱল এই বিৰোধী দলৰ ফালৰ পৰাই নহয় Treasury Bench ৰ ফালৰ পৰাও কবলৈ আৰম্ভ কৰিছে যে পৰিকল্পনাৰ যিবিলাক উদ্দেশ্য আছিল সেইবিলাক হৈ যোৱা হ'লে দেশখন নিশ্চয় এখোজ আগবাঢ়িব পাৰিলেহেঁতেন। আজি আমি অনুভৱ কৰিছোঁ যে বিত্তীয় ঘাটি অৱস্থাৰ ফলত আমাৰ দেশত নোটৰ প্ৰভাৱ বাঢ়িছে। কেইদিনমানৰ আগতে দেখিছোঁ যে Reserve Bank ৰ Bulletin ত দিছে ৪ হেজাৰ ৫৯০ কোটি টকাৰ নোট্‌ আমাৰ বজাৰত আছে। গতিকে আজি কিছুমান অঞ্চলত ইয়াৰ প্ৰভাৱে কেনেকুৱা ভয়াবহ অৱস্থাৰ সৃষ্টি কৰিছে সেইটো সকলোৱে অনুভৱ কৰিব পাৰিছে। সেইফালৰ পৰা অন্ততঃ অসমৰ বিত্তীয় পৰিস্থিতিলৈ চাই এই হতাশ ব্যঞ্জক বাজেটখন ব্যৰ্থ হৈছে বুলি সকলোৱে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে।

আজি বাজেটখনক চৰকাৰৰ অৰ্থনীতিৰ বাইবেল বুলি কব লাগিব; কিন্তু এই বাইবেলৰ চাৰমন কিছুমানেহে পাইছে — তাৰ বাহিৰে ইয়াত অৰ্থনীতি বঢ়োৱাৰ কোনো পৰিস্কাৰ চিত্ৰ নাই। বিত্তমন্ত্ৰী ডাঙৰীয়াই কৈছে যে আশাবাদ আৰু নিৰাশাবাদৰ মাজতহে এটা জাতি হৈ উঠে। এইটো একেবাৰে কাব্যিক লাইন। তেখেতে বোধকৰো একালত কবিতা লিখিছিল। সেয়েহে তেখেতৰ বাক্যত কাব্যব্যঞ্জক ৰস নিগৰি উঠিছে। কিন্তু আশাবাদ আৰু অদৃষ্টবাদ আমাৰ ৰাজ্যত ইমান সোনকালেই তৈয়াৰ হ'লনেকি?

আজি প্ৰত্যেকে চিঞৰিছে, হিন্দুৱে বিষ্ণুক চিঞৰিছে, মুছলমানে আল্লাক চিঞৰিছে পানী লাগে পানী লাগে। কোনোবাই বৰষুণৰ বাবে ঢেঁকী চুৰ কৰিছে আৰু কোনোবাই ভেকুলী বিয়া পাতিছে; কিন্তু পানী নাই। আজি কেইবামাহো ধৰি কোনেও আহুধানৰ কঠিয়া, মৰাপাটৰ কঠিয়া সিঁচিব পৰা নাই। তেনেস্থলত দেশৰ কল্যাণমূলক কাম কেনেকৈ হব। আজি স্বাধীনতাৰ ২৪ বছৰৰ পাছতো এই দেশৰ মানুহে বৰষুণৰ বাবে মেঘলৈ বাট চাই থাকিব লাগে -ই কি চৰকাৰৰ ব্যৰ্থতাৰ উদাহৰণ নহয়?

যিবিলাক ঠাইত বিজুলীবাতি নাই তাততো কথাই নাই; কিন্তু আজি অসমত এনেকুৱা ঠায়ো আছো য'ত মাইলৰ পাছত মাইল জুৰি বিজুলীবাতি জ্বলি আছে তথাপিও সেই ঠাইত Deep tubwell এটাও দেখিবলৈ পোৱা নাই। এই বিধান সভালৈ অহাৰে পৰা সকলো কথাকে কৈছো যে কলঙৰ মুখ বন্ধ

কৰাৰে পৰা খেতিৰ বিস্তীৰ্ণ অঞ্চল ধ্বংস কৰি দিছে। ৰাজ্যপালৰ ভাষণত কৈছিল কলঙৰ পাৰত উত্তোলিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে; কিন্তু বিত্তমন্ত্ৰীৰ বাজেট বক্তৃতাত তাৰ কোনো নাম গোন্ধেই নাই কেৱল কৰা হব বুলিয়েই ক'লে।

এতিয়া এই বাজেটত দেখিছো যে ১৯৭২ চনৰ ৩১ মাৰ্চ্চৰ ভিতৰত আমি ১০৯ কোটি ২৭ লাখ ১১২ হেজাৰ টকাৰ ঋণ পৰিশোধ কৰিব লাগিব। তাৰ বাহিৰেও অন্যান্য ঋণবিলাকো পৰিশোধ কৰিব লাগিব। ইয়াৰ ফলত ৰাজ্যৰ অৰ্থনৈতিক অৱস্থা ভাগি পৰাৰ বাহিৰে পুনৰ ডাংখাই অহাৰ কোনো এটা ইঙ্গিতেই আমি দেখা নাই।

নিবনুৱা সমস্যাৰ কথাত উদ্বেগ প্ৰকাশ কৰি বিত্তমন্ত্ৰী ডাঙৰীয়াই কৈছে যে কেৱল চৰকাৰী চাকৰিৰ প্ৰতি মুখাপেক্ষী হৈ থাকিলেই লাভজনক নহব। কৃষি আৰু উদ্যোগিক কাজত নিয়োজিত হোৱাৰ প্ৰতি জনসাধাৰণৰ মনোভাৱ ধাবিত কৰিবলৈ সুচিন্তিত প্ৰচেষ্টা চলাব লাগিব।

এই প্ৰচেষ্টা চলাবলৈ তথা নিবনুৱা সমস্যা সমাধান কৰিবলৈ চৰকাৰে Holler Seller ৰ Permit দিছে। Scooter Auto-Rikshow আদিৰ permit দিছে! কিন্তু কিছুমানে পাইছে কিছুমানে পোৱা নাই। এইবিলাকৰ কাৰণে ঋণ দিয়াৰ কথা আছিল; কিন্তু আজিলৈকে দুখীয়া ডেকা ল'ৰাবোৰে একো ঋণ নাপালে। যাৰ ধন সম্পত্তি আছে তেওঁ নিজে কিনি লৈছে। Holler Seller ৰ বাহিৰে অহা-যোৱা কৰি এতিয়া তপস্যা কৰি আছে। Taxi ৰ permit দিছে; কিন্তু যিসকলে অগ্ৰিম ধন দিব পাৰিছে তেওঁলোকেহে পাইছে। কিন্তু যিসকলে দিব পৰা নাই তেওঁলোকে তেনেকুৱা সুবিধা পোৱা নাই।

আমাৰ বন্ধু শ্ৰীনকুল দাসে কৈছে—গাঁৱলৈ যিসকল মন্ত্ৰী গৈছে আমাৰ বন্ধু শ্ৰীচত্ৰচিং তেৰনে জানে যে গাঁৱৰ লোকসকলে কেনেকুৱা অৱস্থাত আছে আৰু ক'ৰ পৰা পানী খাইছে? মন্ত্ৰীসকলে নিজেই দেখিছে কলঙৰ মুখ বন্ধ কৰি দিয়াৰ পাছত তাত মেটেকাবোৰ দ'ম বান্ধি পৰিছে। সেই মেটেকাৰ অপৰিষ্কাৰ পানী খাই গাওঁবাসীয়ে জীয়াই থাকিবলগীয়া হৈছে। চৰকাৰে ভাল পানী পোৱাৰ কোনো ব্যৱস্থা কৰি দিয়া নাই।

আঞ্চলিক পঞ্চায়তৰ যোগেদি দিয়া টিউবওৱেলৰ পানী নোলায়। জলসিঞ্চনৰ বাবে কৰা Project বিলাকে যেতিয়া দৰকাৰ তেতিয়া পানী যোগান ধৰিব নোৱাৰে।

( সময়ৰ সংকেত )

সেইকাৰণে এই বাজেটখনত অন্ততঃ কেইখনমান আঁচনি থকাটো আশা কৰিছিলো। আমাৰ S.S.P. দলৰ ফালৰ পৰা সদায়েই কৈ আহিছো আঁচনিৰ কাৰণে।

**Shri Kamakhya Prasad Tripathi** : ভাৰত চৰকাৰে ৫০ কোটি টকা দিছে।

**Shri Atul Chandra Goswami** : যিবোৰ চৰকাৰী মাটি জধে-মধে পৰি আছে সেইবিলাক আবাদী কৰিবলৈ চেষ্টা কৰিব লাগে আৰু মাটিহীন মানুহৰ মাজত সেই মাটিখিনি দি দিব লাগে।

( সময়ৰ সংকেত )

আমাৰ Fishery মন্ত্ৰীৰ বহুত অভিজ্ঞতা আছে। আমাৰ যিবোৰ Fishery আছে তাত মাছ সোমাব নোৱাৰে। ব্ৰহ্মপুত্ৰৰ মথাউৰি হোৱাৰ পিচত তেখেতৰ বোকলি সমষ্টিতেই মাছ সোমাবৰ কাৰণে কোনো পথ খোলা নাই। ফলত হাৰিভাঙা, বৰদলং, পোতাকলনী আদি কিছুমান বিলত মাছ সোমাবলৈ কোনো পথ নাই। বিল পুতি মহলদাৰে খেতিৰ মাটি কৰি পেলাইছে। হাৰিভাঙা, বৰদলং, পোতাকলং আদি বিলতো মাছ সোমোৱাৰ কোনো ব্যৱস্থা ৰখা নাই। এইবিলাক বিলত মাছ সোমোৱাৰ বাবে প্ৰকৃত ভাবে শ্লুইজ গেটৰ ব্যৱস্থা কৰিব লাগে। নহলে এইবিলাকত মাছ নাপাই জিজিহে পাব। ডাঙৰ ডাঙৰ বিলবিলাকো মেটেকা পৰি বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে। কিন্তু এই মন্ত্ৰী সভাৰ মুখ্যমন্ত্ৰী, উদ্যোগ মন্ত্ৰী, মীন মন্ত্ৰী আৰু ডঃ কে এস ৰাও লগলাগি ৪ অক্টোবৰ তাৰিখে নগাওঁ Circuit House ত যি প্ৰতিশ্ৰুতি দিছিল তাক পালন কৰিবলৈ কি ব্যৱস্থা কৰিছে আমি বুজিব নোৱাৰো। এক লাখ ৫১ হাজাৰ টকা খৰচ কৰি lift Irrigation কৰাৰ প্ৰতিশ্ৰুতি এতিয়াও প্ৰতিশ্ৰুতিতেই আছে, কামত হোৱা নাই।

আকৌ শিলঘাটৰ পৰা ঢিংঘাটলৈ হোৱা মথাউৰিৰ বাবে কৰা Acquisition ৰ বাবে আজিও ক্ষতিপূৰণ দিয়া হোৱা নাই।

বিৰলাক Plywood ৰ Permit দিয়াৰ ব্যৱস্থা ৰাখিছে অথচ কাষতে নগা-পাহাৰে plywood ৰে বজাৰত Competition চলাইছে। তালৈ চৰকাৰে লক্ষ্য কৰা নাই।

( সময়ৰ সংকেত )

এই বাজেটখনত দৰমহা D. A. আদিৰ কথাহে আছে কিন্তু দুখীয়া ৰাইজৰ হকে কোনো আঁচনি নাই। গতিকে দুখীয়া ৰাইজৰ কাৰণে চিন্তা কৰিবলৈ বিত্তমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

**Shri Azizur Rahman Choudhury :** অধ্যক্ষ মহোদয়, মই কব খুজিছো যে চেঙা সমষ্টিত বানপানী হৈ যোৱাৰ পিচত বানপানীয়ে ভঙা মথাউৰিবিলাক আজিলৈকে বন্ধা নহ'ল। আনকি National Highway ৰ দলংবিলাকো ভাল কৰা হোৱা নাই। নহলে তাৰ ৰাইজে বৰ অসুবিধা ভোগ কৰিব লাগিব।

**Shri Bhubaneswar Barman :**—সদনত কথা কওঁতে chair ক সম্বোধন কৰি কথা কব নালাগে নেকি অধ্যক্ষ মহোদয়। তেখেতে কেৱল আঙুলি জোকাৰিহে কথা কৈছে দেখোন।

**Mr. Chairman :**—আপুনি মোক সম্বোধন কৰিব।

**Shri Azizur Rahman Choudhury :** বাৰু, মই চেয়াৰকে সম্বোধন কৰিম।

শ্ৰীমতী গান্ধীয়ে ৰাইজক যি প্ৰতিশ্ৰুতি দিছে সেই প্ৰতিশ্ৰুতি পালন কেনেকৈ কৰে তাকে চাইহে আমি আনন্দ পাম। নিবনুৱা সমস্যা সমাধান কৰিবলৈ বহুত আঁচনিয়েই লৈছে কিন্তু কোনো ঠাইতে কৃতকাৰ্য্য হব পৰা নাই।

আমাৰ অঞ্চলসমূহত ডাক্তৰখানা বিলাকৰ ঘৰ-দুৱাৰ ভাঙি গৈছে কিন্তু মেৰামতিৰ কৰা কোনো ব্যৱস্থা কৰা নাই যেন লাগ। আমাৰ মাননীয় সদস্য ডঃ সুৰেন দাসৰ সমষ্টিটো বহুত ডাক্তৰখানা ঘৰ ভাঙি আছে।

( সময়ৰ সংকেত )

**Mr. Chairman** :-আৰু কিমান সময় কব ?

**Shri Azizur Rahman Choudhury** :-চেয়াৰমেন মহোদয়, (গোলমাল) মোক Disturb কৰিলে এক লাখ মানুহৰ কথাত Disturb কৰা হব। যদি মোৰ কথা শুনিবলৈ বেয়া পায়, তেনেহলে একলাখ মানুহৰ কথা শুনিবলৈ বেয়া পায়।

গতিকে মই কওঁ যে চৰকাৰে কিছুমান গাই আৰু ষাঁড় গৰু আনি দুখীয়া ৰাইজৰ মাজত দিব লাগে। তেতিয়াহলে গৰীব ৰাইজৰ বহুত উপকাৰ হব গাখীৰ আৰু খেতিৰ পথাৰতো বহুখিনি সহায় হব।

**Mr. Chairman** :-Cut Motion ৰ সময়ত কবলৈ সুযোগ পাব।

## ADJOURNMENT

The Assembly than adjourned till 9 A. M. on Friday, the 2nd April 1971.

Shillong,
The Ist April 1971

U. Tahbildar
Secretary,
Legislative Assembly,
Assam.